কোভিড-১৯ৰ বিৰুদ্ধে যুদ্ধঃ একেলগে জয়ী হ'ম | পৃষ্ঠা ৪-১৫

প্ৰথম বছৰ, সংখ্যা ২২

নিউ ইণ্ডিয়া সমাচাৰ

১৬-৩১ মে', ২০২১
বিনামূলীয়া বিতৰণ



নতুন ভাৰতৰ উত্থান

ক্ষীপ্ৰ-সৰ্বাঙ্গীন উন্নয়নৰ মাধ্যমত এখন নতুন ভাৰতৰ গতি নিৰ্ধাৰণ কৰি...

আজি আমাৰ মূল প্ৰাথমিকতা হৈছে এই বেমাৰটোক পৰাজিত কৰা। আমি এই বেমাৰৰ বিপদৰ পৰা শীঘ্ৰেই আঁতৰি আহিম।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানে আমাক সকলোকে প্ৰেৰণা দিয়ে। কিন্তু কৰ'নাৰ দ্বিতীয় ঢৌৱে যেতিয়া দেশক জৰুলা কৰিছে তেনে সময়ত প্ৰধানমন্ত্ৰীৰ এই ৰেডিঅ' অনুষ্ঠানে বেমাৰৰ উপশম ঘটোৱাৰ উপায় দিছে। এইবাৰৰ দ্বিতীয় ঢৌৰ কৰ'না মহামাৰীৰ পৰা ৰাইজে কিদৰে ৰক্ষা পাব, দেশৰ সেৱাত থকা চিকিৎসক-নাৰ্ছ-এম্বুলেন্স চালক-স্বাস্থ্য কৰ্মীসকলে কিদৰে কাম কৰি আছে, মহামাৰীৰ পৰিস্থিতি কিদৰে ধৈৰ্য্যসহকাৰে থাকিব লাগে, জনতাৰ মনত উঠিব পৰা এই সকলো প্ৰশ্ন যেতিয়া স্বয়ং প্ৰধানমন্ত্ৰীয়ে বিশেষজ্ঞক প্ৰশ্ন কৰে তেতিয়া সেইবোৰ জীৱন্ত কাহিনীৰ ৰূপত মন কী বাতৰ অংশ হৈ পৰিছে এই উপায়বোৰৰ মাজতে প্ৰধানমন্ত্ৰীয়ে টিকাকৰণৰ ওপৰত অধিক গুৰুত্ব দি কয় যে "আমি সকলোৱে ভেকচিন লোৱাটো প্ৰয়োজনীয় আৰু সাৱধানে থকাও প্ৰয়োজনীয়। এই সময়ত চিকিৎসক, বিশেষজ্ঞ আৰু বিজ্ঞানীসকলে যি পৰামৰ্শ দিছে সেয়া মন দি শুনিব লাগে।"

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** আপুনি কৰ'নাৰ দ্বিতীয় ঢৌ সম্পৰ্কত অৱগত কৰাওক? এয়া কেনেকৈ ভিন্ন আৰু কোনবোৰ সাৱধানতা অৱলম্বন কৰিব লাগিব? ইয়াৰ উপশম কেনেকৈ সম্ভৱ?

উত্তৰ **ডাঃ শশাংকঃ** দ্বিতীয় লহৰত সুস্থ হৈ উঠাৰ হাৰ বেছি আৰু মৃত্যুৰ হাৰ কম। ৮০-৯০শতাংশ লোকৰ মাজত কোনো ধৰণৰ লক্ষণ দেখা পোৱা নাযায়। সামান্য কোভিডৰ লক্ষণ থাকিলে আমি পেৰাচিটামল দিওঁ, মধ্যমৰ পৰা গম্ভীৰত চিকিৎসকৰ সৈতে যোগাযোগ জৰুৰী। ৰাইজে ৰেমডিজিভিৰৰ দৰে ঔষধৰ বাবে হায়ৰাণ হোৱাৰ প্ৰয়োজনীয়তা নাই। সামান্য দৰৱৰ ব্যৱহাৰৰ জৰিয়তে ৯৮ শতাংশ লোক সুস্থ হৈ উঠিছে।

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** ডাঃ নাভেদ, এই কঠিন সময়ত "পেনিক মেনেজমেন্ট" আৰু ভেকচিনক লৈ আপোনাৰ কি পৰামৰ্শ?

উত্তৰ **ডাঃ নাভেদঃ** আমি এয়াই ক'ম যে সাৱধানতা অৱলম্বন কৰি থাকিলে সকলো সুৰক্ষিত হৈ থাকিম। ৯০-৯৫ শতাংশ লোক কোনো ঔষধ ব্যৱহাৰ নকৰাকৈ ঠিক হৈ গৈছে। সকলো নীতি-নিয়ম পালন কৰি ভিৰৰ পৰা আঁতৰত থাকিলে এই মহামাৰীৰ পৰা হাত সাৰি থাকিব পাৰিব। যিসকল লোক টিকাকৰণৰ পাছতো সংক্ৰমিত হৈছে তেওঁলোকৰ সংক্ৰমণ গম্ভীৰ বা চিন্তনীয় নহয়। সকলোৱে টিকা লওক, সমাজৰ বাবে, সম্প্ৰদায়ৰ সুৰক্ষাৰ বাবে ভেকচিন লওক।

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** মহশায়া, আপুনি কৰ'নাৰ বিৰুদ্ধে যুঁজ দি জয়লাভ কৰিছে। আপোনাৰ অনুভৱ ব্যক্ত কৰক?

উত্তৰ **প্ৰীতিঃ** আৰম্ভণিৰ সময়ত মই অসুস্থ অনুভৱ কৰিছিলোঁ, গলধনত খেৰখেৰণি অনুভৱ কৰিছিলোঁ। কৰ'না পৰীক্ষাৰ ফলাফল ধনাত্মক অহাৰ লগে লগে মই নিজক নিলগীকৰণ কৰিছিলোঁ। এনে কৰাৰ ফলত মোৰ পৰিয়ালৰ কৰ'না পৰীক্ষা ঋণাত্মক হৈছে। নিয়মিত ঔষধ লৈ থকাৰ লগতে মই দিনটোত একাধিকবাৰ গৰম পানীৰ ভাপ লৈছিলোঁ আৰু যোগাসনত গুৰুত্ব দিছিলোঁ

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** এম্বুলেন্সৰ চালকসকল দেৱদূতসদৃশ। এনেকুৱা এজন চালক কৃষ্ণ বাৰ্মা আপোনাক অনুৰোধ জনাইছোঁ আপোনাৰ অনুভৱ ব্যক্ত কৰিবলৈ?

উত্তৰ **প্ৰেমঃ** মই বিগত দুবছৰ ধৰি এম্বুলেন্সৰ চালক হিচাপে কাম কৰি আছোঁ। আমি ৰোগী আনিবলৈ যাওঁতে মাস্ক. গ্লোভচ, পিপিই কিট পিন্ধি যাওঁ। মোৰ মাতৃয়ে মোক চাকৰি এৰি দিবলৈ কৈছে কিন্তু মই মাক কৈছোঁ যে চাকৰি এৰি দিলে ৰোগীক কোনে অনা-নিয়া কৰিব।

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** ৰায়পুৰৰ কৰ্মৰত নাৰ্চ "চিষ্টাৰ" ভাৱনা আপুনি আপোনাৰ অনুভৱ ব্যক্ত কৰক?

উত্তৰ **ভাৱনাঃ** আমি একেৰাহে ১৪ দিন ডিউটি কৰোঁ আৰু তাৰ পাছত জিৰণি লওঁ। ২ মাহৰ পাছত আমাৰ পুনৰ ডিউটী আৰম্ভ হয়। কৰ'নাৰ নাম শুনিলে সাধাৰণ ৰাইজে ভয় খায়। সেয়েহে ৰাইজক সজাগ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিছোঁ।

প্ৰশ্ন **প্ৰধানমন্ত্ৰীঃ** বাংগালুৰুৰ নাৰ্চ সুৰেখা আপুনি ৰাইজৰ বাবে কি অনুভৱ ব্যক্ত কৰিব বিচাৰে?

উত্তৰ **সুৰেখাঃ** যদিহে আপুনি নিজৰ গাত কোনো লক্ষণ প্ৰত্যক্ষ কৰিছে তেন্তে শীঘ্ৰেই নিজৰ সকলোৰে পৰা আঁতৰাই ৰাখক আৰু চিকিৎসকৰ পৰামৰ্শ লওক। ভেকচিন লোৱাৰ ক্ষেত্ৰত পাছপৰি নাথাকিব। আৰু ফ্ৰন্টলাইন স্বাস্থ্য কৰ্মীক সহযোগিতা আগবঢ়াওক।

প্ৰধানমন্ত্ৰীৰ মন কী বাত শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

নিউ ইণ্ডিয়া সমাচাৰ

প্ৰথম বছৰ, সংখ্যা-২২ ১৬-৩১ মে', ২০২১

সম্পাদক

জয়দীপ ভাটনাগৰ,
মুখ্য সঞ্চালক প্ৰধান,
প্ৰেছ ইনফৰমেশ্বন ব্যু'ৰ
নতুন দিল্লী

পৰামৰ্শদাতা সম্পাদক

বিনোদ কুমাৰ

সন্তোষ কুমাৰ

অলংকৰণ

ৰবীন্দ্ৰ কুমাৰ শৰ্মা

মুদ্ৰণ আৰু ছপা

সত্যেন্দ্ৰ প্ৰকাশ,
মুখ্য সঞ্চালক প্ৰধান, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড
কমিউনিকেশ্যনৰ হৈ

মুদ্ৰণঃ

ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

প্ৰকাশৰ স্থান

ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন,
২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং . : DELASS/2020/78827

response-nis@pib.gov.in

সূচীপত্ৰ

১	সম্পাদকীয়	পৃষ্ঠা ০২
২	পত্ৰালাপ	পৃষ্ঠা ০৩
৩	কৰ'নাৰ বিৰুদ্ধে যুদ্ধ	পৃষ্ঠা ০৪-১৫
৪	নতুন ভাৰত	পৃষ্ঠা ১৬-১৯
৫	প্ৰযুক্তিৰ জৰিয়তে পৰিৱৰ্তন	পৃষ্ঠা ২০-২৯
৬	ভাৰতৰ সৌৰ যাত্ৰা	পৃষ্ঠা ৩০
৭	৩৪ বছৰৰ পাছত নতুন শিক্ষানীতি	পৃষ্ঠা ৩১
৮	ডিজিটেল প্ৰযুক্তি	পৃষ্ঠা ৩২-৩৩
৯	সকলোৰে বাবে সংস্কাৰ	পৃষ্ঠা ৩৪-৩৫
১০	বিকশিত অৰ্থনীতি	পৃষ্ঠা ৩৬-৩৮
১১	কেবিনেট সিদ্ধান্ত	পৃষ্ঠা ৩৯
১২	প্ৰতিৰক্ষা নীতি	পৃষ্ঠা ৪০-৪১
১৩	বৈদেশিক নীতি- প্ৰতিৱেশী প্ৰথম	পৃষ্ঠা ৪২-৪৩
১৪	নতুন ভাৰতৰ উত্থান	পৃষ্ঠা ৪৪-৪৬
১৫	এক ৰাষ্ট্ৰ-এক সেৱা	পৃষ্ঠা ৪৭
১৬	অবন্দিত নায়ক	পৃষ্ঠা ৪৮-৪৯
১৭	আজাদী কা অমৃত মহোৎসৱ	পৃষ্ঠা ৫০-৫১
১৮	ব্যক্তিত্ব	পৃষ্ঠা ৫২

সম্পাদকীয় মেজৰ পৰা

সাদৰ নমস্কাৰ,

কৰ'নাই আমাৰ সকলোৰে ধৈৰ্য্য পৰীক্ষা কৰি আছে, আমাৰ সকলোৰে দুখ সহ্য কৰিব পৰা ক্ষমতাৰ পৰীক্ষা কৰি আছে। এই বিশ্বজনীন কৰ'না মহামাৰীৰ প্ৰথমটো টোৰ সময়ত দেশবাসীয়ে একজোঁট হৈ মোকাবিলা কৰিছিল আৰু দেশৰ সম্মুখত অনুকৰণীয়া উদাহৰণ দাঙি ধৰিছিল। কিন্তু কোভিড অনুশাসনৰ ক্ষেত্ৰত হোৱা হেৰফেৰৰ বাবে এইবাৰ কোভিডৰ দ্বিতীয় লহৰ অধিক ভয়াৱহ হৈ পৰিছে। ইয়াৰ পৰিমাণ ঔষধ আৰু অক্সিজেনৰ নাটনিত দেখিবলৈ পোৱা গৈছে। কিন্তু প্ৰত্যাহ্বান আৰু সমস্যাৰ সৈতে যুঁজ দিব পৰা দেশৰ নেতৃত্বই পদ্ধতিৰ সলনি কৰি আৰু উপলব্ধ আন্তঃগাঁথনিৰ সহায়ত কৰ'নাৰ দ্বিতীয় লহৰৰ সৈতে যুঁজ দিবলৈ সংবেদনশীলতাৰে আগবাঢ়ি গৈছে।

অক্সিজেনৰ চাহিদা পূৰণ কৰাৰ ক্ষেত্ৰত হওক বা ঔষধৰ যোগান ধৰা, হস্পিতালত বিচনাৰ ব্যৱস্থা কৰা আদিবোৰৰ ক্ষেত্ৰত হওক শেহতীয়াকৈ দেশৰ সুৰক্ষাৰ ভৰসা সেনাবাহিনীকো এই মহামাৰীৰ সৈতে মোকাবিলাৰ বাবে মোতায়েন কৰা হৈছে। বিশ্বৰ অন্য দেশো ভাৰতৰ সৈতে থিয় হৈছে। দেশৰ প্ৰধানমন্ত্ৰীয়ে পুনৰবাৰ সকলো দায়িত্ব কান্ধ পাতি লৈছে আৰু ২৮ দিনত ১৭খনতকৈ অধিক মহত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰি দেশৰ স্বাস্থ্য সম্বন্ধীয় পৰিস্থিতিৰ বুজ লয়। আৰু লগতে বিশ্বৰ সকলোতকৈ বিশ্বাসী স্বদেশী ভেকচিনক দেশৰ যুৱ প্ৰজন্মলৈ নিয়াৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই সকলোবোৰৰ মাজত এই কথাটো ধনাত্মক যে সুস্থ হৈ উঠা লোকৰ সংখ্যা বৃদ্ধি পাইছে। স্বাস্থ্য সম্বন্ধীয় এই ব্যৱস্থাৱলী আৰু কৰ'না মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ বাবে লোৱা পদক্ষেপবোৰক লৈ এইবাৰৰ সংখ্যাত আলোচনা কৰা হৈছে।

দেশৰ নেতৃত্বই এই মহামাৰীৰ বিৰুদ্ধে যুঁজখনত যথেষ্ঠ সংবেদনশীলতাৰ মাজেৰে আৰু দায়িত্বৰ মাজেৰে আগবাঢ়িছে। দেশৰ চৰকাৰে চিকিৎসালয়ৰ ব্যৱস্থা আৰু ঔষধৰ ব্যৱস্থাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। গতিকে এই মহামাৰীৰ পৰা বাঁচি থকাৰ একমাত্ৰ উপায় হৈছে সাৱধানতা। এইদৰে মহামাৰীৰ লগতে দেশৰ অন্যান্য প্ৰত্যাহ্বানৰ সৈতে সাহসিকতাৰে যুঁজ দি দেশৰ নেতৃত্বই যিদৰে আগবাঢ়ি গৈছে সেই নতুন ভাৰত সম্পৰ্কতো এইবাৰৰ সংখ্যাত বিশেষ লেখা প্ৰস্তুত কৰা হৈছে। আশা কৰোঁ এই বিশেষ লেখাই আপোনালোকক দেশৰ নেতৃত্বৰ প্ৰতি আত্মবিশ্বাস আৰু ভৰষাৰ বাতাবৰণ সৃষ্টি কৰিব ।

সদৌ শেষত আমি এয়াই ক'ম যে কৰ'না মহামাৰী থকালৈ ভেকচিন লোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ক, মাস্ক পিন্ধি থাকক আৰু সামাজিক দূৰত্বৰ মাজেৰে সাৱধানতা অৱলম্বন কৰক।

আলোচনীখন পঢ়ি স্নেহ আৰু আশীষ দি থাকি আপোনালোকৰ মতামত আৰু পৰামৰ্শবোৰ আমালৈ প্ৰেৰণ কৰিবলৈ নাপাহৰিব।

ঠিকনা : ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন, নতুন দিল্লী-১১০০০৩

মেইল : response-nis@pib.gov.in

(জয়দীপ ভাটনাগৰ)

পত্ৰালাপ

ভাৰতৰ উজ্জ্বল ভৱিষ্যতৰ বাবে এয়া সঁচাকৈ এক উদ্ভাৱনীমূলক পদক্ষেপ। ৰাষ্ট্ৰীয় টেষ্টিং এজেঞ্চী সঁচাকৈ সময়ৰ প্ৰয়োজনীয়তা। মই ব্যক্তিগতভাৱে এয়া বিশ্বাস কৰোঁ যে ৰাষ্ট্ৰীয় শিক্ষা নীতিত লৈ অনা সংশোধন আৰু পৰিৱৰ্তনবোৰে ভাৰতৰ শিক্ষাখণ্ডত আমূল পৰিৱৰ্তন আনিব। আৰু এই পদক্ষেপে দেশক এক উজ্জ্বল ভৱিষ্যতৰ দিশেও লৈ যাব। শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ ক্ষেত্ৰত শিক্ষাৰ পৰ্যালোচনাৰ মান নিৰ্ধাৰণ কৰা প্ৰয়োজনীয়। আমি বিশেষজ্ঞ হিচাপে আৰু দেশৰ সচেতন নাগৰিকও এই ক্ষেত্ৰত ধনাত্মক হোৱা উচিত।

ডঃ অনিল ৱাৰ্কৰ
warkar.anil@gmail.com

ডিজিটেল কেলেণ্ডাৰ

ভাৰত চৰকাৰৰ ডিজিটেল কেলেণ্ডাৰ আৰু ডায়েৰীয়ে আপোনাক চৰকাৰী বিভিন্ন আঁচনি, কাৰ্যক্ৰমণিকা, প্ৰকাশন সম্পৰ্কত সঠিক খবৰ দিব। লগতে এই ডিজিটেল কেলেণ্ডাৰত চৰকাৰী বন্ধৰ লগতে উৎসৱৰ দিনবোৰৰ বিষয়ে জনাব।

গুগুল প্লে ষ্টোৰ আৰু আইঅ'চৰ পৰা এয়া ডাউনলোড কৰিব পাৰিব

গুগুল প্লে ষ্টোৰ লিংক
https://play.google.com/store/apps/details?id=in.gov.calendar

আইঅ'চৰ লিংক
https://apps.apple.com/in/app/goi-calendar/id1546365594

https://goicalendar.gov.in/

নিউ ইণ্ডিয়া সমাচাৰৰ আঁৰৰ সকলো ব্যক্তিলৈ মোৰ অভিনন্দন এই আলোচনীখন প্ৰস্তুত কৰি এইদৰে পৰিৱেশন কৰাৰ বাবে অশেষ ধন্যবাদ। আলোচনীখনৰ লেখাসমূহ প্ৰস্তুতিকৰণৰ ক্ষেত্ৰত লোৱা হোৱা গৱেষণা সঁচাকৈ প্ৰশংসনীয়। চৰকাৰৰ মতামত সংক্ষেপতে প্ৰকাশিত হয়। শেষত পুনৰ এবাৰ এই আলোচনীখন প্ৰকাশ কৰাৰ বাবে সকলোকে ধন্যবাদ।

মানস্বী গাৰ্গ,
bhartigarg879@gmail.com

মই সুখী যে এনেকুৱা এখন আলোচনী আপোনালোকে প্ৰকাশ কৰিছে এই আলোচনীখনত সত্য কথাবোৰ প্ৰকাশ কৰাৰ বাবে আপোনালোকক ধন্যবাদ। মোৰ এটা পৰামৰ্শ আছে যে আপোনালোকে এই আলোচনীখন-চেনেলটো ভালদৰে বাণিজ্যিকৰণ কৰক যাতে ফেক নিউজ প্ৰতিহিত কৰিব পৰা যায়। এই দেশত শুদ্ধ-সত্য বাতৰিৰ সলনি বৰ্তমান ফেক বাতৰি পৰিৱেশন কৰা সংস্থাবোৰ বেছি শক্তিশালী হৈ পৰিছে আৰু আমাৰ ক্ষতিসাধন কৰিছে। সেয়েহে আপোনালোকৰ দৰে সংস্থা শক্তিশালী হোৱাটো আমি কামনা কৰোঁ। আমি সত্যৰ জয় বিচাৰোঁ। ধন্যবাদ,

মমতা আগৰৱালা
mamta.aggarwal4@gmail.com

মই মাহিলী এই আলোচনীখন লাভ কৰি যথেষ্ট আনন্দিত নিউ ইণ্ডিয়া সমাচাৰখন ভাল আলোচনী। মোৰ এয়া অনুৰোধ যে এই আলোচনীখন ডাউনলোড কৰিব পৰা অৱস্থাত দিলে ভাল। কলেজ-বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰবোৰতো এই আলোচনী প্ৰেৰণ কৰিব লাগে।

মিছ ছামলামৱাংলে,
stxxaviercollegejalukie@gmail.com

নিউ ইণ্ডিয়া সমাচাৰ এখন উৎকৃষ্ট আলোচনী। এই আলোচনীখনৰ ডাউনলোডৰ সুবিধাকৰণৰ বাবে অনুৰোধ জনালোঁ। এই সুবিধা থাকিলে আমি আলোচনীখন অন্য শিক্ষাৰ্থীক প্ৰিন্ট আউট উলিয়াই বিতৰণ কৰিব পাৰোঁ।
ধন্যবাদ,

অনন্ত পোৰে
ananta.pore@yashada.org

সকলোৱে মিলি জয়ী হ'ম...

সকলো সফলতা আৰু সমৃদ্ধিৰ মূল হৈছে স্বাস্থ্য সেয়া লাগিলে এজন ব্যক্তিৰ কথাই হওক বা পৰিয়াল-সমাজৰ হওক বা ৰাষ্ট্ৰৰ স্বাস্থ্যৰ কথা হওক। বিশেষত ভাৰত যেতিয়া এনে এক মহামাৰীৰ মাজত জীৱন থাকিবলগীয়া হৈছে তেনে সময়ত এই কথাটো অতি গুৰুত্বপূৰ্ণ হৈ পৰে। এই সংকটৰ পৰা উদ্ধাৰ পাবলৈ আমি সকলোৱে একগোট হৈ সাৱধানতাৰে যুঁজ দিব লাগিব আৰু জয়ী হ'বই লাগিব।

দ্বিতীয় ঢৌৰ সৈতে কিদৰে যুঁজ দিয়া যাব

এপ্ৰিল মাহটোত ভাৰতত কৰ'নাৰ সংক্ৰমণ পুনৰ তীব্ৰ গতিত বৃদ্ধি পাবলৈ ধৰিলে। এনে সময়ত এপ্ৰিল মাহটোত দেশৰ প্ৰধানমন্ত্ৰীয়ে অক্সিজেন যোগানকাৰী, ঔষধ নিৰ্মাতা, ভেকচিন নিৰ্মাতাসকলৰ সৈতে আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল আৰু বিশেষজ্ঞসকলৰ সৈতে ২০ খনকৈ বৈঠকত মিলিত হৈছিল। ইয়াৰ উপৰি ৰাছিয়া, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধিৰ সৈতে বৈঠক মিলিত হৈছে আৰু ভাৰতৰ পৰিস্থিতি সম্পৰ্কত আলোচনাত মিলিত হৈছে। আহক আমি বুজিবলৈ চেষ্টা কৰোঁ যে চৰকাৰে কিদৰে কৰ'নাৰ দ্বিতীয় ঢৌৰ সৈতে মোকাবিলা কৰিবলৈ আগবাঢ়িছে...



অক্সিজেন সমন্বিতে অন্যান্য প্ৰয়োজনীয় চিকিৎসা সামগ্ৰীৰ যোগানত বিশেষ গুৰুত্ব, টিকাকৰণত গুৰুত্ব

- **টেষ্ট, ট্ৰেচ আৰু ট্ৰিটমেন্টত অধিক গুৰুত্বঃ** ৪ এপ্ৰিল তাৰিখে প্ৰধানমন্ত্ৰীয়ে সমীক্ষা বৈঠকত কৰ'নাৰ বৰ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি টেষ্ট, ট্ৰেচ আৰু ট্ৰিটমেন্টত অধিক গুৰুত্ব দিছে। তাৰোপৰি ৬ৰ পৰা ১৪ এপ্ৰিল পৰ্যন্ত কোভিড প্ৰট'ক'ল মানি স্বাস্থ্য সম্বন্ধীয় ব্যৱস্থাৱলী আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুতিৰ ওপৰত গুৰুত্ব দিয়ে।
- **আৰটি পিচিআৰ টেষ্ট বৃদ্ধিত অধিক গুৰুত্বঃ** সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে হোৱা বৈঠকত ১১ৰ পৰা ১৪ এপ্ৰিল তাৰিখলৈ দেশত টিকা উৎসৱৰ জৰিয়তে কৰ'না ভেকচিনত অধিক গুৰুত্ব দিয়া হয়। পৰীক্ষা কৰাৰ ক্ষেত্ৰত আৰটি-পিচিআৰ টেষ্টিঙৰ সংখ্য ৭০ শতাংশলৈ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়।

অক্সিজেনৰ অভাৱ কেতিয়াও নহয়,

এতিয়া উৎপাদন আৰু অধিক বৃদ্ধিৰ বাবে

দেশত অক্সিজেনৰ অভাৱৰ পৰিপ্ৰেক্ষিতত আৰু অক্সিজেনৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ উৎপাদন বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। অক্সিজেন নিৰ্ধাৰিত সময়ত সকলো গন্তব্য স্থান গৈ পাওঁক তাৰ বাবে চালকসকলক সময় সলনি কৰি ২৪ ঘন্টাই গাড়ী চলাবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাজ্যসমূহত অক্সিজেনৰ মাত্ৰা বৃদ্ধি কৰি জুলীয়া মেডিকেল অক্সিজেন বিতৰণৰ নিৰ্দেশ দিয়া হৈছে। প্ৰয়োজনত বিদেশৰ পৰাও অক্সিজেনৰ আমদানি কৰাৰ কথাত গুৰুত্ব দিয়া হৈছে। ষ্টীল কোম্পানীবোৰক নাইট্ৰ'জেন টেংকাৰবোৰক অক্সিজেন টেংকাৰলৈ পৰিৱৰ্তিত কৰাৰ নিৰ্দেশ দিয়া হৈছে।

উদ্যোগবোৰৰ পৰা লৈ অন্য দেশলৈ সকলোৱে সহায় আগবঢ়াবলৈ আৰম্ভ কৰিছে

৫৫১

পিএছএ (প্ৰেছাৰ ছুইং এডোপশ্বন) পিএম কেয়াৰ নিধিৰ অধীনত চিকিৎসা সম্বন্ধীয় অক্সিজেন উৎপাদনৰ বাবে প্ৰকল্প স্থাপন

৩৩

টা প্ৰকল্পৰ ইতিমধ্যেই অনুমোদন জনোৱা হৈছে। বাকীকেইটা মে' মাহৰ ভিতৰত হৈ যাব।

৫৭০০

মেট্ৰিকটন প্ৰতিদিনে জুলীয়া অক্সিজেনৰ উৎপাদন আগষ্ট ২০২০ পৰ্যন্ত

- ৭ এপ্ৰিল, ২০২০ — ২৪ ঘন্টাত অনুজ্ঞা মেডিকেল অক্সিজেন উৎপাদনৰ বাবে
- এপ্ৰিল-মে' ২০২০ — ১,০২,৪০০ ৰাজ্যবোৰলৈ চিলিণ্ডাৰ প্ৰেৰণ
- ২০ ছেপ্তেম্বৰ, ২০২০ — জুলীয়া মেডিকেল অক্সিজেনৰ মূল্য নিৰ্ধাৰণ
- ৫ জানুৱাৰী, ২০২১ — ১৬২টা পিএছএ প্ৰকল্প স্থাপনৰ বাবে ২০১ কোটিৰ অনুমোদন
- ১৬ এপ্ৰিল, ২০২১ — ৫০,০০০ মেট্ৰিকটন অক্সিজেনৰ যোগানৰ বাবে টেণ্ডাৰ
- ১৮ এপ্ৰিল, ২০২১ — উদ্যোগিক ক্ষেত্ৰত অক্সিজেনৰ ব্যৱহাৰত নিষেধাজ্ঞা ..... 'অক্সিজেন এক্সপ্ৰেছৰ' আৰম্ভণি
- ২১ এপ্ৰিল, ২০২১ — ১,২৭,০০০ অক্সিজেন চিলিণ্ডাৰৰ যোগান
- ২৫ এপ্ৰিল, ২০২১ — প্ৰতিখন জিলাত অক্সিজেন প্ৰকল্প

১,০২,৪০০

টা অক্সিজেন চিলিণ্ডাৰ ৰাজ্যবোৰক দিয়া হয়। ১,২৭,০০০ অতিৰিক্ত চিলিণ্ডাৰ অক্সিজেন যোগানৰ ব্যৱস্থা।

৯২৫০

মেট্ৰিকটন প্ৰতিদিনে অক্সিজেনৰ উৎপাদন ২০২১ এপ্ৰিল পৰ্যন্ত

১,০০,০০০

পিএম নিধিৰ অধীনত পৰ্টেব'ল অক্সিজেন কনচেন্ট্ৰেটৰ'ৰৰ ক্ৰয়

৫০০

টা পিএছএ অক্সিজেন প্ৰকল্প পিএম নিধিৰ অধীনত ডিআৰডিআ'ই আগন্তুক ৩ মাহত স্থাপন কৰিব

বিশ্বাস বৃদ্ধিত সেনা বাহিনী

সকলো ভাৰতীয়ৰ বাবে সেনাবাহিনী আত্মবিশ্বাস আৰু মনোবলৰ অন্য এটি নাম। ভাৰতীয়ৰ বিপদৰ সময়ত ভাৰতীয় প্ৰতিৰক্ষা বাহিনী সদায় জাগ্ৰত হৈ থাকে। সংকটৰ এনে সময়ত ভাৰতীয় বায়ু সেনাই খালী টেংকাৰসমূহ ক্ষীপ্ৰতাৰে

উৎপাদনস্থলীত বিমানেৰে লৈ গৈছে। নৌসেনায়েও অক্সিজেনৰ যোগান ধৰি আছে। ভাৰতীয় সেনা একাধিক চহৰ-নগৰত কোভিড চিকিৎসালয় আৰম্ভ কৰিছে। বিগত ২ বছৰত অবসৰ লোৱা চিকিৎসা কৰ্মীসকলক পুনৰ কামলৈ মতা হৈছে।

ৰেমডিছিভিৰৰ ৰপ্তানিত নিষেধাজ্ঞাঃ

- চাহিদা অনুসৰি ৰেমডিছিভিৰ ইনজেকশ্বনৰ উৎপাদন বৃদ্ধিত গুৰুত্ব। ইয়াৰ ৰপ্তানি বন্ধ কৰি ৰখা হৈছে। তাৰোপৰি এই ঔষধৰ মূল্য নিৰ্ধাৰণ কৰা হৈছে যাতে ক'লা বজাৰত ইয়াৰ অনুচিত বিক্ৰী নহয়।
- ৰেমডিছিভিৰৰ উৎপাদন জানুৱাৰী-ফেব্ৰুৱাৰীলৈ ২৭-২৯ লাখ পালি ঔষধৰ উৎপাদন হৈ আছিল, এই পৰিসংখ্যা মে' মাহলৈ ৭৪.১০ লাখ পালেগৈ। মহাৰাষ্ট্ৰ, কেৰেলা, মধ্য প্ৰদেশ আৰু দিল্লীৰ লগতে ১২ খন ৰাজ্যত পৰ্যাপ্ত যোগান ধৰা হৈছে।

ৰেল বিভাগো উঠি-পৰি লাগিছেঃ

- ৰাজ্যবোৰত অক্সিজেনৰ যোগান নিয়মীয়া কৰি ৰাখিবলৈ ৰে'ল বিভাগে অক্সিজেন এক্সপ্ৰেছৰ চলাচল অব্যাহত ৰাখিছে।
- ৪ হাজাৰ ৰেল দৰাত ৬৪ হাজাৰ অক্সিজেন বিচনা থকা সুবিধা। এয়া ৰাজ্যবোৰৰ সুবিধামতেই কৰা হৈছে।
- ২৬ এপ্ৰিল তাৰিখে প্ৰথমখন অক্সিজেন এক্সপ্ৰেছ গৈ পায়। ১২খন সৰ্বাধিক ক্ষতিগ্ৰস্ত ৰাজ্যলৈ অক্সিজেনৰ যোগান অব্যাহত আছে।

- **জনতাৰ অংশীদাৰিত্বৰ আৰম্ভণিঃ**
প্ৰধানমন্ত্ৰীয়ে সকলো ৰাজ্যৰ ৰাজ্যপালৰ সৈতে হোৱা বাৰ্তালাপাত কোভিড পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰয়োজনীয় হোৱা পিপিই কিট, ভেন্টিলেট'ৰ, পৰীক্ষা সামগ্ৰী আদিবোৰ সম্পৰ্কত পৰ্যালোচনা কৰে। তেওঁ লগতে কোভিড পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি থাকিবলৈ জনতাৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ পোষকতা কৰে। প্ৰধানমন্ত্ৰীয়ে ২০ এপ্ৰিল তাৰিখে জনতাৰ সৈতে পোনপটীয়াকৈ মতবিনিময় কৰি সকলো নাগৰিককে কোভিডৰ দ্বিতীয় ঢৌৰ সৈতে যুঁজিবলৈ আহ্বান জনায়।

- **সৰু নগৰ-চহৰত অধিক গুৰুত্বঃ**
সৰু চহৰবোৰৰ লগতে মজলীয়া নগৰবোৰত সংক্ৰমিতৰ হাৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই পৰিস্থিতিৰ ওপৰত অধিক গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনোৱা হৈছে। সংক্ৰমিতক ঘৰৰ পৰাই অনলাইনযোগে পৰামৰ্শ আগবঢ়োৱা হয়। আইচিএমআৰ আৰু স্বাস্থ্য মন্ত্ৰণালয়ে দিয়া পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰবোৰক ঘৰতেই থাকি নিলগীকৰণ হৈ থকা ৰোগীকো পৰ্যৱেক্ষণ কৰি থকাৰ বাবে গুৰুত্ব দিছে।

০২

নং স্থান, বিশ্বৰ ভিতৰত ভাৰতৰ পিপিই কিট উৎপাদনৰ স্থান। যোৱা বৰ্ষৰ আৰম্ভণিৰ সময়ত ভাৰতৰ স্থান নিম্ন আছিল।

১২০০০

ভেন্টিলেট'ৰ থকা বিচনা ভাৰতত উপলব্ধ আছিল। আজি এই সংখ্যা ৭৮,০০০ৰবো অধিক। ভেন্টিলেট'ৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ অন্যতম দেশলৈ পৰিণত হৈছে।

ভেকচিনেই একমাত্র উপায়

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোভিড বিশেষজ্ঞ ডঃ এন্ট'নী ফৌচীৰ মতে ভাৰতীয় ভেকচিন কোভাক্সিনৰ কৰ'নাৰ বিভিন্ন উৎপৰিৱৰ্তনৰ সৈতে যুঁজ দিয়াৰ ক্ষমতা আছে। তেওঁ মতে টিকাকৰণেই হৈছে কৰনা মহামাৰীৰ বিৰুদ্ধে যুদ্ধ কৰাৰ একমাত্ৰ উপায়।

২০ এপ্ৰিল তাৰিখলৈ পোৱা তথ্য মতে ৯৩,৫৬,৪৩৬ ভেকচিন লোৱা লোকৰ ভিতৰত ৪২০৮ জনহে কোভাক্সিন লোৱাৰ পাছত কৰ'নাত আক্ৰান্ত হৈছে। অৰ্থাৎ এই হাৰ মাত্ৰ ০.০৪ শতাংশ।

১০,০৩,০২,৭৪৫ কোভিশ্বিল্ডৰ দ্বিতীয় পালি ভেকচিন লোৱা ব্যক্তিৰ ভিতৰত ১৭,১৪৫জন আক্ৰান্ত হৈছে। এই হাৰ ০.০২ শতাংশ। আনহাতে ১,৫৭,৩২,৭৫৪ লোকৰ ভিতৰত দ্বিতীয় পালি ভেকচিন লোৱা ৫০১৪ লোকহে কৰ'নাত আক্ৰান্ত হৈছে। এই হাৰ ০.০৩ শতাংশ।

কোভাক্সিন

১৭,৩৭,১৭৮

লোকে দুই পালি টিকা লৈছে। ইয়াৰ ভিতৰত ৬৯৫ লোক আক্ৰান্ত হৈছে।

চিকিৎসালয়বোৰে আইশ্ব'লেশ্বন আৰু আইচিইউ বিচনা ৪০ শতাংশলৈ বৃদ্ধি কৰিছে



১.১১ শতাংশ

ভাৰতীয়ৰ মৃত্যুৰ হাৰ। দ্বিতীয় ঢৌৰ সময়ত সংক্ৰমণ বৃদ্ধি পোৱাৰ সময়ত ভাৰতৰ এই মৃত্যুৰ হাৰ সৰ্বনিম্ন।

(*১২ এপ্ৰিললৈ তথ্য)

ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে কিন্তু সুস্থ হোৱা লোকৰ সংখ্যাও বৃদ্ধি পাব ধৰিছে



২,৪০০

পৰীক্ষাগাৰে নিতৌ ১৫ লাখ কোভিড পৰীক্ষা কৰিছে। ২০২০ চনৰ ৩০ জানুৱাৰী তাৰিখে মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ সময়ত এনে পৰীক্ষাৰ বাবে মাথো এটা পৰীক্ষাগাৰ আছিল।

বিশ্বৰ সবাতোকৈ সস্তীয়া ভেকচিনৰ সহায়ত বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান...



- ভাৰতে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান অব্যাহত ৰাখিছে। কৰ'না মহামাৰীৰ পৰা হাত সাৰি থাকিবলৈ এই টিকাকৰণ প্ৰয়োজনীয়। ৮৫ দিনত ১০ কোটি লোকক টিকা প্ৰদান কৰি দেশে এই ক্ষেত্ৰত এক অভিলেখ গঢ়িছে।
- কোভিড-১৯ ভাইৰাছৰ পৰা হাত সাৰি থাকিবলৈ বৰ্তমান ভাৰতে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান চলাই আছে। ২০২১ বৰ্ষৰ ২১ এপ্ৰিল তাৰিখলৈ মাত্ৰ ৯৫ দিনৰ ভিতৰত ভাৰতে ১৩ কোটিতকৈ অধিক লোকৰ টিকাকৰণ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই এই পৰিসংখ্যা ১০১ দিনত কৰাৰ বিপৰীতে চীনে ১০৯ দিনত কৰিছিল। ২৫ এপ্ৰিল তাৰিখলৈ ১৪ কোটি লোকক টিকা দিয়া হৈছে।
- ১৬ জানুৱাৰী তাৰিখে স্বাস্থ্য কৰ্মীসকলক টিকা প্ৰদানেৰে এই টিকাকৰণ কাৰ্যসূচীৰ আৰম্ভণি হৈছিল। ২ ফেব্ৰুৱাৰীৰ পৰা ফ্ৰন্টলাইন ৱৰ্কাৰ, ১ মাৰ্চৰ পৰা ৬০বছৰৰ উৰ্ধৰ আৰু ১ এপ্ৰিল তাৰিখৰ পৰা ৪৫ৰ পৰা ৫৯বছৰ বয়সৰ লোক আৰু অন্যান্য বেমাৰত ভুগি থকা লোকক এই টিকা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

১৮ বছৰৰ ওপৰৰ লোকৰ বাবে টিকাকৰণ চলি আছে। টিকাকৰণৰ তৃতীয় পৰ্যায় ১ মে'ৰ পৰা আৰম্ভ হৈছে।

১ এপ্ৰিলৰ পাছত চৰকাৰে ৪৫বছৰৰ ওপৰৰ লোকৰ বাবে টিকাকৰণ আৰম্ভ কৰিছিল।

১২ এপ্ৰিলৰ পাছত কৰ্মস্থানতো ৪৫বছৰৰ ওপৰৰ সকলোৰে বাবে টিকাকৰণ আৰম্ভ কৰা হৈছিল।

- ৰাছিয়াৰ স্পুটনিক-৫ ভেকচিনক অনুমোদন জনোৱা হৈছে আৰু লগতে ইতিমধ্যেই দেশত কোভাক্সিন আৰু ক'ভিশ্বিল্ড ভেকচিন বিতৰনৰ ব্যৱস্থা কৰা হৈছে।
- জুলাই, ২০২১ৰ ভিতৰত ৩০ কোটি ভাৰতীয়ক ভেকচিন দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে বিশ্বত ৩০ কোটিতকৈ অধিক জনসংখ্যা থকা দেশ আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন আৰু ভাৰতেই আছে।

১৬.১৬

কোটি ভেকচিন ৰাজ্যসমূহলৈ বিনামূলীয়াকৈ দিয়া হৈছে

১৫.২২

কোটি ভেকচিনৰ পালি দিয়া হৈছে। ৩০ এপ্ৰিল, ২০২১লৈ।

প্ৰথমে আমি সহায় আগবঢ়াইছিলোঁ, এতিয়া বিশ্বই আমাক সহায় কৰিছে...

- কোভিড কালৰ আৰম্ভণিৰ সময়ছোৱাত ভাৰতে অন্য ৰাষ্ট্ৰ যেনে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, জাপান, কানাডাক জৰুৰীকালীন ঔষধ আদি যোগান ধৰিছিল। আনহাতে ভেকচিন মৈত্ৰীৰ অধীনত ভাৰতে ৮০খন দেশলৈ ভেকচিনৰ যোগান ধৰিছিল।
- এই পদক্ষেপক "বিশ্ব স্বাস্থ্য সংস্থাই" বিশ্বক ভাৰতৰ অনুকৰণ কৰিবলৈ আহ্বান জনাই আৰু আমেৰিকা, ব্ৰাজিল আদি দেশে ভাৰতক ধন্যবাদ জনাইছিল। ব্ৰাজিলৰ ৰাষ্ট্ৰপ্ৰধানে নৰেন্দ্ৰ মোদীক সহায়ৰ বাবে হনুমান সম্বোধন কৰি ধন্যবাদ জনাই।
- কৰ'নাৰ এই দ্বিতীয় লহৰত ভাৰতক সহায়ৰ বাবে এতিয়া সকলো দেশ উঠিপৰি লাগিছে। ভূটানৰ পৰা আমেৰিকা, ছৌদি আৰৱৰ পৰা জাপানলৈ সকলো মিলি প্ৰায় ৪০খন দেশে ভাৰতক সহায় কৰিছে।
- আমেৰিকাই ভাৰতক অক্সিজেন চিলিণ্ডাৰ-ৰেগুলেট'ৰ লগতে এন-৯৫ মাস্ক প্ৰেৰণ কৰিছে। ইয়াৰ উপৰি ভাৰতৰ বাবে ঔষধ নিৰ্মাণৰ কেঁচা সামগ্ৰীও প্ৰেৰণ কৰা হৈছে।
- বৃটেইনেও ভাৰতক ৯টা পৰ্যায়ত ঔষধ, চিকিৎসা সম্বন্ধীয় সামগ্ৰী প্ৰেৰণ কৰিছে, জাৰ্মানীয়ে ভাৰতক মোবাইল অক্সিজেন প্লান্ট, মাস্ক আৰু অন্যান্য ঔষধৰ সামগ্ৰী প্ৰেৰণ কৰিছে
- ছৌদি আৰৱ আৰু কুৱেটে ভাৰতক অক্সিজেনৰ যোগান ধৰিছে। অষ্ট্ৰেলিয়াইও ভাৰতলৈ চিকিৎসা সামগ্ৰী প্ৰেৰণ কৰাৰ লগতে ছিংগাপুৰ, থাইলেণ্ডে ভাৰতলৈ চিকিৎসা সামগ্ৰী প্ৰেৰণ কৰিছে।

পূৰ্বেতেও জিকিছোঁ...

কোভিডৰ প্ৰথম পৰ্যায়ত ক্ষীপ্ৰতাৰে সিদ্ধান্ত লোৱা হৈছিল

প্ৰথম ঢৌৰ পৰা দ্বিতীয় ঢৌ অহাৰ সময়লৈ কেন্দ্ৰ চৰকাৰে দেশৰ স্বাস্থ্য আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে কৰ'নাৰ সৈতে জড়িত হৈ থকা সকলো বিষয়ৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। স্বাস্থ্য মন্ত্ৰণালয়ৰ লগতে আইচিএমআৰৰ এটা দল, এইমছ আৰু অন্য স্বাস্থ্য বিশেষজ্ঞই দিনে নিশাই কাম কৰি পৰিস্থিতি উন্নত কৰি ৰাখিছে। তাৰোপৰি সময় সাপেক্ষে চিকিৎসালয় আৰু নাগৰিকৰ বাবে সময়ে সময়ে নীতি-নিৰ্দেশনা জাৰি কৰি অহা হৈছে যাতে পৰিস্থিতি চম্ভালি থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিটো মিনিটৰ খবৰ ৰাখিছে। চিকিৎসালয়ত অক্সিজেনৰ যোগানৰ পৰা আৰম্ভ কৰি ঔষধ-ভেকচিনৰ যোগান সম্পৰ্কত তথ্যসমূহ লোৱাৰ লগতে ভেকচিন কাৰ্যসূচীৰো খবৰ ৰাখিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ লগতে বিশ্বৰ অন্যান্য স্বাস্থ্য সংস্থায়েও ভাৰতৰ প্ৰচেষ্টাক প্ৰশংসা কৰিছিল। মহামাৰীৰ প্ৰথম ঢৌৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ভাৰতে যিদৰে পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসাৰ যোগ্য আছিল। চাওঁ আহক কিদৰে ভাৰতে প্ৰথম ঢৌৰ পৰা দ্বিতীয় ঢৌলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

- কৰ'নাৰ বিৰুদ্ধে যুঁজখনত ভাৰতে সদায় ক্ষীপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। চৰকাৰ তথা প্ৰতিষ্ঠানবোৰে তৎপৰ হৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। চীন দেশে ২০২০চনৰ ৭ জানুৱাৰী তাৰিখে য়ুহান প্ৰদেশৰ ভাইৰাছৰ কথা ব্যক্ত কৰিছিল। তাৰ পাছদিনাখনেই ভাৰতে অৰ্থাৎ ৮ জানুৱাৰী তাৰিখে মিশ্বন মিটিঙৰ আয়োজন কৰিছিল।
- ভাৰতে ১৭ জানুৱাৰী, ২০২০ৰ পৰা বহিঃ দেশৰ পৰা অহা লোকৰ স্ক্ৰীণিং কৰা আৰম্ভ কৰিছিল। তেনে কৰা দেশ হিচাপে ভাৰত প্ৰথম আছিল।
- ২০২০চনৰ ৩০ জানুৱাৰী তাৰিখে ভাৰতত প্ৰথম কৰ'না ৰোগী ধৰা পৰিছিল। তাৰ পাছতেই যুদ্ধকালীনভাৱে ভাৰতে কৰ'নাৰ বিৰুদ্ধে যুঁজখন খৰতকীয়া কৰিছিল।
- ২০২০ চনৰ মাৰ্চ মাহৰ প্ৰথম সপ্তাহটোতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল বিশেষজ্ঞই তেওঁৰ লগতে সকলোকে সমূহীয়া-ৰাজহুৱা গোটৰ পৰা আঁতৰত থকাৰ পৰামৰ্শ দিছিল। সেইবাবেই তেওঁ হোলী খেলাৰ পৰা বিৰত আছিল। কৰ'নাৰ আৰম্ভণিৰ সময়চোৱাত এয়া এক প্ৰশংসনীয় পদক্ষেপ আছিল। সেই সময়ত ভাৰতত নূন্যতম ৫০ টাও কৰ'না সংক্ৰমণৰ ঘটনা নাছিল।

বিশ্ব স্বাস্থ্য সংস্থাইও ভাৰতীয় মডেল গ্ৰহণ কৰিছে

ভাৰত হৈছে সেই সমূহ দেশৰ অন্যতম যিয়ে পোনপ্ৰথমে আৰটি-পিচিআৰ টেষ্টৰ সহায়ত ৰেপিড-এন্টিজেন টেষ্টৰ ব্যৱস্থা কৰিছিল। এই পদক্ষেপৰ বাবে ভাৰত প্ৰথমে সমালোচনাৰ সম্মুখীন হৈছিল কিন্তু পাছলৈ বিশ্ব স্বাস্থ্য সংস্থাইও এই মডেল অৱলম্বন কৰে।

- ভাৰতে সমগ্ৰ দেশতেই মাস্ক পিন্ধাটো প্ৰয়োজনীয় বুলি এপ্ৰিল মাহতেই ঘোষণা কৰিছিল কিন্তু বিশ্ব স্বাস্থ্য সংস্থাই আকৌ সেয়া সকলোকে জুন মাহৰ পৰাহে পৰামৰ্শ দিছিল।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ ২৪ মাৰ্চৰ ভাষণত দেশজোৰা লকডাউনৰ কথা কৈছিল। জীৱন আছে যদিহে এই ধৰা আছে শীৰ্ষক বাক্যৰে মোদীয়ে নিজৰ আহ্বানত দেশবাসীক কৰ'নাৰ পৰা ৰক্ষা পোৱাৰ বাবে উপায়বোৰৰ পৰামৰ্শ দিছিল। সেয়া দেশবাসীয়ে শুনিছিল। ভাৰতে লকডাউন দিয়াৰ সময়ত অন্য কোনো দেশে তেনে কোনো সিদ্ধান্ত লোৱা নাছিল।
- তলাবন্ধৰ সময়ত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক চাকি জ্বলোৱা আদি পৰামৰ্শবোৰৰ জৰিয়তে দেশত এক ধনাত্মক পৰিৱেশ সৃষ্টিৰ বাবে বাৰে বাৰে আহ্বান জনাই আহিছিল। লকডাউনৰ সময়ত চৰকাৰে স্বাস্থ্য আন্তঃগাঁথনি উন্নত কৰাৰ বাবে বিশেষ গুৰুত্ব দিছিল।
- আনলকৰ পূৰ্বেও তেওঁ "জীৱন আছে যদি এই ধৰা আছে" শীৰ্ষক বাক্যৰে সকলোকে সাৱধানতা অবলম্বন কৰিবলৈ অনুৰোধ জনাইছিল।
- ২৮ নৱেম্বৰ লৈকে ভাৰতত প্ৰতি ১০ লাখ জনসংখ্যাৰ মাজত ৬৭৩১ সংক্ৰমণৰ সংখ্যা সম্মুখলৈ আহিছিল। তুলনামূলকভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰতি ১০ লাখত এই সংখ্যা ৪০হাজাৰ আছিল, ফ্ৰান্সত ৩৩,৪২৪, ব্ৰাজিলত ২৯,১২৯ আৰু ইটালীত ২৫,৪৫৬ টা আছিল।
- ২৮ নৱেম্বৰৰ তথ্যলৈ চোৱা যাওঁক যদি তেন্তে এয়া দেখা যায় যে ভাৰতত ১০ লাখ জনসংখ্যাত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৮হে আছিল, কিন্তু এই সংখ্যা আমেৰিকাত ৮১৩, ব্ৰাজিলত ৮০৫, ফ্ৰান্সত ৭৮০, স্পেইনত ৯৫৫, বৃটেইনত ৮৪৬, ইটালীত ৮৮৮ আছিল।

বিশ্বৰ ফাৰ্মাচী হৈ পৰিছে ভাৰতঃ

- কোভিড কালত ভাৰতে হাইড্ৰ'ক্ল'ৰকুইনৰ পৰা আৰম্ভ কৰি অন্যান্য গুৰুত্বপূৰ্ণ দৰৱৰ ক্ষেত্ৰত বিশ্বক সহায়ক কৰি ঔষধ প্ৰস্তুতকৰ্তা হিচাপে কেন্দ্ৰ হৈ পৰিছিল। পিপিই কিট, মাস্ক আদিও বিশ্ব অন্য দেশলৈ প্ৰেৰণ কৰিছিল। আমেৰিকা বা ব্ৰাজিল যি সেই সময়ত বিপদৰ মাজত আছিল, তেনে দেশক ভাৰতে সহায় কৰিছিল।
- প্ৰধানমন্ত্ৰীয়ে নিজেই জায়দাচ বাইঅ' টেক, ভাৰত বাইঅ'টেক বা ছিৰাম ইনষ্টিটিউড আদি ভাৰতীয় ঔষধ প্ৰস্তুতকৰ্তা তথা ভেকচিন নিৰ্মাতাৰ গৱেষণাগাৰ ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লৈছিল।
- ভাৰতে নিৰ্মাণ কৰা কোভিশ্বিল্ড আৰু কোভাক্সিন ভেকচিন বিশ্বৰ ভিতৰতেই সস্তীয়া ভেকচিন। এই দৰৱৰ সংৰক্ষণৰ বাবে ভাৰতে কম সময়ৰ ভিতৰতেই অভিলেখসংখ্যক কাম কৰিছিল।

প্ৰথম লহৰত আমি এইদৰে জিকিছিলোঁ



৩২,৪০০

ভেন্টিলেট'ৰ চৰকাৰী চিকিৎসালয় প্ৰেৰণ

এই সময়ছোৱাত ৰাজ্য চৰকাৰবোৰক ৩.৭০ কোটি এন-৯৫ মাস্ক আৰু ১.৬০ কোটি পিপিই কিট বিতৰণ

কৰ'নাৰ পৰা ৰক্ষা পাবলৈ আয়ুৰ্বেদৰ প্ৰয়োজনীয়তা আছে...

ভাৰতীয় পৌৰাণিক চিকিৎসা পদ্ধতি আয়ুৰ্বেদৰ গুৰুত্ব সদায় আছে। কৰ'না মহামাৰীৰ পৰা ৰক্ষা পাবলৈ এই চিকিৎসা পদ্ধতিয়ে বিশেষ সহায় কৰিছে। প্ৰথম ঢৌৰ সময়তো এই পদ্ধতিয়ে সহায় কৰিছিল। এতিয়া দ্বিতীয় ঢৌৰ সময়ত আয়ুস মন্ত্ৰণালয়ে নতুনকৈ জাৰি কৰা নীতি-নিৰ্দেশনাই বেমাৰটোৰ পৰা ৰক্ষা পোৱাৰ উপায় সম্পৰ্কত আলোকপাত কৰিছে।

ৰোগ প্ৰতিৰোধ ক্ষমতা বৰ্দ্ধিৰ বাবে আয়ুৰ্বেদিক উপায়ঃ

- এক চামুচ চৱনপ্ৰাছ নিতৌ পুৱা গ্ৰহণ কৰক। বহুমূত্ৰ ৰোগীয়ে চেনী নথকা চৱনপ্ৰাছ ব্যৱহাৰ কৰিব।
- পুৱাই জৈৱিক চাহ গ্ৰহণ কৰিব। তুলসী, ডালচিনী, কালিমিৰ্চ, শুকান আদা আদি মিশ্ৰণৰে নিৰ্মীত চাহ দিনটোত এবাৰ বা দুবাৰ গ্ৰহণ কৰিব। গুৰ আৰু নেমু খাওঁক।
- গাখীৰত হালধি মিহলি কৰি গ্ৰহণ কৰক।

ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ অন্য উপায়ঃ

- দিনটোত গৰম পানী সেৱন কৰক।
- নিতৌ যোগাসন কৰক। বিশেষত প্ৰাণায়ম আৰু মেডিটেশ্বন।
- ৰন্ধন প্ৰণালীত হালধি, জীৰা, ধনিয়া আৰু নহৰুৰ প্ৰয়োগ প্ৰয়োজনীয়।

মধ্যমীয়া কোভিড-১৯ প্ৰতিৰোধৰ উপায়ঃ

সাধাৰণ জ্বৰ, মূৰৰ বিষ, ভাগৰুৱা লগা আদি

- গৰম পানীৰ সৈতে সুদৰ্শন ঘন ৰাটি (৫০০ গ্ৰাম) ১৫ দিনৰ বাবে নিতৌ দুবাৰ।
- নাগৰ্ডী কাশ্য (২০ এমএল) নিতৌ দুবাৰ ১৫ দিনৰ বাবে।

কাহ : ছিতোপালাডী চূৰ্ণ মৌৰ সৈতে (৩ গ্ৰাম) নিতৌ তিনিবাৰ ১৫ দিনৰ বাবে।

গলধনত সুৰসুৰণি : ভোছাদী ভাটি টেবলেট চোবাই থাকক। মৌৰ সৈতে য়ষ্টিমধু চূৰ্ণ নিতৌ দুবাৰ ১৫ দিনৰ বাবে।

নাক বন্ধ, সোৰাদ নাইকীয়া হোৱা : ভোছাদী ভাটি টেবলেট দুই-তিনিটা প্ৰয়োজন অনুসৰি নিতৌ চোবাই থাকক।

**প্ৰয়োজনসাপেক্ষে আয়ুৰ্বেদিক চিকিৎসকৰ পৰামৰ্শ প্ৰয়োজনীয়*

সাধাৰণ নিৰ্দেশাৱলীঃ

- নিমখ মিহলি আৰু হালধি মিহলি কৰি গৰম পানীৰে কুলকুলি কৰক। ত্ৰিফলা বা জেষ্ঠামধু মিহলি কৰি কৰা গৰম পানীৰে কুলকুলি কৰিলে বেছি ভাল।
- নাকত ঔষধযুক্ত তেল বা তিল-নাৰিকলৰ তেল নতুবা ঘী ব্যৱহাৰ কৰক।
- আজৱাইন বা পুদিনা বা কৰ্পুৰ বা ইউকেলিপটাচ গছৰ তেল গৰম কৰি সেক লওঁক।
- নিতৌ ৭-৮ ঘন্টা টোপনি যোৱাটো প্ৰয়োজনীয়।
- তুলসীৰ সৈতে গৰম কৰা পানীহে গ্ৰহণ কৰিব লাগে।

শুকান কাহ, গলৰ সুৰসুৰণিৰ সময়ত ল'ব লগা ব্যৱস্থাঃ

- পুদিনাৰ সৈতে বা আজৱাইনৰ সৈতে কৰা গৰম পানীৰ ভাপ দিনটোত এবাৰ ল'ব পাৰে
- গলধনত সুৰসুৰনিৰ সৃষ্টি হ'লে দিনটোত এবাৰৰ বাবে হ'লেও লং পাউডাৰ মিহলি কৰি চেনী বা মৌৰ সৈতে ল'ব পাৰে।
- এয়া গলৰ সমস্যা আঁতৰ কৰাৰ বাবে প্ৰয়োজনীয় কিন্তু সমস্যা আঁতৰ নোহোৱাত চিকিৎসকৰ পৰামৰ্শ ল'ব পাৰে।

সাধাৰণ আয়ুৰ্বেদিক পদ্ধতিঃ

- নাকত প্ৰয়োগৰ বাবেঃ তিল তেল বা নাৰিকলৰ তেল বা ঘী ব্যৱহাৰ কৰক।
- তেলৰ ব্যৱহাৰঃ ১ চামুচ তিল তেল বা নাৰিকল তেল মুখত ২-৩ মিনিট সময় ৰাখি কুলকুলি কৰক আৰু পেলাই দিয়ক, ইয়াৰ পাছত গৰম পানীৰে কুলকুলি কৰিব। এই কামটো দিনত ২-৩ বাৰ কৰিব।

সাৱধানতাই সকলো...

সেয়েহে সামাজিক দূৰত্ব বজাই ৰাখি ভেকচিন লোৱা

কৰ'না মহামাৰীৰ সময়ত মহাৰাষ্ট্ৰৰ লাটুৰ জিলাৰ কাটগাঁৱ টাণ্ডা গ্ৰামাঞ্চলৰ পৰা এক আশাব্যঞ্জক খবৰ আহিছে। এই গাঁওখনত এগৰাকী বৃদ্ধাই কোভিড-১৯ ভাইৰাছৰ পৰা নিজক মুক্ত কৰিবলৈ সক্ষম হৈছে। ১০৫ বছৰীয়া ধেনু চাভন আৰু তেওঁৰ ৯৫বছৰীয়া পত্নীয়ে মোতাবাই কোভিড-১৯ ভাইৰাছত আক্ৰান্ত হোৱাৰ বাবে মাৰ্চৰ শেষভাগত স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোঁৱা হৈছিল। চিকিৎসালয়ৰ আইচিইউত ৯ দিন কটোৱাৰ পাছত তেওঁলোক সুস্থ হৈ ঘৰলৈ উভতি আহিছিল।

মধ্য প্ৰদেশৰ মৰেনাৰ নিবাসী সুমিত ডুবে যি দুবাৰকৈ কৰ'না বেমাৰক পৰাজিত কৰিছে তেওঁ এতিয়া এই বিষয়টোক লৈ সামাজিক মাধ্যম পাইছেগৈ। এনে কৰাৰ উদ্দেশ্য হৈছে বেমাৰটো সম্পৰ্কত ৰাইজক সজাগ কৰা। যোৱা বৰ্ষত তেওঁ কৰ'নাৰ প্ৰথম ঢৌত আক্ৰান্ত হৈছিল আৰু যথাসময়ত সুস্থ হৈও উঠিছিল কিন্তু এইবাৰ দ্বিতীয় ঢৌ অহাৰ সময়ত তেওঁ পুনৰবাৰ কৰ'নাৰ দ্বাৰা আক্ৰান্ত হৈছে। কিন্তু মন কৰিবলগীয়া যে এইবাৰো তেওঁ ঘৰতেই থাকি (পূৰ্বতেও আছিল) কৰ'নাৰ পৰা সুস্থ হৈ উঠিছে। তেওঁ মতে এই বেমাৰৰ পৰা হাত সাৰি থকাৰ একমাত্ৰ উপায় হৈছে নিজৰ ওপৰত আত্মবিশ্বাস ৰখা আৰু চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ সঠিকভাৱে পালন কৰা।

কৰ'না হৈছে এক সোঁচৰা বেমাৰ। বিশ্ব স্বাস্থ্য সংস্থাইও এই কথাকেই ব্যক্ত কৰিছে। এই সংস্থাই জনোৱা মতে বিশ্বৰ ৮৫শতাংশ লোক ঘৰতেই থাকি এই বেমাৰৰ পৰা হাত সাৰি থাকিব পাৰিছে। আনহাতে চিকিৎসালয়লৈ যোৱা প্ৰতি ১৫জন ৰোগীৰ ভিতৰত কেৱল ১০শতাংশ লোকৰ অক্সিজেনৰ প্ৰয়োজন হয়। এই মহামাৰীৰ সময়ত উচিত আৰু সঠিক খবৰেই হৈছে কৰ'নাৰ পৰা ৰক্ষা পোৱাৰ উপায়। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয় আৰু আইচিএমআৰে নিয়মীয়াকৈ নীতি-নিৰ্দেশনা জাৰি কৰি আছে। আহক এই বেমাৰ সম্পৰ্কত অধিক তথ্য জানো আৰু কোনবোৰ উপশম লোৱা উচিত সেই সম্পৰ্কে এপলক দৃষ্টি নিক্ষেপ কৰোঁ।

লক্ষণ নথকা বা কম লক্ষণ থকা কৰ'না ৰোগীৰ সংক্ৰমণ

এই ৰোগীৰ সংক্ৰমণ একমাত্ৰ গৱেষণাগাৰৰ পৰীক্ষাৰ দ্বাৰাহে সম্ভৱ হয়। এই ৰোগীৰ অক্সিজেনৰ তাৰতম্য সাধাৰণতে ঠিকেই থাকে।

ৰোগীৰ বাবে গুৰুত্বপূৰ্ণ নিৰ্দেশনাঃ

ৰোগীয়ে লক্ষণ ধৰা পৰাৰ পাছত সম্পূৰ্ণভাৱে নিজক নিলগীকৰণ কৰি ৰাখিব লাগে। পৰিয়ালৰ সকলো সদস্যৰ পৰা আঁতৰত থকাটো এই ক্ষেত্ৰত প্ৰয়োজনীয়। বিশেষত যদিহে ৰোগী জেষ্ঠ্য নাগৰিক বা উচ্চ ৰক্তচাপ, হৃদৰোগ, যকৃত আদিৰ বেমাৰত ভুগি আছে তেন্তে এনে কৰাটো অতিকৈ প্ৰয়োজনীয়।

ৰোগীক এটা বায়ু চলাচল কৰা কোঠাত ৰাখিব লাগে, এই কোঠাৰ খিৰিকিবোৰ খোলা ৰাখিব লাগে।

সদায় তিনিটা তৰপ থকা মাস্ক পৰিধান কৰিব লাগে। এন-৯৫ মাস্ক পৰিধান কৰাটো প্ৰয়োজনীয়।

মাস্ক পৰিধান কৰি পেলাই দিয়াৰ সময়ত ছডিয়াম হাইপ'ক্ল'ৰাইট মিহলাই এই মাস্ক নষ্ট কৰি দিব লাগে।

দেহৰ পাচন ক্ৰীয়া সঠিক কৰি ৰাখিবলৈ পনীয় আহাৰ গ্ৰহণ কৰাৰ লগতে আৰাম কৰাৰ প্ৰয়োজনীয়তা আছে।

৪০ ছেকেণ্ডৰ বাবে হ'লেও হাত চাবোনেৰে ধুব লাগে। এলক'হ'ল মিশ্ৰিত হেণ্ড ছেনিটাইজাৰ ব্যৱহাৰ কৰাটো প্ৰয়োজনীয়।

ৰোগীয়ে তাপমাত্ৰা নিজেই পৰীক্ষা কৰি থকা ভাল। অক্সিজেনৰ মাত্ৰা পৰীক্ষা কৰি থকাটো বাঞ্চনীয়।

কোনবোৰ ৰোগীক ঘৰত থাকিবলৈ কোৱা হয়

- যদিহে কৰ'না ৰোগী অলক্ষণাত্মক হয় আৰু যদিহে অলপ অচৰপ লক্ষণ দেখুৱাই
- যদিহে ৰোগীৰ ঘৰত সকলো যাৱতীয় ব্যৱস্থা থাকে
- ৰোগীৰ ঘৰত এজন শুশ্ৰুষা কৰা ব্যক্তি উপস্থিত থকাটো প্ৰয়োজনীয়। এই সময়খিনিত ব্যক্তিগৰাকীয়ে চিকিৎসালয়ৰ সৈতেও যোগাযোগ কৰি থাকিব লাগে।

কৰ'না ৰোগী যিসকলৰ বয়স ৬০বছৰৰ বেছি হৈছে আৰু উচ্চ ৰক্তচাপ, বহুমূত্ৰ ৰোগ, পাকস্থলী-যকৃত-লিভাৰ আদি ৰোগত আক্ৰান্ত হৈ আছে তেনে ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শত সকলোৰে আঁতৰত থাকি ঘৰতে থকাৰ ব্যৱস্থা কৰিব পাৰে।

এইআইভি-কৰ্কট বা কোনো অস্ত্ৰোপ্ৰচাৰ হৈ যোৱা ৰোগীক ঘৰত থকাৰ পৰামৰ্শ দিয়া নহয়।

চোৱাচিতা কৰা ব্যক্তি বা কৰ'না ৰোগীৰ সংস্পৰ্শলৈ অহা ব্যক্তিয়ে উচিত পৰিমাণৰ হাইড্ৰ'ক্ল'ৰ'কুইন খোৱা উচিত।

ইয়াৰ উপৰি এই নিম্নলিখিত ৱেবচাইটত প্ৰকাশিত নীতি-নিৰ্দেশনাখিনি পঢ়ি লোৱা উচিত
https://www.mohfw.gov.in/pdf/Guidelinesforhomequarantine.pdf

শুশ্ৰুষা কৰা ব্যক্তিসকলৰ বাবে পৰামৰ্শঃ

সদায় তিনিতৰপীয় মাস্কহে পৰিধান কৰিব। ৰোগীৰ ওচৰলৈ যোৱাৰ সময়ত এন-৯৫ মাস্ক পৰিধান কৰিব। ৰোগীক শুশ্ৰুষা কৰাৰ পাছত হাত পৰিস্কাৰকৈ ধুব লাগে। চিপিচিবিৰ পৰামৰ্শমতেহে বাইঅ'-মেডিকেল আৱৰ্জনাবোৰ নষ্ট কৰিব লাগে।

আইশ্ব'লেশ্বন কেতিয়া শেষ কৰিব লাগেঃ

ৰোগী এগৰাকীয়ে ১০ দিন থকাৰ পাছত আৰু তিনিদিন ধৰি কোনো বেমাৰ নোহোৱাকৈ থাকিলে হোম আইছ'লেশ্বন শেষ হোৱা বুজাব।

অলক্ষণাত্মক ৰোগী বা সাধাৰণ বেমাৰ থকা ৰোগীৰ শুশ্ৰুষা কিদৰে কৰা যাবঃ

ৰোগী এই ক্ষেত্ৰত চিকিৎসকৰ সৈতে অনবৰত যোগাযোগত থাকিব লাগে আৰু যদিহে কোনো অসুবিধাৰ সম্মুখীন হয় তেন্তে শীঘ্ৰেই ডাক্তৰৰ সৈতে যোগাযোগ কৰিব লাগে। চিকিৎসকৰ পৰামৰ্শমতেই প্ৰয়োজনীয় ঔষধ আদি লোৱাৰ ব্যৱস্থা কৰিব লাগে।

জ্বৰ, নাকেৰে পানী গৈ থকা আৰু কাহ আদি কৰ'নাৰ লক্ষণ হ'ব পাৰে। ৰোগীয়ে নিয়মিত গৰম পানীৰে কুলকুলি কৰিব লাগে আৰু গৰম পানীৰ ভাপ লৈ থাকিব লাগে।

যদিহে ৬৫০ এমজিৰ পেৰাচিটাম'ল টেবলেট নিতৌ চাৰিবাৰকৈ ব্যৱহাৰ কৰি থকাৰ পাছতো কোনো কাম দিয়া নাই তেন্তে ততালিকে চিকিৎসকৰ পৰামৰ্শ লোৱা উচিত।

যদিহে অক্সিজেনৰ পৰিমাণ কম হয় আৰু উশাহ-নিশাহ লোৱাত অসুবিধা হয় তেন্তে চিকিৎসকৰ ওচৰলৈ যাব লাগে।

ৰেমডেছিভিৰ বা অন্য ঔষধ কেৱল চিকিৎসালয়তহে চিকিৎসকৰ উপস্থিতিত লোৱা উচিত। ঘৰত থাকি এই ঔষধৰ ব্যৱহাৰ নিজে কৰা অনুচিত।

বেমাৰৰ চিকিৎসা কেতিয়া কৰা উচিতঃ

- উশাহ-নিশাহত অসুবিধা
- অক্সিজেনৰ পৰিমাণ কম হ'লে
- বুকুৰ বিষ দীঘলীয়াকৈ থাকিলে
- মানসিক অস্বস্তি হ'লে
- লক্ষণ গম্ভীৰ হ'লে লগে লগে চিকিৎসকক যোগাযোগ কৰিব লাগে।

জড়িত হৈ থকা বিষয়াৰ কৰ্তব্যঃ

- ৰোগীৰ সুক্ষ্ম পৰীক্ষা
- ঘৰত থকা ৰোগীৰ নিতৌ পৰীক্ষা
- ৰোগীৰ সৱিশেষ কোভিড-১৯ পৰ্টেলত দিব লাগে
- ঘৰত থকাৰ বিধি উলংঘা হ'লে আৰু ৰোগী অৱস্থা শোচনীয় হ'লে চিকিৎসালয়ত যোগাযোগ কৰিব লাগে।

সকলোৰে বাবে স্বাস্থ্য

২০১৪চনত কেন্দ্ৰত নতুন চৰকাৰ গঠন হোৱাৰ পাছত কোনোকালে গুৰুত্ব নিদিয়া এটা খণ্ডত চৰকাৰে বিশেষ গুৰুত্ব দিয়া আৰম্ভ কৰিছিল, এই খণ্ডটো হৈছে স্বাস্থ্য খণ্ড। কেন্দ্ৰ চৰকাৰে আন্তঃগাঁথনিৰ উন্নয়নেৰে, নতুন চিকিৎসালয় নিৰ্মাণ কৰি, মেডিকেল কলেজ নিৰ্মাণ কৰি স্বাস্থ্য খণ্ডত পৰিৱৰ্তন আনিছে। এই চৰকাৰে কেতবোৰ আঁচনি ঘোষণা কৰিছে আৰু দৰিদ্ৰ শ্ৰেণীৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ দিশটোত গুৰুত্ব দিছে। উমৈহতীয়া স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে মহানগৰ, চহৰ-নগৰ আৰু গ্ৰামাঞ্চলত বিশেষ কাম কৰা হৈছে...

পৰম্পৰাগতভাৱে স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনিৰ অভাৱত দেশৰ স্বাস্থ্য খণ্ড অন্যান্য দেশৰ তুলনাত উন্নত নহয়। দেশৰ দুৰ্গম অঞ্চলৰ লগতে গ্ৰামাঞ্চলৰ স্বাস্থ্য খণ্ডৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্য কৰ্মী আৰু উন্নত আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তা আছে। এই তথ্যৰ ওপৰত গুৰুত্ব আৰোঁপ কৰিয়েই কেন্দ্ৰ চৰকাৰে প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় বাজেটত ধাৰ্য কৰা ধনৰ পৰিমাণ ১৩৭ শতাংশলৈ বৃদ্ধি কৰিছে। ইয়াৰ উদ্দেশ্য স্বাস্থ্য আন্তঃগাঁথনিক নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈ শুধৰোৱা।

এইকাৰণে প্ৰয়োজনীয়তা আহিছে

২০২০চনৰ ৩০ জানুৱাৰীত যেতিয়া দেশত প্ৰথম কৰ'না ৰোগী ধৰা পৰিছিল তেতিয়া এয়া কেৰল পুণেৰ বাইঅ'ল'জিকেল ইনষ্টিটিউডৰ গৱেষণাগাৰতহে পৰীক্ষা কৰাৰ সুবিধা আছিল কিন্তু দেশত ২৪৮৬টা এনে পৰীক্ষাগাৰ আছে। চৰকাৰে এতিয়া বেমাৰটো ধৰা পেলোৱা আৰু বেমাৰটোৰ চিকিৎসা কৰাৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰি আছে। স্বাস্থ্য আন্তঃগাঁথনিত গুৰুত্ব দিছে। ২০২১-২২ বৰ্ষৰ বিত্তীয় বাজেটত প্ৰধান মন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত অভিযানৰ অধীনত বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

উচ্চ পৰ্যায়ৰ পৰা নিম্ন পৰ্যায়লৈ পৰিৱৰ্তনত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে

১৩৭ শতাংশ

বাজেটত বৃদ্ধি। স্বাস্থ্য খণ্ডত চৰকাৰৰ বিশেষ গুৰুত্ব।

৮০ শতাংশ

ধন পিএম কেয়াৰচ নিধিৰ পৰা খৰচ কৰা হয়। ভেন্টিলেটৰ আৰু অক্সিজেন প্ৰকল্পৰ বাবে বিশেষ অনুদান।

স্বাস্থ্য আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ৪টা খণ্ডত বিশেষ গুৰুত্ব

০১	০২	০৩	০৪
মহামাৰী প্ৰতিৰোধৰ বাবে স্বচ্ছতাৰ ওপৰত বিশেষ গুৰুত্ব	দৰিদ্ৰজনৰ বাবে স্বাস্থ্য সেৱাৰ সস্তীয়া আৰু সহজসাধ্য সেৱা	মেডিকেল সুবিধা আৰু স্বাস্থ্য আন্তঃগাঁথনিৰ উন্নয়নত বিশেষ গুৰুত্ব	অসুবিধাবোৰ দূৰ কৰাৰ বাবে যুদ্ধকালীন গতিত কাম

দৰিদ্ৰজনৰ বাবে এতিয়া সস্তীয়া নহয়, বিনামূলীয়া স্বাস্থ্য সেৱা উপলব্ধ

৬.৩ কোটি ভাৰতীয় লোক প্ৰতিবছৰে চিকিৎসা ব্যয়ৰ বাবে দৰিদ্ৰসীমাৰেখাৰ তললৈ যাবলৈ বাধ্য হয়।

১০.৭৪ কোটি পৰিয়ালৰ ৫০ কোটিৰো অধিক লোকক ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া স্বাস্থ্য সেৱাৰ বাবে পিএম জন আৰোগ্য আয়ুস্মান ভাৰত আঁচনিৰ আৰম্ভ।

৭৬৭৬ৰো অধিক জন ঔষধি কেন্দ্ৰত জনতাক ৯০শতাংশ পৰ্যন্ত সস্তীয়া ঔষধ বিতৰণ। এই কেন্দ্ৰবোৰত ১ টকাতেই ছেনিটেৰী নেপকিন যোগান ধৰি অহা হৈছে।

বীয়েৰ মেটেল ষ্টেন্ট ৭২৬০ টকাৰ ভিতৰত যোগান ধৰা হৈছে। সেহত আঁচনিৰ অধীনত জম্মু-কাশ্মীৰৰ লোকৰ বাবে আয়ুস্মান ভাৰত আঁচনিৰ লাভালাভ।

- পুষ্টিহীনতা দূৰ কৰাৰ বাবে ২২ ৰাজ্যত ৫০ৰো অধিক পৰিকল্পনা আৰম্ভ কৰা হৈছে।
- প্ৰধানমন্ত্ৰী মাতৃত্ব বন্দনা আঁচনিৰ অধীনত গৰ্ভৱতী মহিলাৰ বাবে ৬হাজাৰ টকা। ইয়াৰ অধীনত ৫১ লাখ মহিলা লাভাণ্বিত।
- পিএম-জয় আয়ুস্মান ভাৰত আঁচনিৰ অধীনত ৭ বিলিয়ন টকা চিকিৎসা ব্যয়।



২০২৫ৰ

ভিতৰত যক্ষ্মাৰ সম্পূৰ্ণ নিৰ্মূলীকৰণৰ বাবে লক্ষ্য

ৰাষ্ট্ৰ সংঘই যক্ষ্মা ৰোগক ২০৩০ চনৰ ভিতৰত বিশ্বৰ পৰা নিৰ্মূল কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰতে কিন্তু এই টিবি বেমাৰ ২০২৫ভিতৰত নিৰ্মূলৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যেই এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু টিবি মুক্ত ভাৰতৰ বাবে পৰিকল্পনা যুগুত কৰিছে। প্ৰথম তিনি বছৰৰ বাবে এই লক্ষ্য প্ৰাপ্তিৰ বাবে ১২হাজাৰ কোটি ধাৰ্য কৰা হৈছে।

স্বচ্ছ ভাৰত অভিযানৰ অধীনত স্বচ্ছতাৰ কভাৰেজ

স্বচ্ছ ভাৰত
एक कदम स्वच्छता की ओर

দেশৰ অধিক সংখ্যক গাঁও মুক্ত শৌচ ঠাই হিচাপে ঘোষণা কৰা হৈছে। ২০২১ চনৰ ২০ এপ্ৰিল তাৰিখলৈ ১১ কোটি শৌচালয় নিৰ্মাণ কৰা হৈছে।

প্ৰতিটো শিশুৰ টিকাকৰণৰ নিশ্চিতি

মিশ্বন ইন্দ্ৰধনুশৰ অধীনত এক অভিলাসী আঁচনি ঘোষণা কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰতিটো শিশুৰ টিকাকৰণৰ সুনিশ্চিতকৰণ কৰা হৈছে। ১২ টা বেমাৰৰ বিৰুদ্ধে এই টিকাকৰণ কৰা হৈছে। বাজেটত এয়া ঘোষণা কৰা হৈছে যে নিআ'ম'কোক্কেল বেমাৰৰ টিকাকৰণৰ জৰিয়তে দেশৰ ৫০ হাজাৰ শিশুক ৰক্ষা কৰিব যাব।

৩.৭০

কোটি শিশু আৰু প্ৰায় ৯২ লাখ অন্তসত্বা মহিলাক মিশ্বন ইন্দ্ৰধনুশৰ অধীনত টিকা দিয়া হৈছে। ■

১৫ খন এইমছ দেশত আৰম্ভ কৰা হৈছে। মেডিকেল শিক্ষাৰ প্ৰসাৰৰ বাবেই এই চিকিৎসালয় কেইখন নতুনকৈ স্থাপন কৰা হৈছে। ৩৭০ অনুচ্ছেদৰ বিলুপ্তিকৰণৰ পাছত ২খনকৈ এইমছ আৰু ৯খনকৈ চিকিৎসা কলেজৰ আৰম্ভণিৰ জৰিয়তে জম্মু-কাশ্মীৰে বিশেষ গুৰুত্ব লাভ কৰিছে।

- কৰ'না মহামাৰীৰ সময়ত দেশত প্ৰায় ৫০ হাজাৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ স্থাপন কৰা হৈছে।
- টেলি সেৱাৰ জড়িয়তে প্ৰায় ১০ লাখ লোক লাভাণ্বিত হৈছে।
- ২০১৪ চনত চিকিৎসা কলেজবোৰত ৫২হাজাৰ স্নাতক, ৩০ হাজাৰ স্নাতকোত্তৰৰ আসন আছে। এতিয়া ৮৫ হাজাৰৰো অধিক স্নাতক আৰু ৪৫ হাজাৰৰো অধিক স্নাতকোত্তৰ আসনৰ সংখ্যা বঢ়োৱা হৈছে।
- ১৯৪৭চনৰ পৰা ২০১৪লৈ ৩৮১খন মেডিকেল কলেজ খোলা হৈছিল। ২০১৪-২০২০ৰ ভিতৰত ১৮৪খন নতুন চিকিৎ' সা মহাবিদ্যালয় খোলা হৈছে।

৭ বছৰ
নতুন ভাৰত গঠনৰ দিশে

নৱনিৰ্মাণৰ দিশত
নতুন ভাৰত

দশক দশক ধৰি নিয়তিৰ ভৰষাত থকা দেশ এতিয়া বিকাশৰ চিন্তা আৰু পদ্ধতিগত প্ৰগতিৰ পথত অগ্ৰসৰ হৈছে

দেশৰ ৬৫শতাংশ জনসংখ্যা ৩৫বছৰৰ তলৰ বয়সৰ। এই বৃহৎ জনসংখ্যাৰ আকাংক্ষাবোৰো আছে আৰু দেশত নতুন দিগন্তৰ দিশত লৈ যোৱাৰ বাবে ইচ্ছা শক্তিও আছে। ভাৰতীয় যুৱ প্ৰজন্মৰ এই ইচ্ছাবোৰকেই সাকাৰাত্মক কৰি এখন সুৰক্ষিত, সমৃদ্ধ আৰু প্ৰগতিশীল ভাৰত নিৰ্মাণৰ পৰিকল্পনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্ন "নিউ ইণ্ডিয়া, গ্ৰেট ইণ্ডিয়া" হয়। কৰ'না বিভীষিকাই বিপদ আনিছে যদিও এনে সময়ত এই যুৱ শক্তিৰ প্ৰচুৰ সম্ভাৱনা, এক নিৰ্ণায়ক নেতৃত্ব আৰু প্ৰভাৱশালী বিশ্বজনীন ব্যক্তিত্বৰে সম্ভাৱনাবোৰক হাতৰ মুঠিত বান্ধি "নিউ ইণ্ডিয়া" নিৰ্মাণৰ দিশত ভাৰত ক্ষীপ্ৰতাৰে আগবাঢ়িছে...



> আমাৰ বিচাৰধাৰা দেশৰ হিতৰ বাবে হয়। আমি সেই বিচাৰধাৰাকেই বিশ্বাস কৰোঁ যি বিচাৰধাৰাই আমাক ৰাষ্ট্ৰই প্ৰথম বুলি শিকনি দিয়ে। এয়া আমাৰ বিচাৰধাৰা যে আমাক ৰাজনীতিৰ পাঠ ৰাষ্ট্ৰনীতিৰ ভাষাৰ জৰিয়তে পঢ়োৱা হৈছিল। আমাৰ ৰাজনীতিত ৰাষ্ট্ৰনীতিয়ে সদায় গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। আমি ৰাজনীতি আৰু ৰাষ্ট্ৰনীতিৰ মাজত কোনো এটা গ্ৰহণ কৰিব লাগে। আমি এয়া সংস্কাৰ লাভ কৰিছোঁ যে ৰাষ্ট্ৰনীতিক আমি প্ৰথমে গ্ৰহণ কৰিব লাগিব আৰু ৰাজনীতিক দ্বিতীয় স্থানত ৰাখিব লাগিব। আমি গৰ্বিত যে আমাৰ বিচাৰধাৰাই সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাসৰ কথা কয়। এয়াই আমাৰ মন্ত্ৰ।
>
> নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।

বিংশ শতিকা যদিহে ৰাজনৈতিক মহাশক্তিৰ আছিল, তেন্তে একবিংশ শতিকা প্ৰযুক্তিগত মহাশক্তিৰ হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বিকাশৰ বাবে এনে এক পৰিকল্পনা হাতত লৈছে যিয়ে ভাৰতত প্ৰযুক্তিগত বিকাশৰ বাবে প্ৰস্তুত কৰিছে। ইয়ে দেশত সুশাসনৰ সৃষ্টি কৰিছে। ভাৰতৰ এই ক্ষীপ্ৰ উন্নয়নে যিদৰে দেশৰ মান বিশ্বজনীন কৰিছে ঠিক তেনেদৰে বিশ্বৰ বিভিন্ন মঞ্চত ভাৰতৰ স্তৰ উন্নত কৰিছে। ভাৰতৰ এই প্ৰযুক্তিগত উন্নয়নৰ বাবেহে কৰ'নাৰ সময়ত দেশে আগবাঢ়ি যাব পাৰিছে। লকডাউনৰ সময়তো দৰিদ্ৰজনে নিজৰ প্ৰাপ্যখিনি পাবলৈ সক্ষম হৈছে। এই মহামাৰীৰ সৈতে যুঁজ দিয়াৰ ক্ষেত্ৰত ইমান জনবহুল এখন দেশে উন্নত স্বাস্থ্য আন্তঃগাঁথনিৰ সহায়ত সঠিকভাৱে মোকাবিলা কৰিছে। কৰ'নাৰ সেয়া প্ৰথম ঢৌৰ সময়ত দেশে সফলতা পোৱাৰ পাছত এতিয়া দ্বিতীয় ঢৌৰ সময়ত পৰিস্থিতি উদ্বেগজনক হৈ পৰিছে, এনে সময়ত কেন্দ্ৰ চৰকাৰে পুনৰ "জীৱন আছে যদিহে এই ধৰা আছে" শীৰ্ষক মন্ত্ৰৰ উচ্চাৰণেৰে ক্ষীপ্ৰতাৰে কাম কৰিবলৈ আৰম্ভ কৰিছে। এই ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু জনসাধাৰণৰ সহায় সমান্তৰালভাৱে চলিছে।

নতুন শতিকাত প্ৰযুক্তিৰ ব্যৱহাৰৰ কথাটো এই কথাৰ পৰাও প্ৰমাণিত হয় যে প্ৰযুক্তিৰ সহায়তহে প্ৰথমবাৰৰ বাবে দেশত চৰকাৰী সুবিধাবোৰৰ লাভালাভবোৰ সকলো বৰ্গৰ জনসাধাৰণৰ মাজলৈ গৈ পাইছে, প্ৰান্তীয় লোকলৈ গৈ পাইছে। ভাৰতৰ বিকাশত বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱ মন কৰিবলগীয়া। বিজ্ঞান আৰু প্ৰযুক্তি ভাৰতৰ বিকাশৰ এনে এক অংগ হৈ পৰিছে যে চৰকাৰী প্ৰকল্পবোৰ যেনে প্ৰশাসনিক সংস্কাৰ, শক্তি ক্ষেত্ৰ, ৰেল সংস্কাৰ, দুৰ্নীতি প্ৰতিৰোধ, কৰ ব্যৱস্থাৰ স্বচ্ছতা, এক দেশ-এক ৰাষ্ট্ৰৰ কৰ যেনে জিএছটি, ষ্টাৰ্ট আপ ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, কৌশল ইণ্ডিয়া, কৃষক আৰু মহিলাসকলৰ বাবে পদক্ষেপবোৰ, শিক্ষাৰ পৰিৱৰ্তনৰ পৰা প্ৰতিৰক্ষা বিভাগৰ সংস্কাৰলৈ আদি খণ্ডবোৰ যি দশক দশকধৰি স্তৰিৰ হৈ আছিল সেয়া এতিয়া চলমান হৈ পৰিছে।

> **ক্ষীপ্ৰ সিদ্ধান্ত, তীব্ৰ গতিত কাম-কাজ, গ্ৰামাঞ্চলৰ দৰিদ্ৰৰ চিন্তা, কৌশল আৰু বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ ফলত বিগত ৭টা দশকত লেহেমীয়া হোৱা প্ৰচেষ্টাই এতিয়া গতি লাভ কৰিছে।**

বিগত বৰ্ষবোৰৰ উন্নয়নমূলক কামকাজবোৰ পৰ্যালোচনা কৰিলে এই কথাবোৰ স্পষ্ট হৈ পৰে। কোনে ভাৱিছিল যে অতি ঠাণ্ডা ঠাই লাডাখত নলীৰ জড়িয়তে পানীৰ সৰবৰাহ সম্ভৱ হৈ পৰিব? ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল দলঙৰ নিৰ্মাণ কিমান ক্ষীপ্ৰতাৰে হৈ উঠিছে সেয়া কোনোবাই কল্পনা কৰিছিল নে? ২৬ বছৰৰ বাবে ফাইলত আৱদ্ধ হৈ থকা অটল সুৰংগ বিগত ৬ বছৰত সম্পূৰ্ণ হৈ পৰিব বুলি কোনোবাই ভাৱিছিল নে? কোনো ভাৱিছিল যে, এলিপিজি-বিদ্যুৎ-ৰাস্তা আদিবোৰ গ্ৰামাঞ্চলৰ ৰাইজে সুবিধা পাব! কোনে ভাৱিছিল যে দেশ শৌচাগাৰৰ ক্ষেত্ৰত চিন্তাধাৰাৰ উন্নয়নৰ লগতে আন্তঃগাঁথনিৰ ক্ষেত্ৰতো সফলতা পাব? ১১ কোটি শৌচাগাৰৰ নিৰ্মাণ বিগত যোৱা বৰ্ষকেইটাতেহে সম্ভৱ হৈ উঠিছে। জন ধন একাউন্টৰ দৰে উদ্ভাৱনী চিন্তাৰ মাধ্যমত কোনে ভাৱিছিল যে ৪০ কোটি জনতা বেংকীয় সেৱাৰ সৈতে সংযুক্ত হৈ পৰিব? কোনে ভাৱিছিল যে দেশে আয়ুস্মান ভাৰত আঁচনিৰ অধীনত প্ৰায় ৫০ কোটি লোকক গাইপতি প্ৰায় ৫ লাখ টকা পৰ্যন্ত চিকিৎসা সেৱা বিনামূলীয়াকৈ দিব পাৰিব? সন্মান নিধিৰ অধীনত ঋণগ্ৰস্ত কৃষকে এতিয়া ঋণৰ পৰা মুক্তি পাব পাৰিছে, ষ্টাৰ্ট আপৰ জড়িয়তে দেশৰ যুৱ প্ৰজন্মই উদ্ভাৱনী চিন্তাৰে চাকৰি সৃষ্টি কৰিছে, উত্তৰ-পূবৰ উগ্ৰপন্থীৰ সমস্যা সমাধানৰ ক্ষেত্ৰত দেখুওৱা ক্ষীপ্ৰতাও এই ক্ষেত্ৰত মন কৰিবলগীয়া। বিগত বৰ্ষকেইটাত চৰকাৰে এনে অনেক উল্লেখনীয় কাম কৰিছে।

এয়া এক সুৱৰ্ণ সুযোগ যে দেশৰ জনসংখ্যাৰ অৰ্ধেকসংখ্যকেই ২৭ বছৰৰ অনুৰ্ধৰ হোৱাৰ বাবে দেশৰ সম্ভাৱনাক এই যুৱ সম্ভাৱনাই নতুন ভাৰত গঠনৰ বাবে আগুৱাই লৈ যাব পাৰে।

এই চৰকাৰৰ দিনতেই ছিকিমৰ দৰে ৰাজ্য বিমান মানচিত্ৰত অন্তৰ্ভূক্ত হৈছে, জম্মু-কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ আঁতৰাই দিয়া হৈছে, শতিকা পুৰণি এলাঙ্কুকলীয়া নিয়ম তিনি তালাকৰ বিলুপ্তি ঘটিছে, সমাজিক সন্তাৰৰ মাজেৰে ৰাম মন্দিৰৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে, কোনে বিশ্বাস কৰিব যে কৰ'না কালত এজন প্ৰধানমন্ত্ৰীয়ে দেশক বিপদৰ পৰা উদ্ধাৰ কৰাৰ বাবে আত্মনিৰ্ভৰশীল ভাৰতৰ দৰে অভিযানৰ আৰম্ভ কৰি দেশত ধনাত্মক পৰিৱেশ লৈ আনিছে। ইয়াৰ উপৰি উৰি এয়াৰ ষ্ট্ৰাইক-বালাকোট ষ্ট্ৰাইকৰ আদিৰ জড়িয়তে ভাৰতে নিজৰ শক্তিৰ পৰিচয় দিবলৈও সক্ষম হৈছে। এনে একাধিক সিদ্ধান্ত আছে যিবোৰৰ জৰিয়তে দেশৰ চৰকাৰৰ ৰাষ্ট্ৰৰ প্ৰতি থকা দায়ৱদ্ধতা আৰু দায়িত্ব দুয়োটা প্ৰতিফলিত হৈছে।

ভাৰতৰ বাবে নতুন পুৱাঃ

বিশেষ অৰ্থনৈতিক সফলতাৰে দেশৰ উন্নয়নৰ বাবে সংখ্যগৰিষ্ঠৰ মতামতৰ সলনি দেশৰ উমৈহতীয়া মতামতৰ ওপৰত গুৰুত্ব আৰোঁপ কৰি ৰাষ্ট্ৰক আগুৱাই নি সুশাসনৰ আৰম্ভণি কৰা হৈছে। সকলো উন্নয়নমূলক কামকাজৰ বাবে "সবকা সাথ সবকা বিকাশ" মন্ত্ৰ মূল মন্ত্ৰ হিচাপে বিবেচিত হৈছে।

দেশভক্তিৰ ঢৌ বৈ আছে। পূব-পশ্চিমত আশাৰ উদয় হৈছে, উত্তৰ-দক্ষিণ সকলো লগ হোৱা, সংকল্পৰ জড়িয়তে সিদ্ধি আনক, সকলোৱে মিলি নতুন ভাৰত গঢ়ো....

কিউ আৰ কোড স্কেন কৰি শুনক নতুন ভাৰতৰ সংকল্প কেনেকুৱা হ'ব?

https://m.youtube.com/watch?v=G768OYT5QSY

দেশে এতিয়া কেতবোৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। দৰিদ্ৰতা, দুৰ্নীতি, সন্ত্ৰাসবাদ, জাতিবাদ আৰু সাম্প্ৰদায়িকতাবাদ আদিৰ পৰা মুক্তি পোৱাৰ বাবে প্ৰতিজ্ঞাৱদ্ধ হৈছে। স্বাধীনতাৰ ৭৫ সংখ্যক উদযাপন উপলক্ষে এই সংকল্প লোৱা হৈছে। নতুন ভাৰতৰ ধাৰণা সম্পৰ্কত ক'বলৈ গৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, "নতুন ভাৰত হৈছে এখন ৰাষ্ট্ৰৰ স্বপ্ন যিখন ৰাষ্ট্ৰত ৩৫ বছৰৰ অনুৰ্ধৰ ৬৫শতাংশ জনসংখ্যাৰ স্বপ্নই ইন্ধন দিব। এই ৰাষ্ট্ৰই সবল নাৰীৰ ৰাষ্ট্ৰৰ কথাকো সূচায়। দেশৰ জনতাক ৰাষ্ট্ৰৰ পৰা কিবা পোৱাৰ আশা কৰাৰ সলনি

যুৱ প্ৰজন্মই নতুন ভাৰত সম্পৰ্কত কি ভাৱে



আধুনিক সমাজ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰযুক্তিৰ প্ৰয়োগ কোনেও নুই কৰিব নোৱাৰে। প্ৰযুক্তিৰ ব্যৱহাৰে এখন দেশক আগুৱাই নিয়াৰ লগতে সেই দেশৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। প্ৰযুক্তিবোৰৰ জৰিয়তে এখন দেশৰ কূটনীতিৰ নীতিও নিৰ্ধাৰণ কৰা হয়।

ৰাষ্ট্ৰক কিবা এটা দিয়াৰ বাবে উদ্বুদ্ধ কৰে। এই দেশৰ জনতাই এতিয়া কিবা এটা পোৱাৰ বাবে নহয়, কিবা এটা দিয়াৰ বাবেহে নিজৰ ঘাম মাটিত পেলাই নতুন ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্ব দিয়ে। এয়াই নতুন ভাৰত ভেটি"

প্ৰযুক্তি-নতুন ভাৰতৰ ৰাষ্ট্ৰীয় নীতিঃ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সেই চিন্তাধাৰাৰ ব্যক্তি যিয়ে সমস্যাৰ সমাধান যুক্তিগত, বিজ্ঞানসন্মতভাৱে বিচাৰি লয়।

প্ৰধানমন্ত্ৰীৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলতেই সুশাসন ব্যৱস্থাই প্ৰযুক্তিৰ সহায়ত সকলোতে সফলভাৱে চলিব ধৰিছে। বিমুদ্ৰাকৰণৰ জৰিয়তে দেশে ডিজিটেল লেনদেনৰ বৃদ্ধি দেখিবলৈ পাইছে।

ভৱিষ্যতৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি নীতি প্ৰচলন কৰা দেশ ভাৰতবৰ্ষই প্ৰযুক্তিগত সিদ্ধান্তবোৰ লোৱাৰ লগতে ইয়াৰ প্ৰয়োগৰ ওপৰতো বিশেষ গুৰুত্ব দি আহিছে। দেশৰ কেতবোৰ খণ্ড যিবোৰত প্ৰযুক্তিৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে কৰা হৈছে তেনে ক্ষেত্ৰবোৰৰ অন্যতম হৈছে কৃষি খণ্ড, কৃত্ৰিম বুদ্ধিমত্তা (আৰ্টিফিচিয়েল ইন্টিলিজেঞ্চ) যাৰ ফলত দৰিদ্ৰতা নিৰ্মূলীকৰণ, কৃষকৰ জীৱনৰ মান উন্নীতকৰণ তথা বিশেষভাৱে সক্ষম লোকৰ জীৱনৰ মান উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।

কৰ'না মহামাৰীয়ে যেতিয়া দেশত সংক্ৰমণ বৃদ্ধি কৰিছিল তেতিয়া ৰাষ্ট্ৰই এটা স্পষ্ট আৰু সাহসী বাৰ্তা প্ৰেৰণ কৰিছিল। প্ৰধানমন্ত্ৰী আৰু সাংসদৰ বেতন কৰ্তন কৰি সেই বাৰ্তা প্ৰেৰণ কৰা হৈছিল।

প্ৰধানমন্ত্ৰীয়ে এটা কথাত সদায় গুৰুত্ব দি আহিছে, আৰু সেই কথাটো এয়াই যে দেশৰ অধিক সংখ্যক লোক উদ্যোগশীল লোক হোৱা কথাটো। তেওঁ এয়া বিচাৰে যে চাকৰি বিচৰা লোক হোৱাতকৈ চাকৰি দিয়া লোকলৈ পৰিৱৰ্তিত হোৱা। এই ক্ষেত্ৰত জিএছটিয়ে পট পৰিৱৰ্তকৰ কাম কৰিছে। কিয়নো এই পদক্ষেপে নিজাৱৰীয়াকৈ কাম কৰা আৰু সেৱা খণ্ডৰ লোকসকলক সংগঠিত কৰিছে। দেশৰ চৰকাৰে অটল ইন'ভেশ্বন মিশ্বন আৰু অটল টিংকাৰিঙ লেবৰ মাধ্যমত প্ৰায় ১০ লক্ষাধিক শিক্ষাৰ্থীক উদ্ভাৱক হিচাপে সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিছে। এয়া ডিজিটেল প্ৰযুক্তিৰ উন্নতিৰ বাবেই সম্ভৱ হৈছে যে এতিয়া বেতনবোৰ নগদ ধনৰ সলনি পোনপটীয়াকৈ বেংক একাউন্টত দিয়া হয়। ডিজিটেল প্ৰযুক্তিৰ উন্নয়নৰ বাবেই এতিয়া নিয়োগকৰ্তাসকলে বিশেষ নতুন ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। শ্ৰমিক আইনৰ সংশোধনেও দেশত পৰিৱৰ্তন আনিছে।

বিশ্বস্তৰীয় নেতৃত্বৰ বাবে অনুকূল সময়ঃ

ভাৰতে পুনঃব্যৱহাৰযোগ্য শক্তিৰ ক্ষেত্ৰত নতুবা নবীকৰণ শক্তিৰ উদ্যোগখণ্ডৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আন্তঃৰাষ্ট্ৰীয় সৌৰ সন্মিলন তথা পেৰিচ জলবায়ু চুক্তিৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত ভাৰতে অন্যতম মুখ্য ভূমিকা গ্ৰহণ কৰিছে। বিশ্ব উদ্ভাৱন তালিকাত স্থান দখল কৰি থকাৰ ক্ষেত্ৰত ভাৰতে উল্লেখনীয় কাম কৰি আছে আৰু এই ক্ষেত্ৰত ৪৮সংখ্যক স্থান দখল কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষকেইটাত ভাৰতীয়ৰ বাৰ্ষিক জনমূৰি আয় ৭৮,০০০টকাৰ পৰা ১.২৫ লাখ টকা পাইছেগৈ। কৃষিৰ বিকাশৰ বাবে থকা ঋণাত্মক গতি শেহতীয়াকৈ ধনাত্মক হৈছে। ৰাষ্ট্ৰীয় ঘাইপথৰ কামৰ ক্ষীপ্ৰতা প্ৰতিদিনে বাঢ়ি গৈ ১২-৩৭কিঃমিঃ পৰ্যন্ত পাইছেগৈ। গ্ৰাম্য ৰাস্তা প্ৰতিদিনে ৭০ৰ পৰা ১৩০ কিঃমিঃ হৈছেগৈ।

ৰেল লাইনৰ বৈদ্যুতিকৰণ ৩ হাজাৰ কিঃমিঃৰ পৰা ১৩ হাজাৰ কিঃমিঃ পাইছে। বিদ্যুৎ উৎপাদনৰ পৰা আৰম্ভ কৰি অপটিকেল ফাইবাৰ লাইনৰ বিস্তৃতিৰ কাম আদিকেই কৰি বিত্তীয় অনুদানেৰে বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত অধিক ধনৰ আৱন্টনৰে দেশৰ বিত্তীয় বিকাশ ক্ষীপ্ৰ হৈছে। ভাৰতে ব্যৱসায় কৰাৰ সুগমতা শীৰ্ষক তালিকাত নিজৰ স্থান উন্নত কৰিবলৈ সক্ষম হৈছে। ২০১৪চনৰ ১৪২ৰ পৰা এতিয়া এই স্থান এতিয়া

নতুন ভাৰতৰ আদিপাঠ স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে আৰম্ভ হৈছিল যি এতিয়া ডিজিটেল ইণ্ডিয়া, মেক ইন ইণ্ডিয়াৰ মাধ্যমত অতিকৈ আশাব্যঞ্জক পৰ্যায় স্বনিৰ্ভৰশীল ভাৰত আৰু ভ'কেল ফ'ৰ ল'কেল পাইছেগৈ...

৬৩লৈ আহিছে। বিশ্ব বেংকৰ বিদ্যুৎ যোগানৰ সুগমতাৰ দিশটোতো ২০১৪চনৰ ৯৯ নং স্থানৰ পৰা ২০১৮চনত ২৬নং স্থান পাইছে। আনহাতে প্ৰতিযোগিতামূলক ক্ষেত্ৰখনতো ভাৰতে নিজৰ স্থান ৭১ৰ পৰা ৫৮লৈ আনিব পাৰিছে। আনহাতে বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ তালিকাত ভাৰতে পৰ্যটন আৰু পৰ্যটক তালিকাত নিজৰ স্থান উন্নত কৰিবলৈ সক্ষম হৈছে। সঠিক সিদ্ধান্ত আৰু সবল নেতৃত্বৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। কৰ'নাৰ বেয়া সময়তো চৰকাৰে সকলো সঠিকভাৱে পৰিচালনা কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। এয়া ভাৰতৰ ধৈৰ্যৰো সময়। এই দুৰ্যোগৰ সময়ত ভাৰতে শুদ্ধ সিদ্ধান্তৰে সকলো ঠিক ৰাখিবলৈ সক্ষম হৈছে। একেদৰে এয়া ভাৰতীয় স্বাধীনতা আন্দোলনৰ সংগ্ৰামৰো এক শিকনি বুলি ক'ব পাৰি। সোহন লাল দ্বিবেদীয়ে সেইসময়তে লিখা এটা কবিতাই স্বাধীনতাৰ সময়ৰ ভাৰতীয় সংগ্ৰামৰ মনস্তত্ব আৰু এতিয়াৰ মনস্তত্বৰ সাদৃশ্য পৰিৱেশন কৰে। এই কবিতাটোৱে মহাত্মা গান্ধীয়ে আন্দোলনৰ সময়ত পোষণ কৰা ঐনক্যৰ মাজত ঐক্যতা শীৰ্ষক মন্ত্ৰৰ প্ৰতিফলন ঘটাইছে।

चल पड़े जिधर दो डग, मग में
चल पड़े कोटि पग उसी ओर
गड़ गई जिधर भी एक दृष्टि
गड़ गए कोटि दृग उसी ओर ■

নতুন প্ৰযুক্তিৰ মাধ্যমত পৰিৱৰ্তিত হৈছে নতুন ভাৰতৰ ছবি

প্ৰতিগৰাকী ভাৰতীয়ই দেশৰ প্ৰগতিৰ বাবে অধীৰ অপেক্ষাৰে ৰৈ আছে। বৰ্তমানৰ চৰকাৰখনে দেশৰ যুৱ প্ৰজন্ম আৰু দেশবাসীৰ এই মনস্তত্ব উপলব্ধি কৰে। ১৩৭ কোটি ভাৰতীয় আশা-প্ৰত্যাশাবোৰ পূৰণ কৰাৰ বাবে দেশ প্ৰতিশ্ৰুতিৱদ্ধ। এতিয়া মোদী চৰকাৰে প্ৰযুক্তিৰ সহায়ত নতুনত্বৰ আশাৰে প্ৰথম পাঁচ বছৰত বিভিন্ন কামৰ আধাৰ সৃষ্টি কৰিছিল আৰু বিগত দুটা বছৰত প্ৰযুক্তিগত সেই কামবোৰ পূৰ্ণগতিত সম্পূৰ্ণ কৰিছে। কাম যাতে স্তব্ধ নহয়, উন্নয়ন যাতে ৰুদ্ধ নহয়, তাৰ বাবেই এই গতি...

"এই পথ নিৰ্মাণ নোহোৱাহেঁতেন মই এয়া ভাৱি পোৱা নাছিলো যে মই কিদৰে আইতা ওচৰলৈ গলোহেঁতেন।" কিন্তু এতিয়া কণমানি তনভীৰ মুখত হাঁহি। কাশ্মীৰ উপত্যকাৰ ৰীচিৰ বাসিন্দা তনভীৰ মনত সন্তুষ্টি কিয়নো উধমপুৰ-বাৰামুলা ৰেল সংযোগী প্ৰকল্পই অসম্ভৱক সম্ভৱ কৰি তুলিছে। আমি ৰেল বিভাগৰ প্ৰতি কৃতজ্ঞ কিয়নো এয়া ৰে'ল বিভাগৰ বাবেহে সম্ভৱ হৈছে। এই কাৰ্যৰ বাবে আমাৰ পাছৰ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি হৈছে। এই ভাষ্য পাৰ্শ্বৱৰ্তী এলেকা দোধাম্বৰ নিবাসী আব্দুল কৰিম লোহাৰৰ। ৰামবন জিলাৰ খিয়াজ আহমেদ খটমতে কয় যে উধমপুৰ-বাৰামুলা ৰে'ল সংযোগীকৰণে অঞ্চলটোৰ ৰাইজৰ দুখ-কষ্ট নাইকীয়া কৰি পেলাইছে। পূৰ্বে কেইবামাইল খোজ কঢ়াৰ প্ৰয়োজনীয়তা আছিল কিন্তু এতিয়া সেয়া নাই আৰু লগতে অধিক কৰ্মসংস্থাপনৰো সৃষ্টি কৰিছে। ট্ৰাক ড্ৰাইভাৰ কুলদ্বীপে কয় যে ৰে'ল বিভাগ নহাহেঁতেন ৰাস্তা-ঘাট আহিবলৈ ২০ বছৰ সময় লাগিলহেঁতেন। এতিয়া প্ৰতিঘন্টাতেই ৰে'ল উপলব্ধ। এই ৰেল প্ৰকল্পই সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ মনত আনন্দৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ সকলো পৰ্যায়ৰ লোককে এই ৰেল প্ৰকল্পই অশেষ সহায় কৰিছে।

এই উধমপুৰ-বাৰামুলা ৰে'ল সংযোগী প্ৰকল্প হৈছে কেন্দ্ৰ চৰকাৰৰ জম্মু-কাশ্মীৰক উন্নত কৰাৰ দায়ৱদ্ধতাৰ প্ৰতিফলন।

যাত্ৰা সময় লাঘৱ কৰি...

দলং খনৰ দৈৰ্ঘ্যতা:

১,৩১৫ মিটাৰ

খৰচৰ পৰিমাণ

২৭,৯৪৯ কোটি

৩৫৯-মিটাৰ-উচ্চ

চেনাব নদীৰ ওপৰত থকা আৰ্ক দলং বিশ্বৰ ভিতৰতেই উচ্চতম ৰেল দলং। এয়া ফ্ৰান্সৰ আইফেল টাৱাৰতকৈ ৩৫ মিটাৰ বেছি উচ্চ।

২৮,৬৬০ মেট্ৰিকটন তীখাৰ ব্যৱহাৰ

এয়া ১৩১৫ মিটাৰ দীঘল আৰু এই দলঙৰ আয়ুস ১২০ বছৰ। ডিআৰডিঅ'ৰ উন্নত প্ৰতিৰক্ষা পৰামৰ্শত এই দলঙ নিৰ্মাণ কৰা হৈছে।

সম্পূৰ্ণ হৈ উঠা এই ৰে'ল প্ৰকল্পৰ অংশস্বৰূপ চেনাব নদীৰ ওপৰত নিৰ্মীত হোৱা দলঙ (আৰ্ক ব্ৰীজ) মূল প্ৰত্যাহ্বান আছিল। এই দলঙে কাশ্মীৰ উপত্যকাক সমগ্ৰ দেশৰ সৈতে সংযোগ কৰিছে এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত এই পথৰে ৰে'ল ১০০ কিঃমিঃ গতিত গতি কৰিব। ২০২২ চনৰ আগষ্ট মাহত এয়া সম্পূৰ্ণ হৈ উঠিব। এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত কাশ্মীৰৰ সৈতে কন্যাকুমাৰীৰ পোনপটীয়া সংযোগ সম্ভৱ হৈ পৰিব ২৭,৯৪৯ কোটি ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ২৭২ কিঃমিঃ দৈৰ্ঘ্যৰ এই ৰে'ল পথ হিমালয় গভীৰ পৰ্বতমালাৰ মাজেৰে গৈছে। এক প্ৰত্যাহ্বানমূলক প্ৰকল্প হিচাপে পৰিগণিত হোৱা এই প্ৰকল্পত ৯২৭খন দলঙ, ৩৮টা সুৰংগ নিৰ্মাণ কৰিবলগীয়া হৈছে। একসময়তে এই ৰে'ল লাইনৰ বাবে ২০৫কিঃমিঃ দৈৰ্ঘ্যৰ এটা পথো নিৰ্মাণ কৰিবলগীয়া হৈছে। এই পথছোৱাই প্ৰায় ১.৫ লাখ লোকক যাতায়তৰ সুবিধা কৰি দিব। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী পিয়ুষ গোৱেলে কোৱা মতে, "ৰেল-পথে সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন লৈ আনে। একেদৰে এই পদক্ষেপে জনসুবিধা আৰু জীৱনৰ মান উন্নত কৰে। চেনাব নদীৰ ওপৰত নিৰ্মীত আৰ্ক দলঙ (বিশেষ প্ৰযুক্তিৰ দলঙ), অন্যান্য সংযুক্ত নিৰ্মাণ কাৰ্যই সাধাৰণ জনতাৰ জীৱনৰ মান সলনি কৰিছে।"

আৰ্ক ব্ৰীজ আইফেল টাৱাৰতকৈও ওখ

নিৰ্মাণখণ্ডত উল্লেখযোগ্য সফলতা পোৱা ১.৩ কিঃমিঃ দৈৰ্ঘ্যৰ কাটৰা-বানিহাল অংশত ৩৫৯ মিটাৰ উচ্চতা ফ্ৰান্সৰ আইফেল টাৱাৰতকৈও বেছি। উন্নত প্ৰযুক্তিৰে নিৰ্মাণ হোৱা চেনাব ব্ৰীজ হৈছে বিশ্বৰ সৰ্বোচ্চ ৰেল দলঙ। এই দলঙৰ দৈৰ্ঘ্যতা হৈছে ১.৩১৫ কিঃমিঃ। আৰু ইয়াত ১৭টা স্পেন আছে। মুখ্য আৰ্ক স্পেন ৪৬৭ মিটাৰৰ হয় আৰু ওজন ১০,৬১৯ মেট্ৰিক টন হয়। এই আৰ্ক ব্ৰীজে ঘন্টাত ২৬৬ কিঃমিঃত অহা বতাহৰ গতিক প্ৰতিৰোধ কৰিব পাৰিব। ৰিচীৰ এই এলেকা ভূমিকম্প অহা ভূকম্প-প্ৰৱণ এলেকাৰ চতুৰ্থ খণ্ডৰ অন্তৰ্গত, গতিকে এই দলঙৰ অতি ভূমিকম্প প্ৰতিৰোধ কৰিব পৰা ক্ষমতাও আছে। এই দলঙত ২৮,৬৬০ মেট্ৰিক টনৰ তীখা আছে। এই দলঙৰ আয়ুস ১২০ বছৰ। এই দলঙে ৰিখটাৰ স্কেলত আহিব পৰা যিকোনো ধৰণৰ ভূমিকম্পক প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। প্ৰথমবাৰৰ বাবে ভাৰতত নতুন উন্নত প্ৰযুক্তি আলট্ৰাছ'নিক টেষ্টিং মেশ্বিন ব্যৱহাৰ কৰা হৈছে। এই দলঙৰ ভেটিটো হৈছে এখন ফুটবল খেলপথাৰৰ এক তৃতীয়াংশৰ সমান। দলঙখন নিৰ্মাণৰ বাবে নদীত ৯১৫ মিটাৰ দীঘল কেবল ক্ৰেন ব্যৱহাৰ কৰা হৈছিল। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে "উন্নয়নমূলক কামকাজ বিশেষত যোগাযোগৰ ক্ষেত্ৰত কৰা কামবোৰে জম্মু-কাশ্মীৰৰ ছৱি সলনি কৰি পেলাব। মই চেনাব নদীৰ ওপৰত নিৰ্মীত অতি সুন্দৰ ৰে'ল দলঙখনৰ ফটো দেখিছোঁ, এই ফটো দেখি কোন ব্যক্তিৰ হৃদয় গৌৰৱত ওফন্দি নুঠিব বাৰু! ৰেল বিভাগে এই ৰাজ্যখনক আগন্তুক ২-৩ বছৰত সম্পূৰ্ণৰূপে সংযুক্ত কৰিব।"

এই ৰে'ল প্ৰকল্পই "এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ" স্বপ্নক বাস্তাৱায়িত কৰিব। এই প্ৰকল্পই কাশ্মীৰক দেশৰ সকলো অংশৰ সৈতে ৰেলেৰে সংযোগ কৰিব। এই ৰেল পথ প্ৰতিৰক্ষাৰ দিশটোৰ পৰাও গুৰুত্বপূৰ্ণ। কিয়নো এই ৰাজ্যখনৰ সৈতে দুখনকৈ প্ৰতিৱেশী ৰাষ্ট্ৰৰ সীমান্ত আছে। এই ৰেল পথে অঞ্চলটোত প্ৰতিটো বতৰত সংযোগ কৰিব আৰু ৰাজ্যখনৰ যাতায়ত ব্যৱস্থা যথেষ্ট উন্নত কৰিব। ইয়াৰ লগতে অঞ্চলটোৰ পৰ্যটন আৰু কৰ্মসংস্থাপন বৃদ্ধিৰ ক্ষেত্ৰত এই প্ৰকল্পই যথেষ্ট সহায় কৰিব। ■

নলীৰ জৰিয়তে খোৱাপানী

বিৰল প্ৰযুক্তিগত সফলতা

জল জীৱন মিশ্বনৰ অধীনত অতি ঠাণ্ডা অঞ্চল লাডাখতো খোৱা পানীৰ যোগান নলীৰ জৰিয়তে কৰা হৈছে।

৩০ ডিগ্ৰীৰ (মাইনাচ) ঠাণ্ডাতো লাডাখ পাইছে

২০১৯ চনৰ ১৫ আগষ্ট তাৰিখে নৰেন্দ্ৰ মোদীয়ে লাল কিল্লাৰ পৰা এয়া অংগীকাৰ কৰিছিল যে দেশৰ সকলোকে নলীৰ মাধ্যমত খোৱা পানীৰ যোগান ধৰা হ'ব।

এয়া বিশ্বৰ উন্নত দেশবোৰৰ বাবেও প্ৰত্যাহ্বানমূলক যে মাইনাচ ৩০-৪০ ডিগ্ৰী তাপমাত্ৰাত খোৱাপানীৰ যোগান নলীৰ জৰিয়তে কৰা হৈছে। এই নিম্ন তাপমাত্ৰা নলীৰ পানী বৰফ হৈ পৰে তাৰ ফলত পানীৰ যোগান ব্যাহত হয়। বিশ্বৰ বিভিন্ন ঠাণ্ডা অঞ্চল বিশেষত ৰাছিয়াৰ চাইবেৰিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাচ আৰু চিকাগো চহৰত পানীৰ যোগান ব্যাহত হৈ পৰে। কিন্তু ইমানবোৰ অসুবিধা আৰু প্ৰত্যাহ্বানৰ মাজতো ভাৰতৰ লাডাখ অঞ্চলত ইমান ঠাণ্ডা অঞ্চল হোৱাৰ পাছতো প্ৰযুক্তি আৰু কৌশলৰ ব্যৱহাৰৰ জৰিয়তে বিশুদ্ধ খোৱা পানী নলীৰ জৰিয়তে যোগান ধৰা হৈছে। এয়া বৰ্তমানৰ চৰকাৰৰ উচ্ছাকাংক্ষাৰ বাবেই সম্ভৱ হৈছে...

- অতি ঠাণ্ডাৰ সময়ত হ্ৰদ বা পুখুৰীৰ পানী বৰফ হৈ পৰে। কিন্তু তলৰ পানীখিনি বৰফ নহয়। গতিকে বিশেষ প্ৰযুক্তিৰে এই পানী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- ভূগৰ্ভৰ যথেষ্ট তলেৰে এই পানীৰ পাইপ বহুৱা হৈছে আৰু পানীৰ সৰবৰাহ কৰা হৈছে। এই ক্ষেত্ৰত সৌৰ শক্তিৰো ব্যৱহাৰ কৰা হৈছে
- ভূগৰ্ভৰ তলত গৰম থাকে, সেয়েহে পানীৰ পাইপ ৩-৪ ফুট তললৈ ভূগৰ্ভ খান্দি পানীৰ যোগানৰ ব্যৱস্থা কৰা হৈছে।

- জল জীৱন মিশ্বনৰ অভিযন্তা শ্বেৰিঙ আংগছুকে জনোৱা মতে ৩২৬কোটি টকা ব্যয়সাপেক্ষে সম্পূৰ্ণ হ'বলগীয়া এই কাম এতিয়া চলি আছে আৰু ২০২২বৰ্ষত প্ৰতিঘৰ লাডাখবাসীয়ে নলীৰ জৰিয়তে পানী পাবলৈ সক্ষম হ'ব।

জল জীৱন মিশ্বনৰ উল্লেখনীয়া দিশ

২০২৪ৰ ভিতৰত এই আঁচনিয়ে দেশৰ ১৯.২০ কোটি ঘৰলৈ নলীৰ জৰিয়তে পানী যোগানৰ ব্যৱস্থা কৰিব।

স্বাধীনতাৰ পৰা ২০১৯ চনলৈ দেশত কেৱল ৩.২৩ কোটি ঘৰেহে নলীৰ জৰিয়তে পানী লাভ কৰিছিল।

এতিয়ালৈ ৪ কোটি পৰিয়ালে জল জীৱনৰ আৰম্ভণিৰ পাছত নলীৰ জৰিয়তে খোৱাপানী লাভ কৰিবলৈ সক্ষম হৈছে।

দেশৰ ভিতৰত গোৱা হৈছে প্ৰথম ৰাজ্য যিঠাইত সকলো বাসিন্দাই টেপৰ পানী লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ পাছত তেলেংগনাই এই ক্ষেত্ৰত ২নং স্থান দখল কৰি আছে।

গছৰ পুনঃৰোপনৰ জৰিয়তে ঘাইপথৰ কাম ক্ষীপ্ৰতৰ কৰি তোলা হৈছে

সাধাৰণতে পৰিৱেশ মন্ত্ৰণালয়ৰ অনুমোদন সাপেক্ষেহে ৰাষ্ট্ৰীয় ঘাইপথ বা অন্য আন্তঃগাঁথনিমূলক কাম-কাজৰ আগবাঢ়ে। এক্সপ্ৰেছৱে, গ্ৰীণ এক্সপ্ৰেছৱে, হাই-ৱে আদিৰ কাম পৰিৱেশ বিভাগৰ পৰা অনুমোদন নোপোৱালৈ কাম-কাজ কৰিব পৰা হোৱা নাছিল। সাধাৰণতে এয়া নিয়ম আছিল যে আন্তঃগাঁথনি-পথ নিৰ্মাণৰ মঞ্জুৰি পোৱাৰ পাছত যিমান গছ কটা হৈছে সিমান সংখ্যক গছ ৰোপন কৰিলেহে কামকাজ আগবাঢ়িব পাৰে। কিন্তু কেন্দ্ৰ চৰকাৰৰ দূৰদৰ্শী সিদ্ধান্তই সকলো কথা সলনি কৰিছে। এতিয়া গছ পুনঃৰোপন প্ৰতিটো প্ৰকল্পৰ অংশস্বৰূপ। গছৰ ট্ৰান্সপ্লেন্টেশ্বন মানে এডাল পৰিপক্ক বৃক্ষক প্ৰযুক্তিগত সহায়ত অন্য ঠাইলৈ তুলি লৈ যোৱা প্ৰক্ৰিয়াই এতিয়া কামৰ ক্ষীপ্ৰতা বৃদ্ধি কৰিছে এই প্ৰক্ৰিয়াৰ প্ৰথম সফলতাপূৰ্বক ৰূপায়ন দ্বাৰকা এক্সপ্ৰেছ-ৱেৰ নিৰ্মাণ কাৰ্যই দেখুৱাইছে। এই ২৯ কিঃমিঃ দৈৰ্ঘ্যৰ এক্সপ্ৰেছ-ৱেৰ নিৰ্মাণত ১২ হাজাৰ বৃক্ষৰ পুনঃৰোপন কৰা হৈছে...

- ভাৰতমালা পৰিকল্পনাৰ অন্তৰ্গত ২২টা গ্ৰীণফিল্ড নিৰ্মাণ ৩.১০ লাখ কোটি টকাৰ ব্যয়সাপেক্ষে ২০২৫চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। ইয়াৰ ভিতৰত দিল্লী-মুম্বাই এক্সপ্ৰেছ প্ৰকল্পও আছে। এই কাম সম্পূৰ্ণ হোৱাৰ পাছত পদপথৰ যাত্ৰাপথ ১৩ ঘন্টা হৈ পৰিব। এই সকলো প্ৰকল্পত বৃক্ষৰ পুনঃৰোপনৰ নিয়ম সকলোতে পালন কৰা হ'ব।
- এই প্ৰক্ৰিয়াত বিকাশৰ কামো চলিব আৰু লগতে পৰিৱেশ-পাৰিপাৰ্শ্বিকতাও সম্পূৰ্ণৰূপে অব্যাহত থাকিব। গছ কটা কামটো বেয়া কিন্তু বিকাশৰ কামত সেয়া প্ৰয়োজনীয় হৈ পৰে কিন্তু গছ পুনঃৰোপন প্ৰক্ৰিয়াই এই চমৎকাৰ কৰিছে।
- এডাল গছ এঠাইৰ পৰা আন ঠাইলৈ নিয়াৰ বাবে ২৫ হাজাৰ টকাৰ খৰচ হয়। দ্বাৰকা এক্সপ্ৰেছ-ৱেৰ নিৰ্মাণৰ সময়ত ৮৪শতাংশ সফলতাৰে ১২ হাজাৰ বৃক্ষ পুনঃৰোপন কৰা হৈছে।
- প্ৰথমে কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ কৰা হয় আৰু তাৰ পাছত প্ৰয়োজন অনুসাৰে গছৰ গুৰিৰ চাৰিওকাষে শিপাৰ ক্ষতিসাধন নোহোৱাকৈ খনন কৰা হয় আৰু বৃক্ষ পুনঃৰোপন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হয়।
- গছ এডালৰ খননৰ পাছত গছডালক শিপাৰ সৈতে সংযুক্ত হৈ থকা ভূমিৰ সৈতে ২০-২৫ দিনৰ বাবে ৰখা হয় যাতে ই জীয়াই থাকে আৰু তাৰ পাছত সেই গছডালৰ শিপাৰ সৈতে লাগি থকা মাটিখিনিৰ সৈতে বন্ধা হয়।
- ইয়াৰ পাছত পুনৰ সেই গছডাল তেনেদৰে থৈ দিয়া যাতে গছডাল নিজৰ মাধ্যমত জীয়াউ থাকে, তাৰ পাছতহে মেশ্বিনৰ সহায়ত সেইডাল অন্য ঠাইলৈ নি পুনঃৰোপন কৰা হয়।
- সেউজীকৰণৰ অংশস্বৰূপে হৰিত পথ এপ্-ৰ সহায়ত গছবোৰৰ জিঅ' টেগিং, জিআইএছ, স্থান, জীৱন আদি পৰ্যৱেক্ষণ কৰা হয়। ■

৩৭

কিঃমিঃ ঘাইপথৰ নিৰ্মাণ প্ৰতিদিনে। ২০১৪চনত এয়া আছিল ১২ কিঃমিঃ।

১,৩৭,৬২৫

কিঃমিঃ দৈৰ্ঘ্যৰ ঘাইপথৰ নিৰ্মাণ বিগত ৭বছৰত হৈছে।

ফাষ্ট টেগৰ আৰম্ভণি

ঘাইপথত এতিয়া টোলগেটসমূহত গাড়ীৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা নাযায়।

নতুন মটৰ গাড়ী আইন

ঘাইপথত পথ দুৰ্ঘটনা নাইকীয়া কৰাৰ পৰিকল্পনা।

৭ বছৰ
নতুন ভাৰত গঠনৰ দিশত

প্ৰযুক্তিৰ সহায়ত পৰিৱৰ্তন

৫টা দশকৰ অন্তত কেৰেলাই লাভ কৰিছে

কোল্লাম বাইপাছ

"যেতিয়া আমি দলং আৰু ৰাস্তা নিৰ্মাণ কৰোঁ তেতিয়া কেৰল গ্ৰামাঞ্চলক চহৰাঞ্চলৰ সৈতে সংযোগ নকৰোঁ, এই কাৰ্যৰ দ্বাৰা আমি আকাংক্ষাবোৰৰ লগতে উপলব্ধি, আশা, আৰু আনন্দও বিয়পাই দিওঁ।"

বছৰজোৰা প্ৰতীক্ষাৰ অন্তঃ

দীৰ্ঘ সময়ধৰি অপেক্ষাত থকা এনে অনেক প্ৰকল্পই এতিয়া ক্ষীপ্ৰতা লাভ কৰিছে। সেয়া লাগিলে বাড়মেৰৰ ৰিফাইনেৰী হওক বা ৫৬বছৰ ধৰি ৰৈ থকা চৰ্দাৰ সৰোবৰ বান্ধৰ কাম হওক বা ৬৫ বছৰ পুৰণি বাণসাগৰ প্ৰকল্পই হওক বা ১৬ বছৰ ধৰি ৰৈ থকা অসমৰ বগীবিল দলং প্ৰকল্পই হওক, এতিয়া এইবোৰ সকলো এটা এটাকৈ সম্পূৰ্ণ হ'ব ধৰিছে। প্ৰধানমন্ত্ৰীৰ ভাষাত "প্ৰকল্পৰ কামবোৰ দেৰি কৰা, প্ৰতিৰোধ কৰা সংস্কৃতিৰ এতিয়া অবসান ঘটিছে।"

২০১৯ চনৰ ১৫ জানুৱাৰী তাৰিখে কেৰেলাৰ কোল্লাম বাইপাছ মুকলি কৰি দিয়া ভাষণত কোৱা এই কথাষাৰে দেশত ঘাইপথৰ উন্নয়নৰ ক্ষেত্ৰত হৈ থকা ক্ষীপ্ৰতা আৰু পৰিপক্কতাৰ কথা স্পষ্ট কৰে। কোল্লাম বাইপাছ হৈছে দীঘলীয়া সময়ৰ বাবে ৰৈ থকা এক প্ৰকল্প সমূহৰ এটা প্ৰকল্প যি এতিয়াৰ কেন্দ্ৰ চৰকাৰৰ কাৰ্যকালত সম্পূৰ্ণ হৈছে। মাত্ৰ ১৩.৫ কিঃমিঃ দৈৰ্ঘ্যৰ এই বাইপাছে কেৰেলাৰ আলাপুজ্জা আৰু থিৰুঅনন্থপুৰমৰ মাজৰ দূৰত্ব কম কৰে কিন্তু এইখিনি কাম সম্পূৰ্ণ হওতে সম্পূৰ্ণ পাঁচটা দশক কেৰেলাৰ জনতাই অপেক্ষা কৰিবলগীয়া হৈছে। ১৯৭২ চনতেই প্ৰস্তাৱ ৰখা এই প্ৰকল্প ২০১৯চনতহে সম্পূৰ্ণ হৈছে।

জলপথত বিকাশৰ নতুন ছবি

হালদিয়া-বাৰাণসী জলমাৰ্গে

সলনি কৰিছে আন্তঃ জল পৰিবহনৰ ছবি

এটা সময় আছিল যেতিয়া ভাৰতৰ নদীবোৰতো ডাঙৰ ডাঙৰ মালবাহী জাহাজ দেখিবলৈ পোৱা গৈছিল, কিন্তু স্বাধীনোত্তৰ কালত এই খণ্ডত গুৰুত্ব দিয়াৰ সলনি অবহেলাহে কৰা হ'ল। এই কামত দশক-দশকৰ অপেক্ষা কৰা হ'ল। এতিয়া সেই স্বপ্ন পূৰ্ণ হৈছে। চৰকাৰৰ প্ৰচেষ্টাত সেই স্বপ্ন এতিয়া নতুন ভাৰতত সাৰ্থক হৈছে...

মালভাড়া হ্ৰাস হোৱাৰ ফলত এতিয়া সামগ্ৰীৰ দামো হ্ৰাস পাবলৈ আৰম্ভ কৰিছে

বাৰাণসী-হালদিয়া জন পৰিবহনে কেৱল উত্তৰ প্ৰদেশকে নহয়, বৰঞ্চ ই বিহাৰ, ঝাৰখণ্ড, বংগকে লৈ ভাৰতৰ এক বৃহৎ অংশক লাভাণ্বিত কৰিছে। মালবাহী জলপৰিবনে ব্যাপাৰ-বাণিজ্যৰ লগতে কৰ্মসংস্থাপন বৃদ্ধিতো সহায় কৰিছে।

বাৰাণসীৰ পৰা হালদিয়ালৈ জলপৰিবহন আৰম্ভ হোৱাৰ ফলত পৰিবহনৰ খৰচ যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ লগতে জল পৰিবহনৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি হালদিয়াক অধিক সম্প্ৰসাৰিত কৰাৰোঁ পৰিকল্পনা আছে।আগলৈ ইয়াক বাংলাদেশৰ সৈতে সংযুক্ত কৰা হ'ব।

বাৰাণসী-হালদিয়া জলপৰিবহন

১৩৯০	৪২০০	
কিঃমিঃ দীঘল	কোটি টকাৰ বিনিয়োগ	২০১৬ চনৰ আগষ্টত পৰীক্ষামূলকভাৱে মাৰুতি কোম্পানীৰ স্ক্ৰেপ হালদিয়ালৈ পৰিবহন কৰা হৈছিল

২০১৪ চনত মাত্ৰ পাঁচটা জলমাৰ্গ আছিল। আজি দেশত ১১১টা জলপৰিবহন পথ আছে। ২৪ খন ৰাজ্যত বিস্তাৰিত হৈ থকা এই জলপৰিবহনৰ দৈৰ্ঘ্যতা ২০,২৭৫কিঃমিঃ। ■

অটল সুৰংগঃ

সামৰিক-আৰ্থিক সবলীকৰণৰ প্ৰতীক

ৰোহতাংগৰ মানালী-লেহ ঘাইপথত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সুৰংগটো ২৬ বছৰ ধৰি স্তৰিৰ হৈ আছিল কিন্তু সেয়া বিগত ৬ বছৰত চৰকাৰৰ মুখ্য প্ৰাথমিকতা হোৱাৰ বাবেই নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই সুৰংগ আত্মনিৰ্ভৰশীল হ'ব খোজা ভাৰতীয়ৰ বাবে চমৎকাৰ উদাহৰণ হৈ পৰিছে। এতিয়া এছিয়াৰ দীৰ্ঘতম সুৰংগ জোজিলা সুৰংগ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই সুৰংগ নিৰ্মাণৰ পাছত জনতাৰ জীৱনৰ সুগমতা বৃদ্ধি পাব আৰু প্ৰতিৰক্ষা বাহিনীৰ যথেষ্ট সহায় হ'ব...

- শীতকালৰ তীব্ৰ তুষাৰপাতৰ ফলত ৰোহতাংগ পাছৰ কাষৰ মানালী-লেহ ঘাইপথ ৫-৬ মাহ পৰ্যন্ত বন্ধ হৈ থাকিছিল আৰু দেশৰ বাকী অংশৰ সৈতেও যোগাযোগ ব্যাহত হৈ থাকিছিল কিন্তু এতিয়া এই পথ বছৰটোৰ ১২ মাহেই খোলা থাকে।
- ৰোহতাংগ পাছক বাইপাছ কৰাৰ বাবে মানালী-লেহ ঘাইপথত সুৰংগ নিৰ্মাণ কৰা কামটো কেন্দ্ৰ চৰকাৰে মুখ্য প্ৰাথমিকতা হিচাপে ৰাখিছিল বাবেই এয়া সম্ভৱ হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত বৰ্ষৰ ৩ অক্টোবৰ তাৰিখে এই অটল সুৰংগ ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিছে।
- এই সুৰংগ নিৰ্মাণৰ শিলান্যাস ভাৰত ৰত্ন প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ২০০২ চনৰ ২৬ মে' তাৰিখে কৰিছিল। কিন্তু পৰৱৰ্তী চৰকাৰবোৰে এই প্ৰকল্পৰ কাম সমাধা কৰাৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাছিল। ২০১৪ চনত নতুন চৰকাৰ গঠন হোৱাৰ পাছতহে এই সুৰংগ প্ৰকল্পৰ কামত অধিক গুৰুত্ব দিয়া হয় আৰু সময়ত সম্পূৰ্ণ কৰা হয়।

অটল সুৰংগই লাডাখত নিয়োজিত ভাৰতীয় সেনাক বিভিন্নধৰণে সহায় কৰিছে। এতিয়া সেনাৰ সামগ্ৰী আৰু অস্ত্ৰ-শস্ত্ৰ সহজেই সৰবৰাহ হৈছে।

অটল সুৰংগ কি গুৰুত্বপূৰ্ণ?

- ১০,১৭১ ফুট উচ্চতাত নিৰ্মীত কৰা হৈছে। এয়া বিশ্বৰ ভিতৰতেই সৰ্বোচ্চ আৰু দীঘলীয়া সুৰংগ।
- ঘোৰাৰ নালটোৰ দৰে এই সুৰংগৰ আয়তন ৫.৫২৫ মিটাৰ।
- এই সুৰংগত যাতায়ত জৰুৰীকালীন সময়ত প্ৰয়োজনীয় হোৱা সকলো ধৰণৰ সুবিধা উপলব্ধ আছে।

জোজিলাঃ এছিয়াৰ দীৰ্ঘতম সুৰংগ পথ

- এছিয়াৰ দীৰ্ঘতম সুৰংগ পথৰ ওপৰত বৰ্তমান কাম আৰম্ভ হৈছে। এই দীৰ্ঘতম সুৰংগ জোজিলা সুৰংগৰ কাম যোৱা বৰ্ষত আৰম্ভ হৈছে। এই সুৰংগৰ নিৰ্মাণৰ পাছত শ্ৰীনগৰ, ড্ৰাছ, কাৰ্গিল আৰু লেহৰ লৈ দেশৰ অন্য প্ৰান্তৰ যোগাযোগ বছৰটোৰ প্ৰতিটো মাহতেই সম্ভৱ হৈ থাকিব।
- এই সুৰংগটো ৩০০০ মিটাৰ উচ্চতাত জোজিলা পাছৰ তলতেই নিৰ্মাণ কৰি থকা হৈছে। এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পাছত যাতায়তৰ সময় ৩ ঘন্টাৰ পৰা লাঘৱ হৈ মাথো ১৫ মিনিট হ'বগৈ। এই সুৰংগটো প্ৰতিৰক্ষাৰ দিশটোৰ পৰাও যথেষ্ট গুৰুত্বপূৰ্ণ। ■

৭ বছৰ
নতুন ভাৰত গঠনৰ দিশত

প্ৰযুক্তিৰ সহায়ত পৰিৱৰ্তন

বগীবিল দলং:

অসমৰ বাবে এক উজ্জ্বল ভৱিষ্যৎ

বগীবিল দলঙৰ নিৰ্মাণে ভাৰতৰ বৰ্ধিত প্ৰযুক্তিগত শক্তিকেই প্ৰতিফলিত কৰিছে। ইয়াৰ লগতে আন্তঃগাঁথনিৰ উন্নয়নে দেশৰ গতিশীল বিকাশৰ কথা সূচনা কৰিছে। দেশৰ প্ৰতিটো প্ৰান্তত এতিয়া এনকুৱা অনেক কাহিনী আছে। পূব-পশ্চিম-উত্তৰ-দক্ষিণ সকলো দিশতেই এই উন্নয়নমূলক কাহিনীবোৰ আছে। অসমৰ বগীবিল দলং দেশৰ ভিতৰতেই দীৰ্ঘতম ৰেল-ঘাইপথ দলং আৰু আনহাতে দক্ষিণৰ পামবান সাগৰ দলঙে তামিলনাডুৰ ৰামেশ্বৰমৰ সৈতে মন্দাপামক সংযুক্ত কৰিব। এই কামবোৰে দেশৰ প্ৰযুক্তিগত শক্তি আৰু পাৰদৰ্শিতা সূচায়।

৪.৯৪

কিঃমিঃ দৈৰ্ঘ্যৰ এই দলঙে ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ মাজৰ দূৰত্ব যথেষ্ট হ্ৰাস কৰিছে। ৫০০ কিঃমিঃৰ পৰা ১০০ কিঃমিঃ দূৰত্বলৈ হ্ৰাস কৰা এই দূৰত্বৰ ফলত পূৰ্বৰ যাতায়তৰ সময় ২৪ ঘন্টাৰ সলনি এতিয়া মাথো এঘন্টালৈ পৰিৱৰ্তিত কৰিছে।

১৯৬৫চনৰ পৰাই এই দলং নিৰ্মাণৰ বাবে দাবী উত্থাপিত হৈ আহিছিল। এই প্ৰকল্পৰ সমাপ্তিৰ বাবে প্ৰায় ৩০ লাখ বেগ চিমেন্টৰ ব্যৱহাৰ হৈছে আৰু ইয়াত ১২৫ মিটাৰৰ ৩৯ গাৰ্ডৰ আছে। ওপৰৰ অংশ ঘাইপথ আৰু তলৰ অংশ ৰেল পথ। ভাৰতীয় ৰেল বিভাগে এই ধৰণৰ নিৰ্মাণ প্ৰথমবাৰৰ বাবে কৰিছে।

৫৯০০

কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীত হোৱা এই ৰেল-ঘাইপথ বগীবিল দলঙৰ তলৰ অংশত দুটা ৰেল পথ আছে আৰু ওপৰৰ অংশত তিনিটাকৈ পথ আছে। এই পথেৰে সামৰিক বাহিনীৰ উচ্চ বহনক্ষমতাৰ গাড়ী চলাচল কৰিব পাৰে।

পাম্বন সাগৰীয় দলং:

তামিলনাডুৰ বিকাশৰ গতি

তামিলনাডুৰ পাম্বন দলঙৰ নিৰ্মাণ চলিব ধৰিছে আৰু এই দলং এই বৰ্ষৰ ডিচেম্বৰ মাহলৈ সম্পূৰ্ণ হৈ যাব। এই দলঙে ১০৫ বছৰীয়া পুৰণি দলং স্থানান্তৰিত কৰিব। স্পেন প্ৰযুক্তিৰে নিৰ্মীত এই ভাৰ্টিকেল লিফ্ট ৰেল সাগৰীয় দলং দেশৰ ভিতৰতেই প্ৰথম...

এই সাগৰীয় দলঙে কেৱল যে ৰেলৰ চলাচল বৃদ্ধি কৰাই নহয়, এই দলং নিৰ্মাণ হৈ উঠাৰ পাছত মালবাহী ৰেলৰ চলাচল অধিক বৃদ্ধি কৰিব। প্ৰতিবছৰে ৰামেশ্বৰম আৰু ধনুসুখদীলৈ লক্ষাধিক পৰ্যটক আহে, এই দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে সেয়া অধিক বৃদ্ধি পোৱাৰ আশা কৰা হৈছে। ■

হাৱাই চেণ্ডেলৰ পৰা হাৱাই জাহাজৰ যাত্ৰা

"যি সাধাৰণ ব্যক্তিয়ে হাৱাই চেণ্ডেল পিন্ধি থাকে, সেই ব্যক্তিজনক উৰা-জাহাজতো দেখিবলৈ পাব লাগে। মোৰ স্বপ্ন এয়াই।"

- এই বাক্যশাৰী হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাধাৰণ জনতাৰ প্ৰতি থকা দায়ৱদ্ধতাৰ স্বৰূপ। আৰু এই স্বপ্ন সম্পূৰ্ণ হোৱাৰ পাছত সাধাৰণ জনতাই আজি মাথো ২৫০০টকা দি বিমান যাত্ৰা কৰিবলৈ সক্ষম হৈছে।
- ভাৰতত টেক্সীৰে যাত্ৰা কৰিলে প্ৰতি কিঃমিঃত ১০টকা পৰিশোধ কৰিব লাগে। কিন্তু উড়ান আঁচনিৰ ফলত সস্তৰ হোৱা বিমান যাত্ৰা কেৱল ৫ টকা প্ৰতি কিঃমিঃ সস্তৰ হৈছে।
- উড়ান আঁচনিৰ অধীনত প্ৰায় এঘন্টাৰ ৫০০ কিঃমিঃৰ যাত্ৰা ফিক্সড-উইং এয়াৰক্ৰাফ্ট আৰু আধা ঘন্টাৰ হেলিকপ্তাৰৰ যাত্ৰা মাত্ৰ ২৫০০টকাত নিৰ্ধাৰণ কৰা হৈছে।
- এই আঁচনিৰ অধীনত এতিয়ালৈ ৫৩ লাখ লোকে মাত্ৰ ২৫০০টকাত উৰা জাহাজৰ যাত্ৰা কৰিছে।
- নতুন পৰিকল্পনা যুগুত কৰা হৈছে যাতে ১০০০ আকাশী পথক সংযোগ কৰি প্ৰায় এক কোটি যাত্ৰীৰ যাতায়তৰ সুবিধা কৰিব পৰা যায়।
- এতিয়া পাঁচখন হেলিকপ্তাৰ, ৫৩টা বিমান বন্দৰ আৰু দুটাকৈ এৰ'ড্ৰ'মৰ সহায়ত ৩০৩ বিমান পথত যাত্ৰা কাৰ্যকৰী হৈ আছে।
- উড়ান আঁচনিৰ অধীনত হেলিকপ্তাৰ আৰু ছীপ্লেন (নদী বিমান) অনা হৈছে। এঘাৰটাকৈ বিমান পৰিচালন গোটে উড়ান আঁচনিৰ অধীনত যাত্ৰীক সস্তীয়া বিমান উৰনৰ সুবিধা কৰি দি আহিছে।
- এই আঁচনিৰ অধীনত আগন্তুক দিনবোৰত ১০০০ নতুন বিমান উৰণৰ পথ আৰু ১০০টাকৈ নতুন বিমান বন্দৰ কাৰ্যক্ষম কৰি তোলা হ'ব।
- বিমানখণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোঁপ কৰি ৩০টাকৈ আৰু নতুন হেলিপোৰ্ট আৰু নদী-বিমানৰ বাবে ১০ টা নতুন এৰ'ড্ৰ'ম নিৰ্মাণৰ কাম চলিব।
- ভাৰতৰ প্ৰথম ছীপ্লেন (নদী বিমান) আহমেদাবাদ আৰু কেভাড়িয়াৰ মাজত যোৱাবৰ্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে। ■

আত্মনিৰ্ভৰশীল ভাৰতৰ দাপোন

ভাৰত হৈছে বিশ্বৰ সৰ্বোত্তম গণতন্ত্ৰ। এই গণতন্ত্ৰৰ মূল মন্দিৰ হৈছে সংসদ ভৱন। এই সংসদ ভৱনতেই দেশৰ ভৱিষ্যৎ নিৰ্ণয় হয়। দেশৰ বৰ্তমানৰ সংসদ ১০০বছৰ পূৰ্বে নিৰ্মাণ কৰা হৈছিল। এই শতবৰ্ষত সংসদ ভৱনৰ একাধিকবাৰ পুনঃনিৰ্মাণ তথা মেৰামতি কৰা হৈছে। এতিয়া এই পুৰণি ভৱনত নতুন প্ৰযুক্তিৰ ব্যৱহাৰ কৰি অধিক সম্প্ৰসাৰণ কৰা সম্ভৱ নহয় তথা ইয়াক উন্নত কৰিবও পৰা নাযায়। এনে এক পৰিস্থিতিত সংসদৰ কাৰ্যক্ৰম সুকলমে সম্পন্ন হোৱাৰ বাবে নতুন সংসদ ভৱন আৰু কেন্দ্ৰীয় ভিষ্টা প্ৰকল্প একবিংশ শতিকাৰ আধুনিক নতুন ভাৰতৰ পৰিচয় হৈ পৰিছে...

- এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ চিন্তাধাৰাক শক্তিশালী কৰি নতুন সংসদ ভৱন নিৰ্মাণ কৰা হৈছে। এই নতুন সংসদ ভৱন ৬৪,৫০০ বৰ্গ কিঃমিঃ এলেকাত বিস্তৃত হৈ থাকিব। চাৰিটা মহল থাকিবলগীয়া এই ভৱন ৯৭১ কোটি টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হ'ব আৰু দেশৰ স্বাধীনতা দিৱসৰ ৭৫সংখ্যক বৰ্ষ মানে আগন্তুক বৰ্ষত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে।
- ত্ৰিকোণীয় এই সংসদ ভৱন দেশৰ সাংস্কৃতিক পৰম্পৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ তৈয়াৰ কৰা হৈছে। তিনি কোণীয় এই ভৱনৰ ভিতৰভাগত বিভিন্ন ৰাজ্যৰ শিল্প-সংস্কৃতিক প্ৰাধান্য দিয়া হ'ব। এই ভৱন সুৰক্ষাৰ দিশটোৰ পৰা অভেদ্য হ'ব আৰু ভূমিকম্প প্ৰতিৰোধ ক্ষমতা থাকিব।
- এই নতুন ভৱনত প্ৰতিগৰাকী সাংসদৰ বাবে কাৰ্যলয় স্থাপন কৰা হ'ব। এই কাৰ্যালয়বোৰ শ্ৰম শক্তি ভৱনৰ কাষত নিৰ্মাণ কৰা হৈছে। সংসদ ভৱনৰ সাংসদসকলৰ কাৰ্যালয়ত সকলো ডিজিটেল সুবিধা আৰু আধুনিক প্ৰযুক্তি থাকিব। এই নতুন সংসদ ভৱনত পুথিভঁৰাল, সমিতি ভৱন আৰু সংবিধান হল থাকিব।



লোকসভা আৰু ৰাজ্যসভা দুয়োটাতেই উচ্চ প্ৰযুক্তিৰ অডিঅ'-ভিদিঅ' সুবিধা থাকিব। প্ৰতিখন টেবুলতেই অত্যাধুনিক প্ৰযুক্তিৰ সুবিধা থাকিব।

- নতুন সংসদ ভৱন নিৰ্মাণৰ পাছতো পুৰণি সংসদ ভৱনৰ ব্যৱহাৰ অব্যাহত থাকিব। দুয়োটা ভৱনেই ইটো-আনটোৰ পৰিপূৰক হিচাপে কাম কৰিব। এই সমগ্ৰ নিৰ্মাণৰ সময়ত পুৰণি ভৱনৰ সংৰক্ষণৰ দিশটোৰ ওপৰতো গুৰুত্ব আৰোঁপ কৰা হৈছে।
- যিদৰে উপনিৱেশ কালৰ নিৰ্মীত শ্বহীদ স্মাৰকৰ সম্মুখত নতুন ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক নিৰ্মাণ কৰা হৈছে তেনেদৰে পুৰণি সংসদ ভৱনৰ সম্মুখতো আত্মনিৰ্ভৰ ভাৰতৰ প্ৰতীক নতুন সংসদ ভৱন নিৰ্মাণ কৰা হ'ব।
- ৰাষ্ট্ৰপতি ভৱনৰ পৰা আৰম্ভ কৰি ৰাজপথলৈ থকা তিনি কিঃমিঃ এলেকাত কেন্দ্ৰীয় ভিষ্টা নিৰ্মাণ হৈ আছে। বৰ্তমানৰ একাধিক কেন্দ্ৰীয় কাৰ্যালয় ১৯৩১ চনৰ পূৰ্বে নিৰ্মীত হোৱা।
- কোনো এক সংস্থা বা প্ৰতিষ্ঠানক অধিক কাৰ্যক্ষম কৰাৰ বাবে তথা কৰ্মচাৰীৰ মাজত সমন্বয়তাৰ বাবে কাৰ্যালয়ৰ গুৰুত্ব সৰ্বাধিক। বৰ্তমানৰ একাধিক কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ কাৰ্যালয়ত সেই সুবিধা নাই। এই কাৰণটোৰ বাবে কেন্দ্ৰীয় ভিষ্টাৰ প্ৰয়োজনীয়তা আছে। নতুন ভৱনৰ প্ৰয়োজনীয়তা আছে।
- পথৰ দুয়ো ফালে থকা চাৰিটা প্ল'টত (এলেকাত) ১০ টা কাৰ্যলয় নিৰ্মাণ কৰা হ'ব। এনে কৰাৰ ফলত সকলো মন্ত্ৰী আৰু কাৰ্যলয়বোৰ একেটা ঠাইত আহিব। অধুনিক প্ৰযুক্তিৰ সমাহাৰ ঘটিৱলগীয়া এই প্ৰকল্পত মেট্ৰ'ৰ পৰা কাৰ্যালয়বোৰলৈ আহিবলৈ সুৰংগ থাকিব।
- এই কেন্দ্ৰীয় ভিষ্টা প্ৰকল্পৰ অধীনত প্ৰধানমন্ত্ৰীৰ বাসভৱন আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ো নতুনকৈ নিৰ্মাণ কৰা হ'ব। ■

অট'ৰিক্সাতকৈও কম মূল্য পৰিশোধ কৰি

মংগল গ্ৰহত আমি উপস্থিত হ'ব পাৰিম

“তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰখনত যদিহে আমাৰ দেশৰ যুৱ প্ৰজন্মৰ অৱদান নাথাকিলেহেঁতেন তেন্তে ভাৰতবৰ্ষ তন্ত্ৰ-মন্ত্ৰৰ দেশ হৈয়েই থাকিলেহেঁতেন। আমাৰ পূৰ্বপুৰুষে সাঁপৰ সৈতে খেলা খেলিছিল কিন্তু আমাৰ নতুন প্ৰজন্মই এতিয়া “মাওচ”ৰ সহায়ত খেলা কৰে।”

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেডিশ্বন স্কুৱেৰত আয়োজিত হোৱা কাৰ্যক্ৰমত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কোৱা এই বাক্যশাৰীয়ে ভাৰতে তথ্য-প্ৰযুক্তিৰ জগতখনত লাভ কৰা সফলতাৰ কথা সূচনা কৰে। তন্ত্ৰ-মন্ত্ৰ বা সাঁপ খেলা আদিৰে ভাৰত সম্পৰ্কত থকা ভুল ধাৰণাবোৰ এতিয়া সলনি হৈছে আৰু বিজ্ঞান-প্ৰযুক্তিত ভাৰতে লাভ কৰা সফলতাই নতুন ভাৰতৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

- কোনোকালে কোনেও চিন্তা কৰিব নোৱাৰা কাম এটা এই দেশত সম্পূৰ্ণ হৈছে। মঙল মিশ্বনত ৪৫০ কোটি টকা খৰচ হৈছে। অৰ্থাৎ মঙল গ্ৰহলৈ পৃথিৱীৰ পৰা থকা দূৰত্বৰ হিচাপত প্ৰতি কিঃমিঃত অট' ৰিক্সাত পৰিবহন কৰা খৰচতকৈও কম খৰচ হৈছে। চৰকাৰৰ সদিচ্ছা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত উন্নয়নে ভাৰতক এতিয়া মহাজাগতিক শক্তি কৰি তুলিছে।
- মহাকাশত কোনো উপগ্ৰহক ধ্বংস কৰিব পৰা প্ৰযুক্তি থকা দেশৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতেই চতুৰ্থ। ২০১৯ চনৰ মাৰ্চ মাহত প্ৰধানমন্ত্ৰীয়ে নিজেই এই কথা ঘোষণা কৰিছে।
- চন্দ্ৰায়ান-২ৰ আংশিক সফলতাৰ পাছত ২০২০চনত চন্দ্ৰায়ান-৩ৰ মঞ্জুৰি দিয়া হৈছে।
- গগণায়ন মিশ্বনৰ কামো পূৰ্ণগতিত চলিব ধৰিছে। এয়া দেশৰ প্ৰথম মানৱ-চালিত মহাকাশ যাত্ৰা হ'ব। এয়া দেশৰ স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তিত উৎপেক্ষন কৰা লক্ষ্য লোৱা হৈছে।
- মহাকাশ অভিযানৰ এই উদ্যোগত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহনৰ অনুমতি দিয়া হৈছে।



ভাৰতে ৩৪খন বিদেশী ৰাষ্ট্ৰত ৩৫৭ টা উপগ্ৰহ স্থাপন কৰিছে।

- ২০২০ বৰ্ষত মহাকাশ গৱেষণা কৰা ভাৰতীয় বিজ্ঞানীয়ে নতুন নক্ষত্ৰমণ্ডল আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছে।
- ২০১৯ চনত ১৩ টা মহাকাশ অভিযান সম্পূৰ্ণ হৈছে, ইয়াৰ ভিতৰত ৭ টা উপগ্ৰহ উৎক্ষেপনো আছে।
- ২০২০বৰ্ষত বিএছএনএলে ছেটেলাইট আধাৰিত ইন্টাৰনেট অৱ থিংছ আৰম্ভ কৰা হৈছে। ইয়াৰ সহায়ত দেশৰ পৰিসীমাৰ অধীনত যিকোনো ঠাইৰ পৰা (সাগৰ সমধিতে) ফোন সেৱা উপলব্ধ হ'ব।

২০২০বৰ্ষত ভাৰতে পিএছএলভি-চি৫০ ৰকেটৰ সহায়ত চিএমএছ-০১ নামৰ ৪২সংখ্যক সঞ্চাৰ উপগ্ৰহ সফলতাৰে উৎক্ষেপন কৰা হয়।

ইছৰ'ই ২০২০চনৰ ২২জানুৱাৰী তাৰিখে বাংগালুৰুত প্ৰথম মহিলা ৰবট(মানুহ সদৃশ) ভ্যোমিত্ৰ মুকলি কৰে।

৭ বছৰ
নতুন ভাৰত গঠনৰ দিশত

৩৪ বছৰৰ পাছত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি

বিশ্বৰ ভিতৰতেই শিক্ষাৰ মহাশক্তি হোৱাৰ দিশত ভাৰতবৰ্ষ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহৰহ এই চিন্তাতেই মগ্ন আছিল যে দেশৰ শিক্ষা পদ্ধতিক কিদৰে অধিক উন্নত কৰিব পৰা যায়। দ্বিতীয়বাৰৰ বাবে কাৰ্যসূচী হাতত লোৱাৰ পাছতেই তেওঁ শিক্ষা নীতিত আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে আৰু নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ত অনুমোদন জনাইছে। ইয়াৰ উপৰি মহামাৰীৰ সময়ত শিক্ষা অব্যাহত আছিল আৰু প্ৰথমবাৰৰ বাবে কাগজৰ ব্যৱহাৰ নোহোৱাকৈ ৰাষ্ট্ৰীয় টেষ্টিং এজেঞ্চীৰ সহায়ত দেশত পৰীক্ষা অনুষ্ঠিত হৈছে...

- দেশৰ শিক্ষা পদ্ধতিত পৰিৱৰ্তন অনাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে ২৯ জুলাই, ২০২০ তাৰিখে ৰাষ্ট্ৰীয় শিক্ষা নীতিত অনুমোদন জনাইছে। এই নীতিয়ে স্কুলীয়া শিক্ষা আৰু উচ্চ শিক্ষাৰ খণ্ডত পৰিৱৰ্তন আনিব।
- কেন্দ্ৰ চৰকাৰে এই নতুন শিক্ষানীতি ৩৪বছৰৰ পাছত আনিছে। এয়া একবিংশ শতিকাৰ প্ৰথম শিক্ষানীতি আৰু দেশৰ স্বাধীনোত্তৰ ইতিহাসত এয়া ১৯৬৮, ১৯৮৬ৰ পাছত তৃতীয় শিক্ষানীতি।
- ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অন্তৰ্গত কেন্দ্ৰ আৰু ৰাজ্যৰ সহযোগত শিক্ষাখণ্ডত দেশৰ জনমূৰি আয়ৰ ৬শতাংশ বিনিয়োগৰ কথা চিন্তা কৰা হৈছে।
- নতুন শিক্ষা নীতিৰ উদ্দেশ্য শিক্ষা সকলো স্তৰৰ লোকৰ শিক্ষাৰ্থীৰ মাজলৈ নিয়া, শিক্ষাৰ্থীক প্ৰয়োজনীয় কৌশল আৰু প্ৰয়োজনীয় শিক্ষাৰ প্ৰশিক্ষণ দিয়া, শিক্ষাৰ্থীৰ সৃজনাত্মক দিশটোক অধিক গুৰুত্ব দিয়া, যুক্তি-তৰ্ক আৰু উদ্ভাৱনক অধিক উৎসাহিত কৰা, ভাষাগত বাধাবোৰ আঁতৰ কৰা, আৰু বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে প্ৰযুক্তিগত শিক্ষা দিয়া আদিবোৰ বিষয়ত গুৰুত্ব দিয়া হ'ব।
- সকলোকে শিক্ষা দিয়াৰ লক্ষ্যৰে কেন্দ্ৰ চৰকাৰে শিক্ষাৰ সময়সীমা ৩বছৰৰ পৰা ১৮ বছৰ কৰি দিছে, পূৰ্বতে এয়া ৬-১৪ আছিল। ইয়াৰ নতুন শিক্ষা নীতিৰ উদ্দেশ্য ২০৩০চনৰ ভিতৰত যুৱ আৰু প্ৰৌঢ় সকলোকে ১০০শতাংশই শিক্ষিত কৰা।
- স্কুলীয়া শিক্ষাত বিশেষ পৰিৱৰ্তন অনা হৈছে। ইয়াৰ অধীনত এতিয়া পূৰ্বৰ ১০+২ শিক্ষা পদ্ধতিৰ সলনি এতিয়া ৫+৩+৩+৪ কৰা হৈছে। শিক্ষাৰ অধিক উন্নয়নৰ বাবে গৱেষণাৰ উদ্দেশ্যৰে ৫০ হাজাৰ কোটি ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেশ্বন স্থাপন কৰা হৈছে। ■

কৰ'নাৰ সময়ত ই-শিক্ষাৰ ওপৰত চৰকাৰে কিদৰে গুৰুত্ব দিছেঃ

দীক্ষাঃ এই এপ্-ত বিভিন্ন ভাষাত ৮০,০০০ ই-বুক উপলব্ধ আছে। চিবিএছই, এনচিআৰটি আৰু ৰাজ্য-কেন্দ্ৰীয় শাসিত এলেকাৰ স্কুল বোৰ্ডৰ পাঠ্য পুথিও উপলব্ধ। প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ এই পাঠ্যপুথিবোৰ উপলব্ধ।

ই-পাঠশালাঃ এনচিআৰটিয়ে ১৮৮৬ আ'ডিঅ', ২০০০ ভিডিঅ', ৬৯৬ ই-বুক আৰু ৫০৪ ফ্লিপ বুক বিভিন্ন ভাষাত উপলব্ধ কৰাইছে।

স্বয়মপ্ৰভাঃ সপ্তাহৰ প্ৰতিদিনে আৰু প্ৰতিমুহূৰ্তত এই সেৱাৰ অন্তৰ্গত ৩২ টা ডিটুএইচ টিভি চেনেলে শিক্ষামূলক অনুষ্ঠান সম্প্ৰচাৰিত কৰি আহিছে। ইন্টাৰনেটৰ সুবিধা নথকাসকলৰ বাবে এয়া লাভান্বিত হৈছে।

নেশ্ব'নেল ৰিপ'ছিট'ৰী অফ অপেন এডুকেশ্বনেল ৰিচৰ্চেছঃ শিক্ষাৰ্থীৰ সহায়ৰ বাবে এই পৰ্টেলত সৰ্বমুঠ ১৪৫২৭ ফাইল আছে। এই ফাইলবোৰ বেলেগ ভাষা আৰু অডিঅ'-ভিডিঅ', ছবি আদিত উপলব্ধ আছে।

সকলো খণ্ডতেই ডিজিটেল সবলীকৰণ

কৰ'না মহামাৰীৰ সময়ত সকলো বৰ্গৰ লোকেই ব্যৱহাৰ কৰা সামগ্ৰীবিধেই হৈছে ডিজিটেল প্ৰযুক্তি। ২০১৫ চনৰ পাছৰ পৰাই কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত একাধিক কাম কৰি আহিছে। এই ক্ষেত্ৰত এক আন্তঃগাঁথনিৰ সৃষ্টিৰ বাবে কৰি থকা প্ৰচেষ্টাই এতিয়া সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এই আন্তঃগাঁথনি এতিয়া অনেকৰ বাবে সহায়ক হৈ পৰিছে। শ্ৰম খণ্ডৰ পৰা আৰম্ভ কৰি প্ৰশাসন, ৰাজনীতি, শিক্ষা, ব্যৱসায় আদি সকলোতে ডিজিটেল বিপ্লৱে সহায় কৰিছে। মুঠৰ ওপৰত ডিজিটেল প্ৰযুক্তিৰ উন্নয়নে দেশত বিপ্লৱৰ সৃষ্টি কৰিছে।

শ্ৰম সংস্কাৰঃ সকলো সংস্কাৰ-সংশোধনৰ মূল আধাৰ

স্বাধীনতাৰ ৭৩বছৰৰ পাছত দেশৰ ৫০ কোটি শ্ৰমিকৰ বাবে চাৰিটা মুখ্য নীতিৰ আধাৰত শ্ৰমিকৰ লাভালাভৰ বাবে শ্ৰমিক আইনত সালসলনি ঘটোৱা হৈছে। ইয়াৰ পূৰ্বে শ্ৰমিক আইনত থকা নীতি-নিয়মবোৰ ইংৰাজৰ যুগতেই নিৰ্ধাৰণ কৰা আছিল গতিকে সেইবোৰ যথেষ্ট মেৰপেচৰ আছিল আৰু যিবোৰে শ্ৰমিক-নিয়োগকৰ্তাৰ বাবে লাভজনক নাছিল। সেই আইন ইমানেই কষ্টকৰ আছিল শ্ৰমিকে একাধিক ফৰ্ম ভৰ্তি কৰিবলৈ বাধ্য হৈছিল। এগৰাকী শ্ৰমিকে কোনো এক সুবিধাৰ পাবলৈ একাধিক কাৰ্যলয় যাবলগীয়া হৈছিল আৰু একেদৰে নিয়োগকৰ্তাও ১৪৫৮ অনুচ্ছেদত বিভক্ত হৈ থকা আইনখন আৰু ৯৩৭ অন্যান্য বিন্দুত সিঁচৰতি হৈ থকা বিভিন্ন বিষয়ক লৈ ব্যস্ত হৈ থাকিবলগীয়া হৈছিল। কিন্তু নতুন শ্ৰমিক নীতিবোৰে নতুন ভাৰতৰ চাহিদা থকা অৰ্থনীতি আৰু বিকাশৰ সহায়ক হ'ব।

ব্যাপক প্ৰভাৱী সংস্কাৰ

২৯	কোটি শ্ৰমিক পৰিয়াল	৫০	কোটি দেশৰ শ্ৰমিক

এতিয়া সকলো শ্ৰম আইনসমূহ চাৰিটা কোডৰ সৈতে সংযুক্ত কৰি দিয়া হৈছে। ইয়াৰ ফলত প্ৰতিজন শ্ৰমিকে নূন্যতম মজুৰী পাবলৈ সক্ষম হৈছে। সকলোকে সামাজিক সুৰক্ষাৰ অধীনলৈ অনা হৈছে আৰু বীমা, পেঞ্চন, গ্ৰেছুইটী, মাতৃত্ব লাভ, কাৰ্যক্ষেত্ৰত মহিলাৰ সুবিধা আদি বিষয়বোৰ সুনিশ্চিত হৈছে।

ইএছআইচি, পেঞ্চন

এতিয়া সকলো ব্যৱস্থা কাগজৰ সলনি অনলাইন পোৰ্টেলৰ জৰিয়তে কৰা হৈছে যাতে সকলোৱে সুবিধা লাভ কৰিব পাৰে।

পৰিয়ালৰ মনোভাৱ

সংগঠিত আৰু অসংগঠিত খণ্ডৰ সকলো শ্ৰমিক-কৰ্মচাৰী আৰু নিয়োগকৰ্তাৰ মাজত পৰিয়াল কেন্দ্ৰীক মনোভাৱ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোঁপ কৰা হৈছে।

শ্ৰম সুবিধা পৰ্টেল

শ্ৰম সুবিধা পৰ্টেলৰ মাধ্যমত উদ্যোগসমূহৰ বাবে কৰ(টেক্স) জমা কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে।

নূন্যতম চৰকাৰ
অধিকতম শাসন

সাধাৰণ নাগৰিকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে প্ৰপত্ৰ পূৰণৰ অসুবিধাসমূহৰ পৰা মক্তি দিয়াৰ মন্ত্ৰৰে তৈয়াৰ কৰা এই মন্ত্ৰত ডিজিটেল মাধ্যম সকলোতকৈ গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে চৰকাৰে বিশেষ কেতবোৰ পদক্ষেপ গ্ৰহণ কৰে...

১৮৪২ | আওপুৰণি আইন বাতিল কৰা হৈছে

বিভাগবোৰ, আঁচনিবোৰ, মন্ত্ৰণালয় আদিবোৰ পুনঃগঠন প্ৰক্ৰিয়াৰ মাধ্যমত কামবোৰ ক্ষীপ্ৰ কৰি তোলা হৈছে। এটা স্তৰৰ তলৰ চাকৰিবোৰত সাক্ষাৎকাৰ প্ৰক্ৰিয়া নাইকীয়া কৰি দিয়া হৈছে। মানপত্ৰ, প্ৰপত্ৰবোৰ, দস্তাৱেজবোৰ বিষয়াৰ দ্বাৰা স্বাক্ষৰ কৰাৰ সলনি সেইবোৰ নিজেই স্বাক্ষৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ডিজিটেল প্ৰক্ৰিয়াই কথাবোৰ সৰল কৰি পেলাইছে।

উংমগ এপ্, ডিজিল'কাৰ আদি সুবিধাবোৰে ৰাইজক সৰল আৰু পাৰদৰ্শী ডিজিটেল ব্যৱস্থা উপলব্ধ কৰোঁৱাইছে।

ৰিফাণ্ডৰ কথাই হওক বা কৰ জমা কৰাৰ কথাই হওক, এতিয়া সকলো ডিজিটেল আৰু দুৰ্নীতিমুক্ত।

প্ৰবাসী মজদুৰঃ
প্ৰবাসী শ্ৰমিকৰ বাবে তথ্য প্ৰস্তুত কৰা হৈছে। শ্ৰমিক আইনতো নতুন নীতি গ্ৰহণ কৰা হৈছে।

০৬
কোটি লোকক প্ৰধানমন্ত্ৰী গ্ৰাম্য ডিজিটেল সাক্ষৰ অভিযানৰ সহায়ত প্ৰশিক্ষণ দিয়া হৈছে।

ডিজিটেল লাইফ চাৰ্টিফিকেশ্বনঃ
অৱসৰৰ পাছত পেঞ্চনৰ বাবে দিয়া লাইফ চাৰ্টিফিকেশ্বনৰ বাবে ডিজিটেল প্ৰমাণপত্ৰৰ ব্যৱস্থা কৰা হৈছে।

উপভোক্তাৰ অধিকাৰ ডিজিটেলঃ
কনজিউমাৰ কমউনিটী, গামা পৰ্টেল, কনফোনেট এপ্-ৰ সহায়ত উপভোক্তাই অভিযোগ দিব পাৰে।

প্ৰতিখন গাঁও অপটিকেল ফাইবাৰৰ জৰিয়তে সংযুক্ত হৈছে

আধুনিক ভাৰতৰ প্ৰগতিৰ কথা এই কথাটোৰ পৰা প্ৰতিফলিত হয় যে প্ৰতিখন গ্ৰামাঞ্চলত এতিয়া ইন্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা চহৰ অঞ্চলতকৈও বেছি আছে। পানীৰ তলেৰে অপটিকেল ফাইবাৰৰ সংযোগ হোৱাৰ বাবে আন্দামান নিকোবৰ দ্বীপপুঞ্জত ইন্টাৰনেটৰ সুবিধা বৃদ্ধি পাইছে। ডিজিটেল সেৱা যেনে টেলি-শিক্ষা, টেলি-স্বাস্থ্য, ই-গভৰ্নেন্স আৰু পৰ্যটন সেৱা এই দ্বীপবোৰত বৃদ্ধি পাইছে। এই কামবোৰত ১২২৪ কোটি ব্যয় হৈছে।

দেশৰ ৬লাখ গ্ৰামাঞ্চলত অপটিকেল ফাইবাৰ লৈ যোৱাৰ পৰিকল্পনা আছে।

১.৫৮ লাখ গাঁও অঞ্চলত অপটিকেল ফাইবাৰ ইতিমধ্যেই নিয়া হৈছে।

৩.৭৪ লাখ উমৈহতীয়া সেৱা কেন্দ্ৰ (চিএছচি)বোৰত চৰকাৰী কামৰ বাবে ডিজিটেল সেৱাৰ সুবিধা আছে। ■



সবকা সাথ, সবকা বিকাশ

চহৰৰ লগতে গ্ৰামাঞ্চলবোৰৰো উন্নয়ন, দৰিদ্ৰসকলৰ বাবে বিশেষ সা-সুবিধা প্ৰদান কৰা, মধ্যম বৰ্গৰ লোকৰ জীৱন সুগম কৰা আৰু কৃষকৰ বাবে কৃষি খণ্ডক অধিক লাভজনক কৰা আদি কামবোৰ সম্পন্ন হৈছে। বৰ্তমানৰ কেন্দ্ৰ চৰকাৰে জীৱনৰ সুগমতা মানে ইজ অফ লিভিঙৰ অধীনত কাম কৰাৰ বাবে সদায় নিজৰ প্ৰতিশ্ৰুতি পালন কৰি আহিছে...

"এয়া মোক ক'বলৈ দিয়া যে মোক যিসকলে জানে তেওঁলোকে মোক ভালকৈ বুজি পায়। মই নিজৰ কাৰণে জীয়াই নাথাকো লগতে মোৰ নিকটসকলৰ বাবেও নহয়। মই ইয়াত আছোঁ একমাত্ৰ সকলোৰে উন্নয়নৰ বাবেহে। মই দৰিদ্ৰতাৰ মাজত জন্ম হৈছোঁ। সেয়েহে দৰিদ্ৰ লোকৰ দুখ উপলব্ধি কৰোঁ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই বাক্যশাৰীয়ে সমাজৰ দৰিদ্ৰজনৰ প্ৰতি থকা তেওঁৰ দায়ৱদ্ধতাৰ কৰা সদৰি কৰে। সমাজৰ সকলোৰে সমউন্নয়নত বিশ্বাস ৰখা প্ৰধানমন্ত্ৰীৰ সেয়েহে কামবোৰতো কথাবোৰ প্ৰতিফলিত হয়। উমৈহতীয়া উন্নয়নৰ লক্ষ্যৰে সকলোৰে লাভ হোৱাকৈ প্ৰণয়ন হোৱা আঁচনিবোৰে গ্ৰামাঞ্চলত আন্তঃগাঁথনিৰ উন্নয়ন কৰা, দৰিদ্ৰ লোকৰ বাবে পকী ঘৰ, শৌচালয় নিৰ্মাণ, এলপিজিৰ সংযোগ দিয়া, জন-ধন-যোজনা, জীৱনৰ সুৰক্ষাৰ বাবে বীমা আঁচনি আৰু নতুন কৰ্মসংস্থাপন সৃষ্টি আদিত কাম কৰিছে। ভাৰতৰ ৮০-৮৫শতাংশ লোক যি ৬ লাখতকৈও অধিক গাঁও অঞ্চলত বাস কৰে তেওঁলোক এতিয়া চৰকাৰৰ উন্নয়নমূলক কামকাজৰ লক্ষ্য হৈ পৰিছে।

সদায় দুখীয়া লোকৰ কল্যাণৰ চিন্তা কৰি

দৰিদ্ৰজনৰ উন্নয়ন চৰকাৰৰ মুখ্য দায়িত্ব হৈ পৰিছেঃ ২০২০ চনৰ মাৰ্চত লকডাউন ঘোষণা হোৱাৰ পাছদিনাখনেই ১.৭৫ লাখ টকাৰ এক বিশেষ পেকেজ সমাজৰ দৰিদ্ৰজনৰ বাবে ঘোষণা কৰা হয়। এই আঁচনিৰ অধীনত ৮০ কোটি লোকক ৫ কেজিকৈ খাদ্য সামগ্ৰী যোগান ধৰা হয়। আনহাতে ২০ কোটি মহিলাই নিজৰ জন-ধন একাউন্টত ৫০০টকা, ৮কোটি ঘৰত বিনামূলীয়া চিলিণ্ডাৰ, ৩ কোটি বৃদ্ধ, বিশেষভাৱে সক্ষম, বিধৱা মহিলাক এক হাজাৰ টকাৰ মাহিলী পেঞ্চন, শ্ৰমিকক ঘৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা আৰু এই শ্ৰমিকৰ কল্যাণৰ বাবে প্ৰতিখন ৰাজ্যলৈ সৰ্বমুঠ ১১ হাজাৰ কোটি টকা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

কোনো ভোকত নাথাকে যেনঃ কৰ'না মহামাৰীৰ সময়ত বিগত বৰ্ষৰ মে'-জুন মাহত ৮০ কোটি লোকে বিনামূলীয়া খাদ্য-সামগ্ৰী লাভ কৰিছিল।

পকী ঘৰঃ প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অন্তৰ্গত ২.১৪ কোটি যোগ্য পৰিয়ালৰ ভিতৰত ১.৯২ কোটিৰ বাবে ঘৰৰ অনুমোদন জনোৱা হৈছে। ইয়াৰ ভিতৰত ১.৩৬ কোটি আৱাসৰ ইতিমধ্যেই নিৰ্মাণ সম্পূৰ্ণ হৈছে। স্বাধীনতাৰ অমৃত মহোৎসৱৰ সমান্তৰালকৈ এই কাৰ্য সম্পূৰ্ণৰূপে সমাধা হৈ যাব বুলি আশা কৰা হৈছে।

উজ্জ্বলা আঁচনিঃ ৮ কোটি দৰিদ্ৰ পৰিয়ালৰে এলপিজিৰ সংযোগ দিয়া হৈছে। দেশত ৰন্ধন গেছৰ যোগান ৯৯.৬ শতাংশ।

দেশত শৌচালয় নিৰ্মাণঃ কেন্দ্ৰ চৰকাৰৰ তৎপৰতাত স্বচ্ছ ভাৰত অভিযানৰ অধীনত ১১কোটি শৌচালয় নিৰ্মাণ কৰা হৈছে।

গৰীৰ কল্যাণ ৰোজগাৰ অভিযানঃ প্ৰবাসী শ্ৰমিকক তেওঁ নিজৰ ঠাইতে কাম দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বীমা আঁচনিঃ কেন্দ্ৰ চৰকাৰে ১২ টকা বাৰ্ষিক প্ৰীমিয়ামত প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু ৩৩০ টকাত প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰম্ভ কৰিছে। ২০২১বৰ্ষৰ ফেব্ৰুৱাৰী পৰ্যন্ত ৩৩ কোটি লোকৰ নাম পঞ্জীয়ন হৈছে।

গ্ৰামাঞ্চলত ইন্টাৰনেটঃ অপটিকেল ফাইবাৰৰ লাইন গ্ৰামাঞ্চললৈ যোৱাৰ বাবেই চহৰাঞ্চলৰ সমান্তৰালকৈ গাঁৱবোৰতো ইন্টাৰনেটৰ সুবিধা সমানেই উপলব্ধ হৈছে। প্ৰতিখন পঞ্চায়তক অপটিকেল ফাইবাৰৰ সৈতে সংযোগ কৰাৰ পৰিকল্পনা চলি আছে।

স্বামিত্ব আঁচনঃ মোৰ সম্পত্তি, মোৰ অধিকাৰ

- এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে নিজৰ অধিকাৰ পাইছে। মাটিৰ মালিকনাৰ দস্তাৱেজ লাভ কৰি প্ৰতিজন নাগৰিক হৈ পৰিছে ভূমিৰ অধিকাৰী।
- প্ৰতিখন গাঁও অঞ্চলত ভূমিৰ তথ্য ডিজিটেল কৰা হৈছে। প্ৰতিটো ভূ-সম্পত্তিৰ ডিজিটেল মেপ তৈয়াৰ কৰাৰ বাবে কাম অব্যাহত আছে। এই বিষয়টোত স্বাধীনতাৰ দিনধৰি গুৰুত্ব দিয়া হোৱা নাছিল।
- ২০২৪ চনৰ এপ্ৰিল মাহ পৰ্যন্ত এই আঁচনিৰ অধীনত ৬.৬২ লাখ গাঁও সামৰি লোৱা হ'ব।

পিএমস্বনিধি আঁচনিঃ স্বনিৰ্ভৰশীলতা আৰু সন্মান দিয়াৰ উদ্দেশ্যৰে পদপথৰ ব্যৱসায়ীৰ বাবে এই আঁচনি ৰূপায়ন কৰা হৈছে। এই আঁচনি ৰূপায়নৰ ফলত পদপথৰ ব্যৱসায়ীৰ যথেষ্ট লাভ হৈছে। ব্যৱসায়ীসকলৰ বাবে এই আঁচনিত ১০ হাজাৰৰ পৰা ৫০ লাখ টকা পৰ্যন্ত ঋণ দিয়াৰ সুবিধা আছে। ইতিমধ্যেই ৪১ লাখ আবেদনকাৰীয়ে পত্ৰ জমা দিছে আৰু ইয়াৰ ভিতৰত ২৪ লাখ আবেদনকাৰীয়ে ঋণ লাভ কৰিছে।

দালালৰ পৰা মুক্তিঃ চৰকাৰৰ পদক্ষেপৰ ফলত দালালৰ দপদপনি বন্ধ হৈছে। কৃষকে এতিয়া নিজৰ মতেই উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব পাৰে।

কৃষকৰ উৎপাদিত সংস্থা(ফাৰ্মাৰ প্ৰডিউচাৰ অৰগেনাইজেশ্বন-এফপিঅ'এছ): দেশৰ ৮৬ শতাংশ ক্ষুদ্ৰ আৰু মজলীয়া খেতিয়কক সহায় কৰাৰ বাবে কাম চলি আছে। এই উদ্দেশ্যত এফপিঅ' স্থাপন কৰা হ'ব। দেশত প্ৰায় ১০ হাজাৰ এনে সংস্থা স্থাপন কৰা হ'ব। ২০২২ৰ ভিতৰত কৃষকৰ আয় বৃদ্ধিৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ■

"

অতীতত গৰীৰ কল্যাণৰ বাবে অনেক কথা কোৱা হৈছে, অনেক প্ৰতিশ্ৰুতি দিয়া হৈছে, কিন্তু এই চৰকাৰৰ দিনত খেতিয়ক আৰু দৰিদ্ৰজনৰ বাবে ইমানবোৰ কাম কৰা হৈছে যে সেয়া নিজৰ মাজতেই অনন্য।

- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।

অন্নদাতাক সন্মান

পিএম কিষাণ সন্মান নিধিঃ এই আঁচনিৰ অধীনত বিগত ১ ফেব্ৰুৱাৰীলৈ কৃষকৰ বেংক একাউন্টত ১ লাখ ১৩ হাজাৰ কোটি জমা কৰা গৈছে।

কৃষাণ ৰেলঃ কৃষি খণ্ডত অধিক লাভ হোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই ভাৰতীয় ৰেল বিভাগে কৃষি ৰেল আৰম্ভ কৰিছে। এতিয়ালৈ ১০০খন কৃষি ৰেল চলি আছে।

নিজৰ উৎপাদনৰ নিজেই মালিকঃ সংসদে অনুমোদন জনোৱা তিনিখনকৈ সংশোধিত কৃষি আইনে কৃষকৰ অধিকাৰ বৃদ্ধি কৰিছে। এতিয়া খেতিয়কে নিজৰ উৎপাদিত সামগ্ৰী যিকোনো মণ্ডীত বিক্ৰী কৰিব পাৰে।

ই-নাম হৈছে কৃষিশস্য উৎপাদকৰ অনলাইন বজাৰঃ

এই পৰ্টেলৰ সহায়ত বিভিন্ন ৰাজ্যত ১.১৩ লাখ কোটি লেনদেন হোৱা দেখা গৈছে। এই অনলাইন পৰ্টেলত ইতিমধ্যেই ১ কোটি ৭০ লাখ খেতিয়কে পঞ্জীয়ন হৈছে।

নূন্যতম সমৰ্থন মূল্যৰ জৰিয়তে কৃষকক সকাহ, শস্য বীমা আঁচনিৰ জৰিয়তে কৃষকক সকাহ। স্বাধীনতাৰ পাছত মৎস্য আঁচনিৰ শুভাৰম্ভণি।

অৰ্থনীতি

স্বনিৰ্ভৰশীলতাৰ দিশত আগবাঢ়ি...

অৰ্থব্যৱস্থা আৰু সমাজৰ ওপৰত নীতি নিৰ্ধাৰণ একমাত্ৰ স্থানীয়, ৰাষ্ট্ৰীয় আৰু বিশ্বস্তৰীয় নীতিবোৰৰ দ্বাৰাহে সম্ভৱ হয়। ভাৰতৰ সমূহীয়া প্ৰগতি আৰু সমৃদ্ধিৰ একমাত্ৰ ডাঙৰ কাৰণটো হৈছে এই দেশৰ আধাসংখ্যক জনসংখ্যা কৰ্মৰত হোৱাৰ বাবে। এনে এক সময়ত যেতিয়া কৰ'না মহামাৰীয়ে আমাক সকলোকে আক্ৰমণ কৰিছিল তেতিয়া দেশৰ নেতৃত্বই জনসাধাৰণক প্ৰথমে নিজৰ জীৱন ৰক্ষাৰ বাবে "জীৱন আছে যদি এই ধৰা আছে" শীৰ্ষক মন্ত্ৰ দিয়াৰ পাছত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি থকাৰ পাছত আত্মনিৰ্ভৰশীলতাৰ মন্ত্ৰ দিছিল আৰু এতিয়া দেশ এই আত্মনিৰ্ভৰশীলতাৰ জয়গান গোৱাৰ লগতে ইয়াক সাকাৰত্মক কৰাৰ বাবে উঠিপৰি লাগিছে...

কৰ'না মহামাৰীৰ সময়ত যেতিয়া সমগ্ৰ বিশ্বক ভয়ংকৰ আৰ্থিক সংকটে গ্ৰাস কৰিছিল তেতিয়া ভাৰতো ইয়াৰ পৰা আঁতৰি থাকিব পৰা নাছিল। বিগত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকত জিডিপিৰ বিকাশৰ হাৰ ঋণাত্মক ২৩.৯ শতাংশ গৈ পাইছিল। এই গতি দেখি অনেক আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সংস্থাই ভাৰতৰ অৰ্থনৈতিক বিপৰ্যয় হোৱা বুলি মন্তব্য কৰিছিল। কিন্তু এনেকুৱা দুৰ্যোগপূৰ্ণ সময়তো এয়া একমাত্ৰ নেতৃত্বৰ বিশ্বাস আৰু সিদ্ধান্তৰ ফলতেই তৃতীয়টো ত্ৰিমাসিকত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ পুনৰ ধনাত্মক হৈ পৰিল। সেইসময়ত ভাৰত বিশ্বৰ একমাত্ৰ দ্বিতীয় দেশ আছিল যি দেশৰ জিডিপি ধনাত্মক আছিল। কেৱল সেয়াই নহয়, যিবোৰ সংস্থাই ভাৰতৰ অৰ্থনৈতিক বিপৰ্যয়ৰ কথা আলোচনা কৰি আছিল, সেই সংস্থাবোৰেও পুনৰবাৰ সংশোধিত পৰিসংখ্যা প্ৰকাশ কৰি ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ দ্বৈত অংকত আগবঢ়াৰ কথা কয়।

আত্মনিৰ্ভৰ ভাৰত পেকেজে দিলে নতুন পথঃ

লকডাউনৰ সময়ত ভাৰতীয় অৰ্থনীতিক সহায় কৰাৰ বাবে "আত্মনিৰ্ভৰ ভাৰত" পেকেজ ঘোষণা কৰা হয়।

২৯.৮৭

লাখ কোটি টকা তিনিটা পৰ্যায়ত ঘোষণা

এই পেকেজত উদ্যোগখণ্ডৰ লগতে জনতা, দৰিদ্ৰজন, কৃষক, প্ৰবাসী শ্ৰমিক, এমএছএমইবোৰ আছিল।

১৫ শতাংশ

দিয়া হৈছিল ভাৰতীয় জিডিপিৰ পৰা, এই পৰিমাণে দেশক ৰক্ষা কৰাই নহয়, স্বনিৰ্ভৰশীলতাৰ বাট দেখুৱাই।

চতুৰ্থ উদ্যোগিক বিপ্লৱৰ নেতৃত্ব

লোৱাৰ দিশত ভাৰত

আৰ্টিফিচিয়েল ইন্টিলিজেন্স(কৃত্ৰিম বুদ্ধিমত্তা), মেশ্বিন লাৰ্নি, ইন্টাৰনেট অৱ থিংছ, ব্লোকচেইন আৰু বিগ ডাটা আদিবোৰে ভাৰতত উচ্চতাৰ নতুন শিখৰলৈ নিয়াৰ ক্ষমতা আছে। বৰ্তমান সময়ত প্ৰযুক্তিয়েই হৈছে একমাত্ৰ সাধন যাৰ জৰিয়তে বিকাশৰ উৰ্ধতম সীমালৈ যাব পাৰি। আৰু ইয়াৰ মাধ্যমতেই ভাৰতে আগন্তুক দিনবোৰত আত্মনিৰ্ভৰশীলতাৰ স্বপ্নক পূৰ্ণতা দিব পাৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুসৰি, "বিশ্বত প্ৰথম আৰু দ্বিতীয় ঔদ্যোগিক বিপ্লৱ হৈছিল তেতিয়া ভাৰত স্বাধীন হোৱা নাছিল। কিন্তু যেতিয়া তৃতীয় ঔদ্যোগিক বিপ্লৱ হৈছিল তেতিয়া স্বাধীনতাৰ পাছৰ সমস্যাৰ সৈতে ভাৰতে যুঁজ দি আছিল। এতিয়া ভাৰত সম্পূৰ্ণৰূপে সাজু হৈ পৰিছে। এতিয়া দেশৰ ৫০ শতাংশ জনসংখ্যা ২৭ বছৰৰ তলৰ, গতিকে চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ বাবে ভাৰত প্ৰস্তুত আৰু এই বিপ্লৱত ভাৰতে গুৰুত্বপূৰ্ণ পদক্ষেপো গ্ৰহণ কৰিব।"

৯৩ শতাংশ

দূৰসংযোগৰ ঘনত্ব বৃদ্ধি পাইছে। ৫০ কোটিৰো অধিক ভাৰতীয়ৰ হাতত মোবাইল ফোন।

বিশ্বৰ সৰ্বাধিক মোবাইল ইন্টাৰনেট ব্যৱহাৰ কৰা দেশ হৈছে ভাৰত। ইন্টাৰনেট মূল্যও কম। বিগত ৪বছৰত মোবাইল ডাটা ব্যৱহাৰকাৰীৰ সংখ্যা ৩০ গুণলৈ বৃদ্ধি।

১২০ কোটি ভাৰতীয় আধাৰ আছে।

এনে পৰিস্থিতিত ভাৰত এতিয়া চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে।

১.৫৮ লাখ

গ্ৰাম পঞ্চায়তলৈ অপটিকেল ফাইবাৰ লৈ যোৱা হৈছে। ২০১৪ত এয়া কেৱল ৫৯ টা গ্ৰাম পঞ্চায়ত আছিল।

উদ্ভাৱনৰ দিশতো ভাৰত যথেষ্ট আগবাঢ়ি গৈছে। গ্লোবেল ইন'ভেশ্বন ইণ্ডেক্সত ভাৰতৰ স্থান ৫২সংখ্যক হৈছে। ৭বছৰত এয়া ক্ৰমাগতভাৱে উন্নত হৈ আহিছে।

জিএছটি

কৰ প্ৰথাত বিশেষ সংশোধন আনি এক দেশ-এক টেক্স ব্যৱস্থাৰ মাধ্যমত বস্তু আৰু সেৱা কৰে (গুডচ এণ্ড চাৰ্ভিছেচ টেক্স) দেশৰ অৰ্থনীতিক এক নতুন মাত্ৰা দিছে। উদ্যোগবোৰ আৰু ব্যৱসায়ীসকল বিভিন্ন কৰৰ পৰা মুক্ত হোৱাৰ লগতে ব্যৱসায়-বাণিজ্যত লোকচানৰ পৰাও মুক্ত হৈছে।

২০২১ বৰ্ষৰ এপ্ৰিললৈ ১.৪১ লাখ কোটি বা মাৰ্চত ১.২৩ লাখ কোটি টকা জিএছটি সংগ্ৰহ হৈছে। ১লাখ কোটিৰো অধিক জিএছটি সংগ্ৰহ হোৱাৰ ক্ষেত্ৰত এয়া ক্ৰমাগত ৭ মাহৰ বাবে হৈছে।

নিষ্ঠাবান কৰদাতাক সন্মান জনাই ফেচলেচ এছেচমেন্টৰ ব্যৱস্থা কৰা হৈছে। বিবাদ ছে বিশ্বাস আঁচনিৰ মাধ্যমত বিবাদিত কৰ সংগ্ৰহৰ বিষয়বোৰ নিস্পত্তি কৰাৰ ব্যৱস্থা কৰা হৈছে।

এমএছএমইৰ পৰিভাষা সলনি হৈছেঃ

বিশ্বৰ দেশসমূহ যেতিয়াই অৰ্থনৈতিক সংকটত পৰিছে তেতিয়াই ভাৰত এই সংকটত পৰা নাছিল কিয়নো ভাৰতৰ কৃষি খণ্ড আৰু মজলীয়া, লঘু উদ্যোগবোৰ ভাৰতীয় অৰ্থব্যৱস্থাৰ ভেটি হৈ আহিছে গতিকে এই ঔদ্যোগখণ্ড বা কৃষি খণ্ডই দেশৰ অৰ্থনীতিক সহায় কৰি আহিছে। অৰ্থনীতিত ২৯শতাংশ অংশীদাৰিত্ব থকা এমএছএমইৰ পৰিভাষা সলনি হৈ যাব। জিডিপিত ইয়াৰ অংশ ৫০শতাংশলৈ বৃদ্ধি কৰা হৈছে।

চৰকাৰী বেংকৰ একত্ৰীকৰণঃ

যিসমূহ বেংক দুৰ্বল পৰিস্থিতিৰ সৈতে যুঁজ দি আছে বা বেয়া ঋণৰ সৈতে মোকাবিলা কৰি আছিল তেনেসমূহ বেংকক চিনাক্ত কৰি ২৭টা বেংকক একত্ৰিত কৰি ১২ টা বেংক কৰা হয়। ২০১৮চনৰ মাৰ্চ মাহত এনপিএ ১১.৫ শতাংশৰ পৰা নামি ২০১৯ত ৯.৩ শতাংশ আৰু ২০২০ৰ মাৰ্চত এয়া ৮.৫ শতাংশলৈ হ্ৰাস পাইছে।

উদ্যোগৰ বাবে প্ৰথমবাৰৰ বাবে পিএলআইঃ

এতিয়ালৈ কেৱল চৰকাৰেহে ঔদ্যোগখণ্ডক সাহাৰ্যযুক্ত ঋণ, বিদ্যুৎ, পানী আদি যোগান ধৰি আহিছে। কিন্তু প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে উৎপাদন খণ্ডত ভাল ফলাফল দেখুওৱা উদ্যোগবোৰৰ ১৩ টা খণ্ডৰ উদ্যোগৰ বাবে উদ্দীপক সংযুক্ত পেকেজ ঘোষণা কৰিছে। ১.৯৭ লাখ কোটি টকাৰ পিএলআই(উৎপাদকৰ সৈতে জড়িত হৈ থকা উদ্দীপক-প্ৰডাকশ্বন লিংকড ইনচেনটিভ) জৰিয়তে আগন্তুক পাঁচ বছৰত ৫০০ বিলিয়ন উৎপাদনক্ষম উদ্যোগ আৰু ১কোটি কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব।

ডিবিটি আৰু ডিজিটেল অৰ্থনীতিয়ে নতুন দিশৰ সূচনা কৰিছে...

৫৪ মন্ত্ৰণালয়ৰ ৩১৮খন আঁচনিৰ অধীনত হিতাধিকাৰীক ধন ডিবিটিৰ মাধ্যমত পোনপটীয়াকৈ একাউন্টত দিয়া হৈছে।

১৫.১৬

লাখ কোটি টকা ডিবিটিৰ মাধ্যমত পোনপটীয়াকৈ বেংক একাউন্টলৈ পঠোৱা হৈছে। ডিবিটিৰ মাধ্যমত ১.৭৮ লাখ কোটি টকাৰ সঞ্চয় হৈছে।

আয়কৰ দিয়া লোকৰ সংখ্যা ২.৫ কোটিলৈ বৃদ্ধি পাইছে।

আজিৰ তাৰিখত ভাৰতত ১২০কোটি লোকৰ হাতত আধাৰ কাৰ্ড আছে। আধাৰৰ মাধ্যমত পোনপটীয়াকৈ সুবিধা দিয়া (ডাইৰেক্ট বেনেফিট ট্ৰান্সফাৰ-ডিবিটি) চৰকাৰী আঁচনিবোৰৰ মূল আধাৰ হৈ পৰিছে।

বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত চৰকাৰে নিয়মবোৰ শিথিল কৰিছে। প্ৰতিৰক্ষা, বীমা আৰু ৰেল খণ্ডত বৈদেশিক বিনিয়োগৰ অনুমোদন জনোৱা হৈছে। এই কাৰ্যই নতুন চাকৰি সৃষ্টি কৰাৰ লগতে উৎপাদনো বৃদ্ধি কৰিব।

হিতাধিকাৰীসকলে তেওঁলোকৰ বেংক একাউন্টত ডিবিটিৰ মাধ্যমত পোনপটীয়াকৈ ধন লাভ কৰে। দুৰ্নীতি প্ৰতিৰোধৰ ক্ষেত্ৰত এয়া কেন্দ্ৰ চৰকাৰে লোৱা এক ডাঙৰ পদক্ষেপ হিচাপে বিবেচিত হৈছে। এতিয়া চৰকাৰী ধন পোনপটীয়াকৈ হিতাধিকাৰীয়ে লাভ কৰে।

৪১ কোটি

জন-ধন

বেংক একাউন্ট ভৰছৰত খোলা হৈছে

৬৪ শতাংশ

একাউন্ট গ্ৰাম্য এলেকাত খোলা হৈছে। ইয়াৰে ৫৫ শতাংশ একাউন্ট মহিলাৰ।

১,৪৫,০০০ কোটি

এতিয়ালৈ জমা হৈ আছে

২৫,০০০ কোটি টকাৰ অধিক

সাহাৰ্য দিয়া হৈছে ষ্টেণ্ড আপ ইণ্ডিয়া আঁচনিৰ অধীনত

২৮ কোটিতকৈও অধিক

ঋণ মঞ্জুৰ কৰা হৈছে মুদ্ৰা আঁচনিৰ অধীনত

জন-ধন আঁচনিৰ অধীনত এতিয়া প্ৰতিটো ঘৰৰ এজন সদস্যৰ মাজত এটাকৈ বেংক একাউন্ট

- ২০২০ৰ এপ্ৰিলৰ পৰা ২০২১ৰ জানুৱাৰীলৈ ৭২.১২ বিলিয়ন বৈদেশিক বিনিয়োগ হৈছে। এতিয়ালৈ এয়া সৰ্বাধিক।
- কেশ্বলেছ অৰ্থনীতি এতিয়া সময়ৰ আহ্বান। সেয়েহে চৰকাৰে নগদ ধনবিহীন অৰ্থনীতিৰ প্ৰচলনত অধিক গুৰুত্ব দিছে।
- ভীম এপ্-ৰ সৈতে ১৭০ টা বেংক সংযুক্ত হৈ আছে। ২৪ ঘন্টাই সেৱা আগবঢ়াই আহিছে।
- ডিজিটেল পেমেন্টক উৎসাহ দিয়াৰ বাবে বাজেটত ১৫০০ কোটি টকা ধাৰ্য কৰা হৈছে। ভাৰতে ২০২০বৰ্ষটোত ডিজিটেল লেনদেনৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীন দেশক অতিক্ৰম কৰিছে।
- ২০১৬চনৰ আগষ্টৰ পৰা ২০২১ৰ মাৰ্চ মাহলৈ ৪ ট্ৰিলিয়ন লেনদেন হৈছে।

বাজেট অধিৱেশনৰ পাছত বাজেটৰ অংশীদাৰৰ সৈতে পোনপটীয়া আলোচনাঃ

সাধাৰণ বাজেট প্ৰতিবছৰেই আহে, কিন্তু প্ৰথমবাৰৰ বাবে এনে এক পদক্ষেপ গ্ৰহণ কৰা হৈছে যি পদক্ষেপৰ অধীনত বাজেট কাৰ্যকৰীকৰণৰ বাবে বাজেট ৰূপায়নৰ ৯টা খণ্ডৰ অংশীদাৰসকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই বাৰ্তালাপত মিলিত হয়। এই পদক্ষেপে সাধাৰণ নাগৰিক আৰু ঔদ্যোগখণ্ডৰ সৈতে জড়িত ব্যক্তিসকলৰ মাজত সমন্বয়ৰ কাম কৰিছে। আৰু লগতে ভাৰতক স্বনিৰ্ভৰশীল কৰাৰ লগতে অৰ্থনীতিক ৫ ট্ৰিলিয়ন কৰাৰ লক্ষ্যত উপনীত হ'ব পাৰিব। ■

নতুন প্ৰযুক্তিৰ সহায়ত উৎপাদন কৰা হ'ব ইউৰিয়া

প্ৰযুক্তিগত কৌশলবোৰৰ মাধ্যমত আৰু উদ্ভাৱনী চিন্তাক অধিক গুৰুত্ব দিয়াৰ লক্ষ্যৰে কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলে নতুন প্ৰযুক্তিৰে ইউৰিয়া উৎপাদন কৰাৰ বাবে উদ্ভাৱন কৰা পদ্ধতিত অনুমোদন জনাইছে। দেশত প্ৰথমবাৰৰ বাবে কয়লাৰ পৰা গেছ আৰু গেছৰ পৰা ইউৰিয়া উৎপাদন প্ৰস্তুতিৰ পদ্ধতিয়ে আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ দিশত দেশ আগবাঢ়িছে। এই পদ্ধতিয়ে দেশত সাৰ উৎপাদনৰ ক্ষেত্ৰত নতুন প্ৰযুক্তি আৰু সুৰক্ষাৰ দিশটোত নতুন অধ্যায় লিখিছে। ইয়াৰ লগতে, কেবিনেটে বাংগালুৰু মেট্ৰ' ৰেল প্ৰকল্প আৰু বিত্তীয় বিধেয়কত সংশোধন আনিছে...

সিদ্ধান্তঃ সাৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা পোৱাৰ দিশত আগবঢ়াৰ বাবেই টালচেৰ সাৰ লিমিটেডৰ কয়লাৰ পৰা গেছ উৎপাদনৰ মাধ্যমত সাৰ উৎপাদনৰ বাবে লোৱা প্ৰস্তাৱত কেবিনেটে অনুমোদন জনাইছে।

লাভালাভঃ এই প্ৰস্তাৱিত টিএফএল ইউৰিয়া প্ৰকল্পৰ ব্যয় ১৩,২৭৭.২১ কোটি।

- মেক ইন ইণ্ডিয়া আৰু আত্মনিৰ্ভৰশীল অভিযানক আগবঢ়াই নিব।
- এই প্ৰকল্পই সাৰৰ উৎপাদন বৃদ্ধি কৰি কৃষকক সহায় কৰিব। বিশেষত পূব ভাৰতৰ বাবে এয়া লাভজনক হৈ পৰিব।
- ১২.৭ মেট্ৰিক টন পৰ্যন্ত ইউৰিয়া আমদানিৰ পৰিমাণ হ্ৰাস কৰিব আৰু দেশৰ ধন বিদেশলৈ যোৱাৰ পৰা ৰক্ষা পৰিব।

সিদ্ধান্তঃ বাংগালুৰু মেট্ৰ' ৰেল প্ৰকল্প দ্বিতীয় পৰ্যায় ২এত অনুমোদন জনোৱা হৈছে। এই প্ৰকল্পই বাংগালুৰুত চহৰাঞ্চলৰ যাতায়তৰ দিশটো উন্নত কৰিব। বাংগালুৰু চহৰত হোৱা অবাধ চহৰীকৰণ, নিৰ্মাণ কাৰ্য, ব্যক্তিগত বাহনৰ বৃদ্ধি আদিৰ পৰা ৰক্ষা পোৱাৰ বাবে এই প্ৰকল্প অতি গুৰুত্বপূৰ্ণ।

লাভালাভঃ ফেজ ২এই বাংগালুৰুৰ চেন্ট্ৰেল চিল্ক বোৰ্ড জংচনক কেআৰ পুৰমৰ সৈতে সংযোগ কৰিব আৰু ২বিয়ে কেআৰ পুৰমক বিমান বন্দৰৰ সৈতে হেব্বল জংচন হৈ সংযোগ কৰিব।

- এই প্ৰকল্পৰ দৈৰ্ঘ্যতা হৈছে ৫৮.১৯ কিঃমিঃ। এই প্ৰকল্প সম্পূৰ্ণৰূপে সমাপ্ত হোৱালৈ ১৪,৭৮৮কোটি খৰচ হ'ব।
- এই প্ৰকল্পই বাংগালুৰু চহৰক সকাহ দিব। নগৰ যাতায়তৰ ক্ষীপ্ৰতাৰ ক্ষেত্ৰত এই প্ৰকল্পই পৰিৱৰ্তন আনিব।

সিদ্ধান্তঃ কৰ দিয়া ব্যক্তিসকলৰ ওজৰ আপত্তিৰ সমাধানৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোঁপ কৰি বিত্ত বিধেয়ক ২০২১ত সংশোধনৰ বাবে অনুমোদন দিয়া হৈছে।

প্ৰভাৱ-লাভালাভঃ বিত্ত বিধেয়ক, ২০২১ৰ সংশোধন কৰ প্ৰস্তাৱ হয়, ইয়ে চৰকাৰৰ ৰাজহ বৃদ্ধি কৰাৰ লগতে বৰ্তমানৰ প্ৰচলিত ব্যৱস্থাক পদ্ধতিগত কৰিব।

- বিত্ত বিধেয়কত প্ৰস্তাৱ কৰা হোৱা সংশোধনীবোৰে হিতাধিকাৰীৰ অভাৱ-অভিযোগবোৰ দূৰ কৰাৰ লগতে কৰ প্ৰস্তাৱবোৰ অধিক স্পষ্ট আৰু যুক্তিসংগত কৰিব।
- সকলো কৰদাতাৰ অসুবিধা আৰু চিন্তাবোৰ দূৰ কৰি সমান আৰু সমভাৱাপন্ন পৰিৱেশ সৃষ্টিৰ ওপৰত গুৰুত্ব দিয়া হ'ব। ●

প্ৰতিৰক্ষা খণ্ডৰ ছৱি সলনি কৰি...

॥ मरमानम मांड वडिच्चेलव् तेट्रम येना नानो येमम पडईक्कु ॥

অৰ্থাৎ শৌৰ্য, সন্মান, মৰ্যদাপূৰ্ণ ব্যৱহাৰৰ পৰম্পৰা আৰু বিশ্বাসযোগ্যতা- এই চাৰিটা গুণ যিকোনো দেশৰ সেনাবাহিনীৰ প্ৰতিবিম্ব হয়।

শতিকাৰ পূৰ্বে সন্ত-মহন্ত থিৰুবল্লুবৰে কোৱা এই পথতেই ভাৰতীয় সেনা আগবাঢ়ি গৈছে। ক্ষমতা থকাৰ পাছতো ভাৰতীয় সেনা বাহিনীৰ ক্ষমতা বৃদ্ধিৰ বাবে তথা আধুনিকৰণৰ বাবে বিশেষ পদক্ষপ গ্ৰহণ কৰা হোৱা নাছিল, কিন্তু এতিয় নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আন্তঃগাঁথনিত তীব্ৰ গতি প্ৰদান কৰি, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰৰ মাধ্যমত প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশত ভাৰত আগবাঢ়িছে...

৪৮,০০০ কোটি ব্যয়ৰে দেশীয় নিৰ্মীত তেজাচ যুদ্ধ বিমান ক্ৰয় কৰাৰ বাবে অনুমোদন। বায়ুসেনাক শক্তিশালী কৰাৰ বাবে ফ্ৰান্সৰ পৰা ৩৬খন ৰাফেল যুদ্ধ বিমান ক্ৰয়। **২৫** খন দেশৰ তালিকাত ভাৰত। এই দেশবোৰ হৈছে অস্ত্ৰ-শস্ত্ৰৰ বিক্ৰেতা তথা ৰপ্তানী কৰা দেশ।

ভাৰতত ইমানদিনে প্ৰতিৰক্ষা বিভাগৰ ছৱিখন এনেভাৱে প্ৰতিষ্ঠিত হৈ আহিছিল যে এই বিভাগটো বিশাল আৰু ইয়াক সংশোধন কৰাটো কষ্টসাধ্য আৰু লগতে এই বিভাগটোৰ কামকাজ শামুকীয় গতিত হয়। এই বিভাগটোৰ হাততেই দেশৰ প্ৰতিৰক্ষাৰ দায়িত্ব থকাৰ লগতে প্ৰায় ১৫ লাখ বিশাল সৈন্যবাহিনীৰ (নৌসেনা, বায়ুসেনা আৰু স্থলসেনা) দায়িত্বও আছে। এই সেনা মন্ত্ৰণালয়ক আকৌ প্ৰতিবছৰে বাজেটৰ মাধ্যমত সৰ্বাধিক ধন দিয়া হয়। গতিকে এনে সময়ত ২০১৪ চনত চৰকাৰ গঠন কৰা নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনৰ সম্মুখত প্ৰত্যাহ্বান অনেক আছিল। দশক দশক ধৰি যি বিভাগে শক্তি আৰু সামৰ্থৰ প্ৰতি গুৰুত্ব দিয়া নাছিল সেই বিভাগত পৰিৱৰ্তন অহাৰ প্ৰয়োজনীয়তা আছিল। ফলশ্ৰুতিত কেন্দ্ৰ চৰকাৰে প্ৰতিৰক্ষা খণ্ডত উৎপাদনৰ চিন্তাৰে মেক ইন ইণ্ডিয়াৰ আৰম্ভণি কৰে আৰু সেনাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ নিৰ্মাণ কৰি আত্মনিৰ্ভৰশীলতাৰ পৰিবৰ্তনত ইমান বেছি গুৰুত্ব দিয়ে এতিয়া শত্ৰু ৰাষ্ট্ৰই ভাৰতৰ প্ৰতি চকু দিবলৈ ভয় কৰা হৈছে।

স্বদেশীৰ দিশত প্ৰতিৰক্ষা বিভাগৰ ক্ৰয় নীতি

দেশৰ প্ৰতিৰক্ষা বিভাগৰ বাবে অস্ত্ৰ-শস্ত্ৰ কিনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা হোৱা প্ৰতিৰক্ষা ক্ৰয় নীতি, ২০১৬ এক উল্লেখনীয় পদক্ষেপ আছিল। চৰকাৰে গ্ৰহণ কৰা এই নীতিয়ে দেশত প্ৰতিৰক্ষা খণ্ডত উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব দিছে। এই নতুন নীতিয়ে দেশৰ কোম্পানীবোৰক অধিক প্ৰাধান্য দিছে। বিশেষত যিবোৰ দেশীয় কোম্পানীয়ে স্থানীয় আৰ্হি প্ৰস্তুতিকৰণৰে প্ৰতিৰক্ষাৰ সামগ্ৰী প্ৰস্তুত কৰিছে তেনে কোম্পানীক প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ

প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ কুচকাৱাজ



২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটত প্ৰতিৰক্ষা বিভাগৰ আধুনিকৰণ তথা এই বাহিনীক অধিক ক্ষমতাশালী কৰাৰ উদ্দেশ্যৰে ১৮.৭৫ শতাংশ পুঁজি বৃদ্ধি কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ তিনিওটা বাহিনীক প্ৰতিৰক্ষা সম্বন্ধীয় সামগ্ৰী ক্ৰয়ৰ বাবে ৫০০ কোটি টকা পৰ্যন্ত ধনৰাশিৰ মঞ্জুৰি দিয়া হৈছে।

সীমান্তত কটকটীয়া ব্যৱস্থা

২০০৮-২০১৪	
৩৬০০	৭২৭০
কিঃমিঃ পথ	দলং নিৰ্মাণ
২০১৪-২০২০	
৪৭০০	১৪,৯৫৩
কিঃমিঃ পথ	দলং নিৰ্মাণ

সেনাবাহিনীক ক্ৰয় কৰাৰ ক্ষমতা প্ৰদান

ৰাছিয়াৰ পৰা এছ-৪০০ এয়াৰ ডিফেন্স ছিষ্টেম এই বৰ্ষত দেশে পাব। কালাছিনিক'ভ একে-২০৩ ৰাইফল এতিয়া দেশতেই নিৰ্মাণ কৰা হ'ব। ইয়াৰ উপৰি নৌসেনা বিভাগৰ বাবে ছাবমেৰিন নিৰ্মাণ আৰু স্থল সেনা বিশেষ প্ৰযুক্তিৰ টেংক নিৰ্মাণ ভাৰততেই কৰাৰ প্ৰস্তুতি ইতিমধ্যেই সম্পূৰ্ণ হৈছে।



চিডিএছ নামৰ পদ সৃষ্টি

সেনাবাহিনীৰ মাজত উৎকৃষ্ট সমন্বয় স্থাপনৰ বাবে দাবী উত্থাপিত হৈ থকা চীফ অফ ডিফেন্স ষ্টাফ শীৰ্ষক পদবীটো মানি লোৱা হৈছে আৰু এই পদবীত জেনেৰেল বিপিন ৰাওতক নিযুক্ত কৰা হৈছে।

সন্ত্ৰাসবাদৰ নিৰ্মূলীকৰণ

৩৭০ অনুচ্ছেদৰ বিলুপ্তিকৰণৰ পাছত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ যথেষ্ট হ্ৰাস পাইছে।

ইউপিএৰ শক্তিশালীকৰণঃ সন্ত্ৰাসবাদক সম্পূৰ্ণৰূপে নাইকীয়া কৰাৰ বাবে আইন সংশোধন কৰি ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাক (নিয়া) অধিক অধিকাৰ দিয়া হৈছে। বেআইনী গতিবিধি (প্ৰতিৰোধ) অধিনিয়মকো (ইউএপিএ) অধিক সংশোধন কৰি কটকটীয়া কৰা হৈছে।

ডিআৰডিআ'ৰ বাজেটি বৃদ্ধিঃ ডিআৰডিআ'ৰ বাজেট মঞ্জুৰি এই বৰ্ষত ৮ শতাংশলৈ বৃদ্ধি কৰা হৈছে। প্ৰতিৰক্ষা ক্ষেত্ৰত গৱেষণা বৃদ্ধি কৰাৰ বাবেই এনে কৰা হৈছে।

তিনিওটা বিভাগৰ বাবে সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া কথাটো এই নীতিয়ে স্পষ্ট কৰিছে। আগন্তুক পাঁচ বছৰত ৪ লাখ কোটি টকাৰ প্ৰতিৰক্ষা সম্বন্ধীয় সামগ্ৰী ক্ৰয় কৰাৰ ক্ষমতা সেনা বিভাগক দিয়া হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ আগন্তুক পদক্ষেপ এয়াই আছিল যে তিনিওটা সেনাবাহিনীৰ মহত্বপূৰ্ণ যোজনাবোৰৰ চিনাক্তকৰণ কৰা যিবোৰৰ বাবে পুঁজি তৎক্ষণিকভাৱে আৱন্টিত কৰিব পৰা যায় আৰু সেয়া কাৰ্যকৰী কৰিব পৰা যায়। ইয়াৰ ফলত ৫০ হাজাৰ বুলেটপ্ৰুফ জেকেট কিনা কামটো ক্ষীপ্ৰতাৰে সম্পন্ন কৰা হ'ল কিয়নো সন্ত্ৰাসবাদী আৰু অবৈধভাৱে সোমোৱা আকংকবাদীক প্ৰতিৰোধ কৰাৰ বাবে নিয়োজিত সেনা বাহিনীৰ জোৱানৰ হাতত বুলেটপ্ৰুফ জেকেটৰ সংখ্যা কম আছিল। ইয়াৰ উপৰি সেনাই ব্যৱহাৰ কৰা (শত্ৰুৰ বুলেটৰ পৰা ৰক্ষা পোৱাৰ বাবে) হেলমেটৰ সংখ্যা কম আছিল। দুই দশকো অধিক সময়ৰ বাবে থকা এই অভাৱ দূৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হয়। প্ৰায় ১৮০ কোটি টকা এক লেনদেনৰ মাধ্যমত কানপুৰৰ কোম্পানী এমকিউ ইণ্ডাষ্ট্ৰীক ১.৫৮ লাখ হেলমেট নিৰ্মাণৰ কাম অৰ্পন কৰা হয়।

২০১৬ চনৰ ছেপ্তেম্বৰ মাহত পাকিস্তানত ছাৰ্জিকেল ষ্ট্ৰাইক কৰাৰ পাছত প্ৰতিৱেশী ৰাষ্ট্ৰখনৰ পৰা হ'ব পৰা যিকোনো ধৰণৰ আক্ৰমণৰ মোকাবিলা কৰিবলৈ প্ৰস্তুত কৰাৰ বাবে সেনাবাহিনীৰ তিনিওটা বিভাগক পদক্ষেপ গ্ৰহণৰ বাবে মন্ত্ৰীমণ্ডলৰ অনুমোদনক্ৰমে ২০হাজাৰ কোটি টকাৰ ধনৰাশি প্ৰস্তুত কৰি ৰখা হৈছিল যাতে ক্ষীপ্ৰতাৰে প্ৰতিৰক্ষা সামগ্ৰীৰ ক্ৰয় কৰিব পৰা যায়। এইদৰে ২০১৬ বৰ্ষটো দেশৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল।

এই পদক্ষেপবোৰ লোৱাৰ প্ৰয়োজনীয়তা এইকাৰণেই আছিল কিয়নো বিগত চৰকাৰবোৰৰ দিনত কথাবোৰ তেনেকৈ হোৱা নাছিল। এই সন্দৰ্ভত পূৰ্বৰ হিচাপ নিয়ন্ত্ৰক তথা মহানীৰিক্ষকে(কেগ) সংসদত জমা কৰা প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ আছিল যে "বিপদৰ আগজাননী পোৱাৰ পাছতো অস্ত্ৰ ভাণ্ডাৰ সুনিশ্চিত কৰা হোৱা নাছিল। ২০১৩চনৰ মাৰ্চ মাহ পৰ্যন্ত সেনাই ব্যৱহাৰ কৰা ১৭৯ টা অস্ত্ৰ ভিতৰত ১২৫টা অস্ত্ৰ গুণগত মানৰ ক্ষেত্ৰত নিম্ন মানৰ আছিল।" তাৰোপৰি অন্যান্য অস্ত্ৰৰ ভাণ্ডাৰৰ ক্ষেত্ৰতো দেশৰ স্থিতি দুৰ্বল আছিল। অৰ্থাৎ পৰিস্থিতি এনেকুৱা আছিল যে যিকোনো যুদ্ধকালীন স্থিতি দেশে যুঁজ দিয়াৰ বাবে ১০ দিনতকৈ অধিক অস্ত্ৰভাণ্ডাৰ দেশৰ হাতত মজুত নাছিল। এই অৱস্থাক এতিয়া উন্নত পৰ্যায়লৈ ৰূপান্তৰ কৰা হৈছে। আধুনিকৰণৰ উপৰি ৰান ৰেংক, ৰান পেঞ্চন প্ৰৱৰ্তন কৰাটো দেশৰ চৰকাৰৰ উল্লেখনীয় পদক্ষেপবোৰৰ অন্যতম আছিল। বিগত ৪৩ বৰ্ষত সেয়া স্তিমিত হৈ আছিল। ■

বিশ্ব-মঞ্চত উজ্জ্বলিছে ভাৰত

২০১৪চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ শাসনভাৰ লোৱাৰ পাছত বিশ্বৰ বিভিন্ন দেশৰ নেতৃত্বৰ মনত এটাই প্ৰশ্নই আহিছিল যে এতিয়া ভাৰতৰ বৈদেশিক নীতি কি হব? কিন্তু নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীয়ে সমগ্ৰ বিশ্বত নেতৃত্বৰ সৈতে নতুনকৈ বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ লগতে পুৰণি বন্ধুৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰিলে। এই কাৰ্যৰ জৰিয়তে তেওঁ ভাৰতীয় বৈদেশিক নীতিত নতুন উদ্যম আনিলে। একবিংশ শতিকাত ভাৰত প্ৰথম(ইণ্ডিয়া ফাৰ্ষ্ট) শীৰ্ষক নীতিৰ যি প্ৰচলন তেওঁ আৰম্ভ কৰিলে সেই নীতিয়ে এক্টিং ইষ্ট বা লুকিং ইষ্ট নীতিৰ সদৃশ জনপ্ৰিয়তা লাভ কৰাৰ লগতে ব্যাপকতাও লাভ কৰিছে...

এয়া প্ৰতিখন ৰাষ্ট্ৰৰ বাবে গুৰুত্বপূৰ্ণ যে তেওঁলোকে নিজৰ বন্ধুত্বপূৰ্ণ দেশৰ সৈতেহে সহযোগিতা অৱলম্বন কৰক, লগতে এয়াও প্ৰয়োজনীয় যে বিশ্বত সংঘটিত প্ৰতিটো ঘটনাৰ ক্ষেত্ৰত নিজৰ স্থিতি স্পষ্ট কৰি অন্যান্য দেশৰ সৈতেও সম্বন্ধ শক্তিশালী কৰিব লাগে। এই চিন্তাধাৰাকেই সৰোগত কৰি প্ৰতিৱেশী প্ৰথম শীৰ্ষক নীতি অৱলম্বন কৰি প্ৰতিৱেশীৰ সৈতে সদ্ভাৱ বজাই ৰখাৰ লগতে অন্যান্য ৰাষ্ট্ৰৰ সৈতে ভাল সম্পৰ্ক ৰখাৰ উদ্দেশ্যৰে বিস্তাৰিত প্ৰতিৱেশী শীৰ্ষক নীতিও ২০১৪ চনৰ পৰা বৈদেশিক নীতিৰ আধাৰ তৈয়াৰ কৰা হৈছে। শীৰ্ষ নেতৃত্ব এই মনোভাৱৰ বাবেই ভাৰতৰ জনপ্ৰিয়তা বিদেশত বৃদ্ধি পাইছে আৰু কৰ'না কালৰ দুৰ্যোগৰ সময়ত বসুধৈৱ কুটুম্বুকমৰ ভাৱনাৰে বিশ্বত ভাৰত উজ্জ্বলি উঠিছে।

সম্বন্ধবোৰ কটকটীয়া হৈছে

কৰ'না কালত যেতিয়া বিশ্বত সকলোফালে সকলোবোৰ স্তৰিৰ হৈ পৰিছিল সেইসময়ত একমাত্ৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতহে ভাৰ্চুৱেল সন্মিলনৰ আৰম্ভণি কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না কালত বিশ্বৰ নেতৃত্বৰ সৈতে কথাবাৰ্তাত নেতৃত্ব লয়। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ফ্ৰান্স, জাৰ্মানী, আৰৱীয় দেশ-পশ্চিম এছিয়াৰ দেশবোৰৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে জি-২০ দেশসমূহ আৰু এনএএম সন্মিলনত অংশ লয়।

- কৰ'না কালত বাংলাদেশৰ সৈতে সম্পৰ্ক শক্তিশালী কৰা হৈছে। বাংলাদেশৰ ৰাষ্ট্ৰীয় দিৱস সমাৰোহত প্ৰধানমন্ত্ৰীয়ে অংশ লয়।
- বাংলাদেশ আৰু নেপালৰ সৈতে সীমা বিবাদ সম্পৰ্কত দূৰ কৰাৰ বাবে বৈঠকত অংশ লয়। মালদ্বীপ যাত্ৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেই দেশৰ সৰ্বোচ্চ সন্মান "অৰ্ডাৰ অৱ নিশানুইদ্দিন" গ্ৰহণ কৰে। ইয়াৰ উপৰি ইউএইয়ে মোদীক সৰ্বোচ্চ সন্মান "অৰ্ডাৰ অৱ জায়েদ" দিয়া হয়।
- ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে অষ্টমবাৰৰ বাবে নিযুক্ত হৈছে।

পাকিস্তানক অকলশৰীয়া কৰি সন্ত্ৰাসবাদৰ নিঃশেষ কৰা

- পাকিস্তানক এফএটিএফত ব্লেক লিষ্ট কৰোঁৱাৰ বাবে অন্য এক পদক্ষেপ গ্ৰহণ কৰা হয়। এছিয়া পেচিফিক ছাব গ্ৰুপতো পাকিস্তানক ব্লেক লিষ্ট কৰা হয়।
- আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ত কুলভূষন যাদৱৰ বিষয়টোত ভাৰতৰ সপক্ষত ৰায় দিয়াৰ ক্ষেত্ৰত বাধ্য কৰোৱা হয়, পাকিস্তানে ভাৰতক বিষয়টোত কনছুলাৰ এক্সেচ দিয়া হয়।

সকলোৰে সহায়ৰ পক্ষত ভাৰত

২০১৫ চনত নেপালত হোৱা ভূমিকম্পৰ সময়ত বিশেষ সাহাৰ্য প্ৰদান। ৬৭ মিলিয়ন ডলাৰৰ সাহাৰ্য।

ইণ্ডোনেছিয়াত অহা ভূকম্প আৰু ছুনামীৰ সময়ত সহায়।

মোজাম্বিকত ২০১৯ত অহা ধুমুহাৰ সময়ত সাহাৰ্য প্ৰদান কৰে।

ভেকচিন মৈত্ৰী

কৰ'না মহামাৰীৰ পাছত ভাৰতে ইয়াৰ ভেকচিন উদ্ভাৱন কৰাৰ পাছত অন্য দেশকো সহায়ৰ হাত আগবঢ়াই। ভাৰতে ঔষধৰ লগতে অন্যান্য চিকিৎসা সম্বন্ধীয় সামগ্ৰী অন্য দেশলৈ প্ৰেৰণ কৰে। ভেকচিন মৈত্ৰীৰ অধীনত ভাৰতে ৯৫খন দেশক ৬ কোটিতকৈ অধিক কৰ'না ভেকচিনৰ পালি প্ৰদান কৰে।

আন্তঃৰাষ্ট্ৰীয় সৌৰ গোটবন্ধন

ফ্ৰান্সৰ সহায়ত এই কাৰ্যসূচী আৰম্ভ কৰা হয়। আন্তঃৰাষ্ট্ৰীয় সৌৰ গোটবন্ধনৰ সচিবালয় হৈছে ভাৰতত স্থাপিত হোৱা প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ কাৰ্যলয়।

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস

ভাৰতীয় পৌৰাণিক যোগ শিক্ষা এতিয়া বিশ্বই পালন কৰে। ২১ জুন তাৰিখে বিশ্বই আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰে।

কোৱাড

আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু অষ্ট্ৰেলিয়াৰ সৈতে ভাৰতৰ কোৱাড শীৰ্ষক গুৰুত্বপূৰ্ণ কূটনৈতিক মঞ্চ স্থাপন কৰা হৈছে। এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দেশবোৰৰ মাজৰ সম্পৰ্ক উন্নত কৰাৰ বাবেই এই পদক্ষেপ।

২+২ বাৰ্তা

২০১৮ চনতেই ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত ২+২ বাৰ্তাৰ আৰম্ভণি হয়। ২০২০ অক্টোবৰত দিল্লীত তৃতীয় বৈঠক অনুষ্ঠিত হয়। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে একাধিক চুক্তি স্বাক্ষৰ কৰে।

- শ্ৰীলংকালৈ গৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চেইন্ট এন্থোনী গীৰ্জা ঘৰলৈ গৈ সমন্বয়তা দেখুৱাই। উল্লেখ্য যে এই গীৰ্জাঘৰতেই ইষ্টাৰৰ সময়ত বোমা বিস্ফোৰণ হৈছিল। এনে সদ্ভাৱমূলক কাম কৰা নেতা মোদীয়েই প্ৰথম।
- য়ুহান স্পিৰিট আৰু মমল্লাপুৰম কনেক্টৰ জৰিয়তে চীন দেশৰ সৈতে সম্পৰ্কৰ উন্নতি সাধন কৰা হৈছে।
- কিৰ্গিস্তানত অনুষ্ঠিত সন্মিলন, জাপানত অনুষ্ঠিত জি-২০ সন্মিলন, ব্ৰাজিলত অনুষ্ঠিত ব্ৰিক সন্মিলন, ৰাছিয়াত অনুষ্ঠিত অৰ্থনৈতিক সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়।
- শাসনলৈ অহাৰ পাছত ইজৰাইল, ফ্ৰান্স, গ্ৰেট বৃটেইন, জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু দক্ষিণ কোৰিয়াৰ সৈতে সম্বন্ধ শক্তিশালী কৰা হৈছে। পশ্চিম এছিয়া (ইৰান, চৌদি আৰৱ, ইজৰাইল), নিউজীলেণ্ড, অষ্ট্ৰেলিয়াৰ সৈতে নতুনকৈ সম্বন্ধ স্থাপন কৰা লগতে আৰম্ভণিও কৰা হৈছে।
- ইৰানৰ সৈতে ঐতিহাসিক চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত দুয়ো দেশৰ মাজৰ সম্পৰ্ক অধিক উন্নত কৰা হৈছে।
- পেলেষ্টাইনৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক। পেলেষ্টাইন যাত্ৰাৰ সময়ত নৰেন্দ্ৰ মোদীক সেই দেশৰ সন্মান আগবঢ়োৱা হৈছে।
- ভাৰতৰ বিদেশ নীতিৰ উদাহৰণ প্ৰধানমন্ত্ৰীৰ প্ৰথম আৰু দ্বিতীয় কাৰ্যকালৰ শপত গ্ৰহণ অনুষ্ঠানত স্পষ্ট হৈছে। প্ৰথমবাৰৰ শপতগ্ৰহণত ছাৰ্ক সন্মিলনীৰ দেশবোৰ নেতৃত্ব আৰু দ্বিতীয় শপতগ্ৰহণত বিমষ্টেক ৰাষ্ট্ৰৰ নেতৃত্বৰ অংশগ্ৰহণ হৈছিল।
- আৰচিইপি (আঞ্চলিক ব্যাপক আৰ্থিক অংশীদাৰিত্ব) হৈছে এছিয়ান দেশৰ ১০ জনীয়া সদস্য আৰু অষ্ট্ৰেলিয়া, চীন, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড আদি পাঁচখন ৰাজ্যৰ এখন মুক্ত বজাৰ মঞ্চ। কিন্তু বিশ্বৰ অন্য দেশৰ নেতৃত্বৰ হেঁচাৰ পাছতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ মতামত ৰাখে আৰু কয় ভাৰতে পাৰস্পৰিক সহযোগিতাৰে কাম কৰে। ■

শতিকাজোৰা অপেক্ষাৰ অন্ত

দশক দশক ধৰি চলা ন্যায় প্ৰক্ৰিয়াৰ অন্ত পৰাৰ পাছত আযোধ্যাৰ ৰাম জনমভূমিত ৰাম মন্দিৰ নিৰ্মাণৰ বাবে ২০১৯চনৰ ৯ নৱেম্বৰ তাৰিখে উচ্চতম ন্যায়ালয়ে দিয়া ৰায়দানৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰৰ নামত দিয়া ভাষণত এয়া কয় যে এয়া দেশৰ বাবে নতুন প্ৰভাত আৰু দেশে এই মুহূৰ্তত এয়া সংকল্প লোৱা উচিত যে নতুন প্ৰজন্মই নতুন উদ্যমেৰে নতুন ভাৰত গঠনৰ দিশত আগবঢ়া উচিত। ৰাম মন্দিৰ, কৰতাৰপুৰ কৰিড'ৰ, কাশী-বিশ্বনাথ কৰিড'ৰ, জম্মু-কাশ্মীৰৰ বিশেষ সুবিধাৰ বাবে থকা ৩৭০ অনুচ্ছেদৰ বিলুপ্তি, তিনি তালাক, নাগৰিকতা সংশোধনী আইন আদি সিদ্ধান্তবোৰৰ মাধ্যমত বিগত ৭বছৰত সমন্বয়-সম্ভাৱৰ বাবে দেশত অনেক পৰিৱৰ্তনকামী কাম হৈছে। এইবোৰে নতুন ভাৰত আত্মা, আস্থা প্ৰতিষ্ঠা কৰিছে...

আযোধ্যত নিৰ্মাণ চলি থকা ৰাম মন্দিৰ নিৰ্মাণৰ বাবে হোৱা শিলান্যাস অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত বৰ্ষৰ ৫ আগষ্ট তাৰিখে কৈছিল, "যিদৰে দলিত শ্ৰেণী, পাছপৰা শ্ৰেণী, আদিবাসীসকলে তথা সমাজৰ প্ৰতিটো বৰ্গৰ লোকে জাতিৰ পিতা মহাত্মা গান্ধীক সহযোগিতাৰে স্বাধীনতা আন্দোলনত অৱদান আগবঢ়াইছিল, ঠিক তেনেদৰে আজি ৰাম মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ সহযোগত এই পূণ্য কাম আৰম্ভ হৈছে।" তেতিয়া তেওঁ দিয়া মন্তব্যই এই কথা স্পষ্ট কৰিছিল যে আমাৰ দৈনন্দিন জীৱনত এনে কোনো ক্ষণ নাই যি ক্ষণত প্ৰভু ৰামৰ প্ৰভাৱ আছে। ভাৰতৰ এনে কোনো মুহূৰ্ত নাই যি সময়ত ৰামৰ প্ৰেৰণা নাই। ভাৰতৰ আস্থাত ৰাম আছে, ভাৰতৰ আদৰ্শত ৰাম আছে। ভাৰতৰ দিব্যতাত ৰাম আছে, ভাৰতীয় দৰ্শনত ৰাম আছে। এনেকুৱা সময়ত আমি এয়া মন দিব লাগে যে যি সময়ত মানৱতাই ৰামক মানিছে তেতিয়াই বিকাশ হৈছে। আৰু যেতিয়াই আমি বিপথে পৰিচালিত হৈছোঁ তেতিয়া বিনাশ হৈছে। আমি সকলোৱে আমাৰ ভাৱনাসমূহত গুৰুত্ব দিব লাগে। আমি সকলোৰে বিশ্বাসত, সকলোৰে সহযোগিতাত বিকাশ সম্ভৱ কৰি তুলিব লাগিব। ৰাম ৰাজ্যৰ এই সংকল্পই ভাৰতৰ সাংস্কৃতিক পৰিচয় সলনি কৰি পেলাইছে, ভাৰতৰ ছবি সলনি কৰিছে। বিগত বৰ্ষবোৰত চৰকাৰে লোৱা তেনে কেতবোৰ সিদ্ধান্ত হৈছে...

অযোধ্য ৰায়দান

এই ৰায়দানে দেশত সামাজিক সমন্বয় আৰু সাম্প্ৰদায়িক সদ্ভাৱৰ বাৰ্তা প্ৰেৰণ কৰিছে।

৪৯২

বছৰৰ দীঘলীয়া অপেক্ষাৰ অন্তত ২০১৯চনৰ ৯ নৱেম্বৰ তাৰিখে এই বিবাদৰ অন্ত পৰিছে। উচ্চতম ন্যায়ালয়ে এই ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০চনৰ ৫ আগষ্ট তাৰিখে এই ৰাম মন্দিৰ নিৰ্মাণৰ শিলান্যাস কৰি মন্দিৰ নিৰ্মানৰ কাম আৰম্ভ কৰিছে। সেই উপলক্ষে মোদীয়ে কয় যে এই মন্দিৰে অযোধ্যৰ সৌষ্ঠৱ বৃদ্ধি কৰাই নহয়, ই ঠাইখনৰ অৰ্থনৈতিক বিকাশো সম্ভৱ কৰি তুলিব।
- অযোধ্যত কৰ্মসংস্থাপন বৃদ্ধি কৰিব। প্ৰভু ৰাম আৰু মা জানকীৰ আশীষ ল'বলৈ অহা সমগ্ৰ বিশ্বৰ ভক্তই অযোধ্যাত পৰ্যটন ক্ষেত্ৰখন সলনি কৰি পেলাব।

১ দেশ বিধান নিশানৰ স্বপ্ন পূৰণ

ডাঃ শ্যামা প্ৰসাদৰ মুখাৰ্জীৰ "এক দেশ, এক বিধান, এক প্ৰধান, এক নিশানৰ" সংকল্পক স্বাধীনতাৰ ৭২বছৰ পাছত পূৰ্ণ কৰিব পৰা গৈছে। অনুচ্ছেদ ৩৭০ আৰু ৩৫এ-ৰ পৰা মুক্তি পোৱাৰ পাছত ধৰাৰ ভূস্বৰ্গ আখ্যা পোৱা জম্মু-কাশ্মীৰ আৰু লাডাখো দেশৰ বাকী অংশৰ দৰেই বিকাশৰ গতিত আগবাঢ়িবলৈ আৰম্ভ কৰিছে।

- জম্মু-কাশ্মীৰক বিশেষ মৰ্যদা দি থকা সংবিধানৰ ৩৭০ অনুচ্ছেদ আঁতৰাই দিয়াৰ প্ৰস্তাৱ ২০১৯চনৰ ৫ আগষ্ট তাৰিখে সংসদত অনুমোদিত হয়। ৬ দশকৰ অপেক্ষা মোদী চৰকাৰে ৬ বছৰত শেষ কৰি দিয়ে।
- ইয়াৰ ফলত জম্মু-কাশ্মীৰ প্ৰকৃতাৰ্থত একত্ৰীকৰণ হৈছে।
- সমগ্ৰ জম্মু-কাশ্মীৰক দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত বিভক্ত কৰা হৈছে। জম্মু-কাশ্মীৰ (বিধানসভাৰ সৃষ্টিৰে) আৰু লাডাখ (স্বায়ত্ব শাসনৰ সুবিধাৰে-বিধানসভাৰ অনুপস্থিতিত)।
- ৰাজ্য পুনঃগঠন বিধেয়কৰ সহায়ত সংসদত অনুমোদনসাপেক্ষে লাডাখ সৃষ্টি কৰা হৈছে, এই দাবী ৭০ বছৰৰ পাছত পূৰ্ণ হৈছে।
- এতিয়া জম্মু-কাশ্মীৰ আৰু লাডাখ সমাজিক-আৰ্থিক সবলীকৰণৰ দিশত আগবাঢ়িছে, স্থানীয় আৱাসী আইন প্ৰৱৰ্তন হোৱাৰ লগতে স্থানীয় ৰাইজে গণতান্ত্ৰিক সুবিধা লাভ কৰিছে।

তিনি তালাকৰ কুপ্ৰথাৰ অন্ত

- ভাৰতীয় সংসদীয় ইতিহাসত ২০১৯চনৰ ৩০ জুলাই তাৰিখ গুৰুত্বপূৰ্ণ দিন হিচাপে বিবেচিত হৈ ৰৱ। সংসদৰ মজিয়াত তিনি তালাক আইন গৃহীত হোৱাৰ পাছতেই এই পদক্ষেপে ইছলাম সম্প্ৰদায়ৰ মহিলাসকলক ন্যায় আৰু সন্মান দিছে আৰু প্ৰগতিৰ পথত আগুৱাই নিছে।
- কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভাষ্যত, "তিনি তালাকৰ আইন প্ৰণয়নৰ পাছত ইতিহাসৰ পাতত নৰেন্দ্ৰ মোদীৰ নাম নিশ্চিতভাৱেই ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ পাছতেই সমাজ সংস্কাৰকৰ ৰূপত লোৱা হ'ব। তিনি তালাকৰ আইন মুছলিম মহিলাসকলৰ হিত সাধন কৰাৰ লগতে তেওঁলোকৰ উন্নয়নত ক্ৰান্তিকাৰী পদক্ষেপ গ্ৰহণ কৰিব।" ■

কৰতাৰপুৰ কৰিডৰ

- স্বাধীনতাৰ পাছত কেন্দ্ৰ চৰকাৰে শিখ সম্প্ৰদায়ৰ লোকে দীৰ্ঘ দিনৰ পৰা জনাই অহা দাবীৰ প্ৰতি সমৰ্থন জনাই পবিত্ৰ তীৰ্থস্থান কৰতাৰপুৰ যোৱাৰ বাবে কৰিড'ৰ মুকলি কৰে।
- শিখসকলৰ মূল ধৰ্মীয় গুৰু নানকদেৱৰ জীৱনৰ শেষ সময়ৰ থকা ঠাই কৰতাৰপুৰ পাকিস্তানত আছে। ইমান দিনে ভাৰতীয়ই এয়া কেৱল দূৰবীণৰ সহায়তহে দৰ্শন কৰিবলৈ সক্ষম হৈছিল।
- ২০১৯ চনৰ ৯ নৱেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১২০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কৰতাৰপুৰ কৰিড'ৰৰ শুভ উদ্বোধন কৰে। ইয়াৰ ফলত শিখসকলৰ সংস্কৃতি আৰু পৰম্পৰাই স্বীকৃতি পাইছে।
- ভাৰতীয় মূলৰ সকলো তীৰ্থযাত্ৰীয়ে এতিয়া এই কৰিড'ৰ ব্যৱহাৰ কৰি কৰতাৰপুৰ গৈ দৰ্শন কৰিব পাৰিব। ইয়াৰ বাবে দৰ্শনাৰ্থীৰ ভিছাৰ প্ৰয়োজন নহয়। এখন পাছপোৰ্টৰ সহায়ত কৰতাৰপুৰ দৰ্শন কৰিব পাৰিব।

নাগৰিক সংশোধনী আইনৰ সহায়ত পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ সংখ্যালঘুৱে পাইছে সুৰক্ষা, ন্যায়

- এই আইনৰ সহায়ত সেই লক্ষাধিক লোকে সন্মানসহ ভাৰতীয় নাগৰিকত্ব লাভ কৰিব যিসকল পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানত ধৰ্মীয় সংখ্যালঘু হয় আৰু সেই দেশত নিৰ্যাতনৰ সম্মুখীন হৈ আহিছে। অৱশ্যে ইয়াৰ উপৰি ভাৰতে অন্যন্যা লোক যি নিজ দেশত নিৰ্যাতনৰ সম্মুখীন হৈছে আৰু তেওঁলোকে ভাৰতীয় সংবিধানৰ বিৰোধ নকৰে তেনে লোককো ভাৰতত শৰণাৰ্থী হিচাপে আশ্ৰয় দিয়া হৈছে। বাংলাদেশৰ প্ৰখ্যাত লেখিকা তছলিমা নাছৰিন তেনে এগৰাকী ব্যক্তি।
- ভাৰতৰ প্ৰতিৱেশী ৰাষ্ট্ৰ পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশত থকা ধৰ্মীয় সংখ্যালঘুৰ অধিকাৰ আৰু সন্মানৰ প্ৰতি লক্ষ্য ৰাখি নাগিৰক সংশোধনী আইন অধিক সংশোধন কৰি ঐতিহাসিক সিদ্ধান্ত লৈছে।
- ২০১৯ বৰ্ষৰ ৯ ডিচেম্বৰত লোকসভা, ১১ ডিচেম্বৰত ৰাজ্যসভা আৰু ১২ ডিচেম্বৰত ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে এই বিধেয়কখনত অনুমতি দি আইনলৈ ৰূপান্তৰ কৰে। এই আইনমতে পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানত থকা ধৰ্মীয় সংখ্যালঘু হিন্দু, শিখ, খ্ৰীষ্টিয়ান, বৌদ্ধ, জৈন আৰু পাৰ্চী সম্প্ৰদায়ৰ লোকে ভাৰতীয় নাগৰিত্ব পোৱাৰ বাট মুকলি হৈছে। ইয়াৰ লগতে কেন্দ্ৰ চৰকাৰে ভাৰতৰ পূৰ্বোত্তৰৰ ৰাজ্যকেইখনৰ ভাষিক আৰু সাংস্কৃতিগত সুৰক্ষাৰ বাবেও বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

কেদাৰনাথ মন্দিৰে লাভ কৰিলে অধিক সৌষ্ঠৱ, অধিক সৌন্দৰ্য

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নৰ কামবোৰৰ অন্তৰ্গত কেদাৰনাথ ধাম প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা বিধ্বস্ত হোৱাৰ ৭ বছৰৰ পাছত পুনঃনিৰ্মাণৰ জৰিয়তে নতুন ৰূপ পাবলৈ সক্ষম হৈছে। এই ধামক দৰ্শণাৰ্থীৰ সুবিধাৰ বাবে অধিক সুন্দৰ আৰু সুগম কৰি তোলা হৈছে।
- ২০১৩ চনত ১৬-১৭ জুনত হোৱা ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত এই কেদাৰনাথ ধামৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে উত্তৰাঞ্চলৰ অনেক ধৰ্মীয় স্থানৰ ক্ষতিসাধন হোৱাৰ লগতে জনতাৰ জীৱন দুৰ্বিসহ হৈ পৰিছিল।

কাশী বিশ্বনাথ কৰিড'ৰ

এই বৰ্ষতেই কাশী বিশ্বনাথৰ কাম সম্পূৰ্ণ হৈ উঠিব

- হিন্দু ধৰ্মালম্বীৰ বাবে আদি শংকৰাচাৰ্যই স্থাপন কৰা কাশী বিশ্বনাথ মন্দিৰ এক গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থান। এতিয়া মা গংগা আৰু কাশী বিশ্বনাথক সংযোগ কৰাৰ কাম ক্ষীপ্ৰ গতিত চলিব ধৰিছে।
- এই প্ৰকল্পৰ বাবে বাৰাণসী চহৰৰ বিকাশো হৈছে। এই প্ৰকল্পৰ আঁৰৰ ব্যক্তি হৈছে নৰেন্দ্ৰ মোদী।
- ২০১৯ চনৰ ৮ মাৰ্চ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাবা বিশ্বনাথ মন্দিৰক গংগাৰ সৈতে সংযোগ কৰিবলৈ কাশী-বিশ্বনাথ দৰ্শনাৰ্থী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল।

পাঁচটা দশকৰ পাছত বড়ো চুক্তিৰ মাধ্যমত শান্তি স্থাপন

- সকলোৰে সৈতে সম বিকাশ মন্ত্ৰৰ আধাৰত অসমৰ বড়ো সমস্যাৰ সমাধান কৰা হৈছে।
- এই চুক্তিত অসমৰ ভৌগলিক চাৰিসীমাৰ অখণ্ডতাৰ ওপৰত গুৰুত্ব আৰোঁপ কৰা হয়। বড়ো লোকৰ অধ্যুষিত অঞ্চলৰ উন্নয়নৰ বাবে ১৫০০ কোটি টকাৰ এক পেকেজো ঘোষণা কৰা হৈছিল।
- প্ৰধানমন্ত্ৰীৰ আহ্বানত ১৬১৫ বড়ো উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছিল।

দুটা দশকৰ ব্ৰু-ৰীয়াং শৰণাৰ্থী সমস্যাৰ সমাধান

- কেন্দ্ৰীয় চৰকাৰে ত্ৰিপুৰা আৰু মিজোৰাম চৰকাৰৰ সহযোগত দুটা দশক পুৰণি ব্ৰু-ৰীয়াং শৰণাৰ্থী সমস্যাৰ সমাধান কৰে।
- প্ৰায় ৩৪ হাজাৰ শৰণাৰ্থীক ত্ৰিপুৰাত সংস্থাপিত কৰা হয়। এই শৰণাৰ্থীৰ পুনঃসংস্থাপনৰ বাবে ৬০০ কোটি টকা দিয়া হয়।

নিসন্দেহে এখন দেশ যেতিয়া ঐক্যতা আৰু সম্প্ৰীতিৰ মাজেৰে আগবাঢ়ে তেতিয়া সেই দেশ ঐশ্বৰ্য্যৰ দিশে ধাৱমান হয় আৰু আগন্তুক প্ৰজন্মই সেয়া আগুৱাই নিয়ে। ■

সেৱাসমূহৰ একত্ৰীকৰণে সুবিধাবোৰ সহজ কৰি তুলিছে

দেশৰ যুৱপ্ৰজন্মই কেৱল ভাল চহৰ-নগৰেই নিবিচাৰে তেওঁলোকে এখন উন্নত সুবিধা থকা গাঁও কামনা কৰে। দেশৰ বিভিন্ন সেৱাবোৰক একলগ কৰি এটা সেৱা কৰা প্ৰক্ৰিয়াটোকেই এক দেশ-এক সেৱা নাম দিয়া হৈছে। বিশ্বস্তৰৰ নগৰ কেন্দ্ৰ স্থাপন কৰা হোৱাৰ লগতে কেন্দ্ৰ চৰকাৰে গ্ৰামাঞ্চলবোৰতো বিভিন্ন সুবিধা প্ৰদান কৰিছে। এই সুবিধাবোৰ জীৱন ধাৰণৰ মান সুগম কৰাৰ লগতে দেশৰ পৰিৱৰ্তনতো অৰিহনা আগবঢ়াইছে...

এক দেশ, এখন মোবিলীটি কাৰ্ড

ৰাষ্ট্ৰীয় উমৈহতীয়া মোবিলীটি কাৰ্ডে (এনচিএমচি) পৰিবহনৰ ক্ষেত্ৰত সুবিধা কৰি দিছে। জনতাই বাছ, মেট্ৰ', কেব আদিত এই কাৰ্ড ব্যৱহাৰ কৰিব পাৰে।

এখন দেশ, এখন ৰেছন কাৰ্ড

কোনো নাগৰিকে যদি এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ গৈছে তেন্তে তেওঁ নতুন ৰেছন কাৰ্ডৰ বাবে প্ৰপত্ৰ ভৰ্তি কৰাৰ কোনো প্ৰয়োজন নাই কিয়নো এতিয়া এটা ঠাইত লোৱা হোৱা ৰেছন কাৰ্ড দেশৰ যিকোনো প্ৰান্ততেই চলিব।

এখন দেশ, এখন বজাৰ

কৃষি খণ্ডত অনা পৰিৱৰ্তনৰ ফলত আৰু বিশেষত ই-নামৰ দৰে পৰ্টেলৰ আৰম্ভণিয়ে দেশত এখন বজাৰৰ সৃষ্টি কৰিছে। এখন ৰাষ্ট্ৰ, এখন কৃষি বজাৰে এতিয়া গুৰুত্ব পাইছে।

এক ৰাষ্ট্ৰ, এটা পাৱাৰ গ্ৰীড

শক্তি খণ্ডত অহা পৰিৱৰ্তনৰ নমুনা স্বৰূপ হৈছে এক ৰাষ্ট্ৰ, এটা পাৱাৰ গ্ৰীড। ইয়াৰ ফলত দেশত বিদ্যুৎ যোগানৰ সুগমতা আহিছে।

এক ৰাষ্ট্ৰ, এটা গেছ গ্ৰীডঃ

এই ব্যৱস্থাত দেশৰ সেইবোৰ অঞ্চল-ঠাই যিবোৰত ৰন্ধন গেছৰ সুবিধা নাছিল, ইয়াৰ ব্যৱস্থা কৰা হৈছে। অহৰহ গেছ যোগানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই আঁচনিয়ে সকলোকে ৰন্ধন গেছ আৰু গাড়ীৰ বাবে চিএনজিৰ ব্যৱস্থা কৰিব। এক ৰাষ্ট্ৰ, এটা গেছ গ্ৰীডে সাৰ উৎপাদনতো সহায় কৰিব। একেদৰে বিদ্যুৎ খণ্ড, সাৰ উদ্যোগ ইয়াৰ দ্বাৰা লাভান্বিত হ'ব। বৈদেশিক মুদ্ৰাও ৰাহি হ'ব।

এখন ৰাষ্ট্ৰ, এটা ফাষ্ট টেগ

এই ব্যৱস্থাত দেশৰ ঘাইপথত কোনো বাধা নোহোৱাকৈ যাত্ৰা সম্ভৱ হৈছে। টোল গেটত ভিৰ নাই।

এক ৰাষ্ট্ৰ, এখন বীমা আঁচনি

৫ লাখ টকা পৰ্যন্ত বীমা সুবিধা দেশৰ নাগৰিকে লাভ কৰিছে। যিকোনো প্ৰান্তত লাভ কৰিছে।

এক ৰাষ্ট্ৰ, এটা কৰ

এক ৰাষ্ট্ৰ, এটা কৰ ব্যৱস্থা যেনে জিএছটিয়ে কৰ ব্যৱস্থাত আমূল পৰিৱৰ্তন আনিছে।

এক ৰাষ্ট্ৰ, চাকৰিৰ বাবে এটা পৰীক্ষা

নেশ্বনে'ল ৰিক্ৰুইটিং এজেঞ্চী (ৰাষ্ট্ৰীয় নিয়োগ এজেঞ্চী-এনআৰএ)ই ইয়াৰ ব্যৱস্থাৱলীৰ মাধ্যমত চাকৰিৰ বাবে পৰীক্ষাত পৰিৱৰ্তন আনিছে। কেন্দ্ৰীয় চৰকাৰৰ চাকৰিৰ ক্ষেত্ৰত এক উমৈহতীয়া পন্থা হাতত লোৱা হৈছে।

“আজি প্ৰতিগৰাকী ভাৰতীয়ই এয়া ক'ব পাৰে যে এক ৰাষ্ট্ৰ, এক নিয়ম। আমি চৰ্দাৰ চাহিবৰ স্বপ্ন এক ভাৰত, শ্ৰেষ্ঠ ভাৰতক বাস্তৱ ৰূপ দিয়াৰ চেষ্টা কৰিছোঁ। তাৰ বাবেই আমি বিশেষ ব্যৱস্থা ৰূপায়নৰ মাজেৰে এই স্বপ্নক সাৰ্থক কৰাৰ চেষ্টা অব্যাহত ৰাখিছোঁ।”

- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।

মহান ভাৰতীয় স্বাধীনতা সেনানীক শ্ৰদ্ধা জনাই...

কেন্দ্ৰ চৰকাৰে এনে কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে যিবোৰৰ সহায়ত স্বাধীনতা সংগ্ৰামত অৱদান আগবঢ়োৱা এনে অনেক স্বাধীনতা সেনানী আৰু অবন্দিত নায়কৰ অৱদানৰ বিষয়ে দেশৰ জনতাক জনোৱা হৈ আহিছে। এই বিশেষ পদক্ষেপৰ উদ্দেশ্য হৈছে দেশৰ নৱ প্ৰজন্মক সেই সকল অবন্দিত স্বাধীনতা সেনানীৰ বিষয়ে অৱগত কৰাৰ যিসকলৰ ত্যাগৰ বিনিময়ত দেশে আজি স্বাধীনতাৰ সোৱাদ ল'বলৈ সক্ষম হৈছে। এই অবন্দিত নায়কসকলৰ জীৱনগাঁথাৰ কাহিনীয়ে দেশৰ জনতাক প্ৰেৰণা দিব...

এয়া সঁচাকৈ প্ৰতিগৰাকী ভাৰতীয়ৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে গৌৰৱৰ বিষয় আছিল যে তেওঁ ইংলেণ্ডৰ থেমছ নদীৰ পাৰত ২০১৫চনত সন্ত মহন্ত ভগৱান বছৱেশ্বৰৰ মূৰ্তি উন্মোচন কৰে। কৰ্ণাটকৰ বছৱেশ্বৰ হৈছে সমাজ সংস্কাৰক, এগৰাকী মহাপুৰুষ যিয়ে দ্বাদশ শতিকাত মহিলাৰ সবলীকৰণৰ বাবে সংগ্ৰাম কৰিছিল।

ভগৱান বছৱেশ্বৰৰ প্ৰতিমূৰ্তি বিদেশৰ ভূমিত স্থাপন কৰা কাৰ্যই চৰকাৰৰ প্ৰচেষ্টা প্ৰতিফলিত কৰিছে। এই কাৰ্যই ভাৰতীয় ঐশ্বৰ্য্যশালী ঐতিহ্য আৰু ভাৰতীয় সত্বাৰ কথা ব্যক্ত কৰিছে। এই ব্যক্তিসকলক হৈছে ভাৰতীয়ৰ পৰিচয়। এই মহাপুৰুষৰ উপৰি ভাৰতীয় ইতিহাসৰ পাতত এনে অনেক সেনানী আছে যিসকলে এতিয়াও তেওঁলোকৰ প্ৰাপ্য স্থান পাবলৈ সক্ষম হোৱা নাই। আৰু তাৰ বাবেই দেশৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। ইণ্ডিয়া ফাষ্ট নীতিৰ আধাৰত প্ৰতিষ্ঠা হোৱা নীতিয়ে দেশৰ সকলো বৰ্গকে সামৰি লৈছে। ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে এই নীতিৰ আধাৰত সকলোৰে প্ৰগতিৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। এই ক্ষেত্ৰত কোনো দলীয় (ৰাজনৈতিক) নীতিৰ অধীনত নহয়, দেশৰ সামগ্ৰিক বিকাশৰ কথা চিন্তা কৰিয়েই এই পদক্ষেপবোৰ লৈ থকা হৈছে।

২২৬ কোটি টকা ব্যয় সাপেক্ষে দেশৰ প্ৰধানমন্ত্ৰীসকলৰ বাবে এটি সংগ্ৰহালয়

দেশৰ নীতি নিৰ্ধাৰণ আৰু দেশক সঠিক দিশত আগুৱাই নিয়াৰ বাবে প্ৰধানমন্ত্ৰীৰ গুৰুত্ব অপৰিসীম। ইয়াৰ পৰিপ্ৰেক্ষিটত এতিয়া দেশৰ প্ৰধানমন্ত্ৰীসকলে দেশৰ প্ৰগতিৰ বাবে আগবঢ়োৱা অৱদানক স্বীকৃতি দিয়াৰ লক্ষ্যৰে ২২৬ কোটি টকা ব্যয় সাপেক্ষে এটি অত্যাধুনিক সংগ্ৰাহলয় নিৰ্মাণৰ বাবে কৰা প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই সংগ্ৰাহলয়ত দেশৰ প্ৰধানমন্ত্ৰীসকলৰ বিষয়ে সকলো তথ্য মজুত থাকিব।

ডঃ আম্বেদকাৰৰ আদৰ্শৰ সৈতে সংযুক্ত কৰাৰ প্ৰচেষ্টা

বি আৰ আম্বেদকাৰ হৈছে ভাৰতীয় সংবিধানৰ জনক। সকলো ভাৰতীয়ৰ সমঅধিকাৰৰ বাবে তেওঁ সংগ্ৰাম কৰিছিল, মাত মাতিছিল।

অবন্দিত নায়কসকল হৈ পৰিছে দেশৰ “পদ্ম” বঁটা প্ৰাপক

মোদী চৰকাৰে দেশৰ শাসনভাৰ হাতত লৈয়ে কেতবোৰ যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে সিদ্ধান্তবোৰৰ ভিতৰত এটা যুগান্তকাৰী সিদ্ধান্ত হৈছে দেশত ভিআইপি সংস্কৃতি নাইকীয়া কৰা আৰু ইতিপূৰ্বে অবহেলিত হৈ থকা সামাজিক নায়কসকলক চিনাক্ত কৰা আৰু স্বীকৃতি প্ৰদান কৰা। সেয়েহে শেহতীয়াকৈ দেশৰ পদ্ম বঁটা প্ৰকৃত সমাজ সংস্কাৰক, সাধাৰণ কিন্তু অসাধাৰণ কাম কৰি থকা ব্যক্তিসকলক দি অহা হৈছে। এই বঁটা প্ৰদান কৰাৰ প্ৰক্ৰিয়াক এতিয়া লবীৰ পৰা আঁতৰাই নিকা কৰা হৈছে যাতে দেশৰ হকে কাম কৰি থকা, সমাজৰ কল্যাণৰ বাবে কাম কৰি লোকসকলক দিব পৰা যায়। পূৰ্বতে এনে ব্যৱস্থা বাহাল আছিল যিবোৰে কেৱল একাংশ ব্যক্তিকহে পদ্ম বঁটাৰ বাবে বিবেচিত কৰিছিল যেন কথাবোৰ পূৰ্ব নিৰ্ধাৰিত আছিল। এতিয়া সেই পন্থাক সম্পূৰ্ণৰূপে পৰিহাৰ কৰি কেৱল প্ৰকৃত কামৰে সমাজৰ কল্যাণ কৰা ব্যক্তিকহে পদ্ম বঁটাৰ বাবে নিৰ্বাচিত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই সাধাৰণ কিন্তু প্ৰকৃত সমাজ সংস্কাৰকসকল টিভিৰ পৰ্দাত বা বাতৰি কাকতৰ শিৰোনাম দখল কৰি নাথাকে এওঁলোক কেৱল নিজৰ কামত ব্যস্ত। শেহতীয়াকৈ বঁটা পোৱা যেনে অসমৰ বীৰুবালা ৰাভা, তামিল নাড়ুৰ পাপ্পম্মল, ডঃ টি ভীৰৰাঘৱন, পশ্চিমবংগৰ নাৰায়ন দেৱনাথ বা লাডাখৰ ছালট্ৰিম ছ'নজ'ৰ হৈছে এনে লোক যি নিজৰ সামাজিক স্থিতিৰ বাবে নহয়, নিজৰ কামৰ বাবে, নীৰৱ সাধনাৰ বাবে যোগ্য নিৰ্বাচিত হৈছে।

ডঃ বি আৰ আম্বেদকাৰক তেওঁ দেশৰ প্ৰতি কৰা ত্যাগ, অধ্যৱসাৰ প্ৰতিদানস্বৰূপ দেশত তেওঁৰ সৈতে জড়িত হৈ থকা পাঁচখন ঠাইক উন্নয়ন কৰাৰ সিদ্ধান্ত লৈছে যিবোৰক একেলগে পঞ্চতীৰ্থ বুলি জনা যাব। আনহাতে আম্বেদকাৰৰ স্মৃতিত ২৬ নৱেম্বৰ দিনটো সংবিধান দিৱস হিচাপে জনা যাব।

নেতাজীক পুনঃ জীৱন দিয়া

নেতাজী সুভাষ চন্দ্ৰ বসুৰ অমৰ বাক্য “তোমালোকে মোক তেজ দিয়া, মই তোমালোকক স্বাধীনতা দিম” শীৰ্ষক এই বাক্য প্ৰতিগৰাকী ভাৰতীয়ই স্মৰণ কৰে। তেওঁ দেশৰ স্বাধীনতাৰ বাবে গঠন কৰা আজাদ হিন্দ ফৌজৰ ৭৫ সংখ্যক বাৰ্ষিকীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাল কিল্লাত ৰাষ্ট্ৰীয় পতাকা উদ্বোধন কৰিছিল। এয়া দেশৰ বাবে গৌৰৱৰ কথা যে আজাদ হিন্দ ফৌজৰ চাৰিগৰাকীকৈ সদস্যই ২০১৯ চনৰ গণতন্ত্ৰ দিৱসৰ পেৰেডত অংশ লয়। মোদী চৰকাৰে নেতাজীৰ ইমানদিনে গুপ্ত ফাইল হিচাপে থকা নথি-পত্ৰবোৰক গোপনীয়তাৰ পৰা মুক্ত কৰি নেতাজীৰ পৰিয়ালৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সমৰ্থন জনায়। ইয়াৰ উপৰি মোদীয়ে নিজৰ জাপান ভ্ৰমণৰ সময়ত ২০১৪ চনত নেতাজীৰ বন্ধু হিচাপে খ্যাত ছাইচিৰ' মিছুমীক সাক্ষাৎ কৰে।

একতাৰ সূত্ৰৰে বান্ধিবলৈ চেষ্টা কৰা চৰ্দাৰ বল্লৱভাই পেটেল

ভাৰত মহাদেশক একত্ৰিত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা লৌহ মানৱ চৰ্দাৰ বল্লৱভাই পেটেলক দিয়া উৎকৃষ্ট শ্ৰদ্ধাঞ্জলি হৈছে একতাৰ স্মৃতিচিহ্ন হিচাপে পৰিচয় পোৱা ষ্টেটু অৱ ইউনীটি। ৬০০ ফুট উচ্চতাৰ এই মূৰ্তিটো বিশ্বৰ সকলোতকৈ ওখ মূৰ্তি। ২০১৩ চনত গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে নৰেন্দ্ৰ মোদীয়ে এই মূৰ্তিৰ আধাৰশিলা স্থাপন



কৰিছিল। চৰ্দাৰ পেটেল ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী আছিল। কিন্তু তেওঁৰ অৱদানকো দেশৰ ইতিহাসত সমানেই গুৰুত্ব দিয়া হোৱা নাছিল। সদৌ শেষত দেশমাতৃৰ বাবে তেওঁ কৰা অৱদানত উচিত মূল্য দিয়া গৈছে।

একেদৰে নিজৰ বীৰত্ব আৰু ইংৰাজ প্ৰশাসকৰ বিৰুদ্ধে মাত মতা বীৰ চাভাৰকাৰ সম্পৰ্কতো দেশে ইমানদিনে বেয়া মনোভাৱ লৈ আছিল। এয়া বীৰ চাভাৰকাৰৰ দৰে বীৰ পুৰুষৰ ক্ষেত্ৰত যথেষ্ট অন্যায় কৰা হৈছে। চাভাৰকাৰে আন্দামান নিকোবৰৰ চেলুলাৰ জেইলত কটাইছিল সেই কথা পাহৰি যোৱা উচিত নহয়।

একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্পূৰ্ণ দেশত ছত্ৰপতি শিৱাজী মহাৰাজ, বিৰছা মুণ্ডা, দিনবন্ধু ছাৰ সেতুৰাম, আদি ব্যক্তিৰ ব্যক্তিত্বক পুনঃ জীৱন দিছে। মোদী চৰকাৰে এইধৰণে বীৰ নায়কসকলৰ বীৰ গাঁথাবোৰ প্ৰচাৰিত কৰি আৰু আঞ্চলিক ভিত্তিৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ নি উচিত মূল্যয়ন আৰু প্ৰাপ্যবোৰ দিছে। ■

ভাৰতীয় স্বাধীনতা আন্দোলনৰ বীৰ সেনানীবোৰ

ভাৰতীয় স্বাধীনতা আন্দোলনৰ কাহিনীবোৰ প্ৰেৰণাদায়ক। এইবোৰে আমাক শক্তি দিয়ে। অমৃত মহোৎসৱে এই বীৰগাঁথাৰ ওপৰত বিশেষ গুৰুত্ব দিছে আৰু ভাৰতীয় সাংস্কৃতিক বিভিন্নতাৰ দিশটোও উন্মোচন কৰিছে...

গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে যে "সমদু:খসুখম্, ধীৰম্, স:, অমৃতত্বায়, কল্পতে" অৰ্থাৎ যি ব্যক্তি সুখ-দুখ বা সকলো পৰিস্থিতিতেই অটল হৈ থাকে, স্থিতপ্ৰজ্ঞ হৈ থাকে তেনে ব্যক্তিয়েহে অমৃত লাভ কৰে, অমৰত্ব লাভ কৰে। অমৃত মহোৎসৱৰ অন্তৰালত ভাৰতৰ উজ্জ্বল ভৱিষ্যতৰ বাবে এই মন্ত্ৰকেই সৰোগত কৰা হৈছে। এই মন্ত্ৰকেই প্ৰেৰণা হিচাপে লোৱা হৈছে। স্বাধীনতা আন্দোলনৰ সময়ত দেশৰ বিভিন্ন সংগ্ৰাম, বিভিন্ন ঘটনাবোৰকেই প্ৰেৰণা হিচাপে লোৱা হৈছে, বাৰ্তা হিচাপে লোৱা হৈছে আৰু ইয়াকেই আত্মসাৎ কৰি দেশ আগবাঢ়ি যাব। ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰাম, মহাত্মা গান্ধীৰ বিদেশৰ পৰা উভতি অহা কথাটো, দেশৰ সত্যাগ্ৰহ আন্দোলন, পূৰ্ণ স্বৰাজ আন্দোলন, আজাদ হিন্দ ফৌজ, দিল্লী চলো আন্দোলন- এইবোৰ দেশে পাহৰিব নোৱাৰিব।

"যেতিয়া আমি দাসত্বৰ কথা মনত পেলাওঁ, যেতিয়া কোটি কোটি জনতাই স্বাধীনতাৰ এটা পুৰাৰ বাবে হাহাকাৰ কৰাৰ কথা মনত পেলাওঁ তেতিয়া দেশে স্বাধীনতা পোৱাৰ ৭৫ সংখ্যক বৰ্ষটো অধিক ঐতিহাসিক, গৌৰৱশালী হৈ পৰে। এই পৰ্বত শাস্বত ভাৰতো আছে, পৰম্পৰাও আছে, স্বাধীনতা সংগ্ৰামৰ প্ৰতিচ্ছৱিও আছে আৰু স্বাধীন ভাৰতৰ গৌৰৱান্বিত প্ৰগতিও নিহীত হৈ আছে।"

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী



শ্যামজী কৃষ্ণা বাৰ্মা-
শেষ নিশ্বাসলৈ যুঁজ দিয়া সংগ্ৰামী

১৮৫৭ চনৰ ৪ অক্টোবৰ তাৰিখে গুজৰাটৰ কচ্ছ জিলাৰ মান্দৰীত শ্যামজী কৃষ্ণা বাৰ্মাৰ জন্ম হৈছিল। আৰু শিশুকালৰ পৰাই ১৮৫৭ চনৰ স্বাধীনতা আন্দোলনৰ বীৰগাঁথা শুনি ডাঙৰ হৈছিল। মাথো ২০ বছৰ বয়সৰ পৰাই স্বাধীনতা আন্দোলত অংশ লৈছিল। ইংলেণ্ডৰ অক্সফৰ্ড বিশ্ববিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে যোৱা বাৰ্মাই থকা ঠাইৰ সন্ধান কৰিবলৈ যাওঁতে অনেক অসুবিধাৰ সম্মুখীন হ'বলগীয়া হয়। এই কাৰ্যত তেওঁ খঙাল হৈ পৰে আৰু নিজেই এটা ঘৰ ক্ৰয় কৰি সেইটোক ভাৰতীয় শিক্ষাৰ্থীৰ বাবে বোৰ্ডিং হাউচ হিচাপে গঢ়ি তোলে। তেওঁ এই ঘৰটোৰ নাম ইণ্ডিয়া হাউচ ৰাখে। পাছলৈ এই ইণ্ডিয়া হাউছেই ভাৰতীয় ক্ৰান্তিকাৰীৰ বাবে কেন্দ্ৰবিন্দু হৈ পৰে। বিভিন্ন বিপ্লৱী কাৰ্যকলাপৰো কেন্দ্ৰস্থল হৈ পৰে। এয়া কোৱা হয় যে বিপ্লৱী সত্বা বা স্বাধীনতা সেনানী যেনে লেনিন, মহাত্মা গান্ধী, লালা লাজপট ৰায়, গোপাল কৃষ্ণ গোখলে, বীৰ চাভাৰকাৰ, মদন লাল ধিংৰাই এই ঘৰটোলৈ আহিছিল। বাৰ্মা লোকমান্য তিলক আৰু দয়ানন্দ সৰস্বতীৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। তেওঁ নিজৰ জীৱন ভাৰতৰ স্বাধীনতাৰ বাবে উচৰ্গা কৰাই নহয় আন বহুত ৰাষ্ট্ৰবাদীকো অনুপ্ৰণিত কৰিছিল। এয়া কোৱা হয় যে বীৰ চাভাৰকাৰো বাৰ্মাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰবাদী-সংগ্ৰামী হৈ পৰিছিল। মদন লাল ধিংৰা তেওঁ ছাত্ৰ আছিল। শ্যামজী কৃষ্ণা বাৰ্মা-যি ওৰে জীৱন দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিছিল, তেওঁ ১৯৩০ চনৰ ৩১ মাৰ্চত জেনেভাত মৃত্যুমুখত পৰে।

ৰাণী গাইডিনলিউ—
ইংৰাজক শলঠেকত পেলোৱা পাহাৰী কন্যা

ৰাণী গাইডিনলিউ হৈছে দেশৰ স্বাধীনতাৰ সেই গৰাকী সেনানী যি মাথো ১৩ বছৰ বয়সৰ পৰাই স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। স্বাধীনতা আন্দোলনৰ সৈতে জৰিত এইগৰাকী সেনানী উত্তৰ-পূব ভাৰতৰ স্বাধীনতা সেনানীসকলৰ অন্যতম। ইংৰাজ প্ৰশাসকক খেদি পঠিওৱাৰ বাবে সংগ্ৰাম অব্যাহত ৰখা হেৰেকা হৈছে এটা সামাজিক-ৰাজনৈতিক সংস্থা। মণিপুৰ আৰু ইয়াৰ আশে পাশে থকা নগা এলেকাৰ পৰা বৃটিছ শাসনক উৎখাত কৰাৰ বাবে এই আন্দোলন চলিছিল। ১৯৩১ চনত ৰাণীয়ে এই হেৰাকা আন্দোলনৰ মূল ব্যক্তি হৈ পৰে আৰু পাহাৰীয়া লোকসকলক ইংৰাজৰ বিৰুদ্ধে সজাগ কৰে। তেওঁ মহাত্মা গান্ধীৰ অহিংসা নীতিও প্ৰচাৰ কৰিছিল আৰু সমগ্ৰ উত্তৰ পূব ভাৰতত স্বাধীনতা আন্দোলনৰ বাবে গান্ধীৰ বাণী বিয়পাই দিছিল। ইংৰাজ শাসকে পাহাৰীয়া গাঁও বোৰত অগ্নিসংযোগ কৰি হেৰাকা আন্দোলন মষিমূৰ কৰাৰ চেষ্টা কৰিছিল কিন্তু সেই কাৰ্যই বিপ্লৱীৰ মন দমন কৰিব নোৱাৰিলে। আৰু তেওঁলোকে ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম অব্যাহত ৰাখে। ৰাণী গাইডিনলিউৱে তেওঁৰ চাৰি হাজাৰ সমৰ্থকক লৈ এটা দুৰ্গ স্থাপনৰ কুচকাৱাজ আৰম্ভ কৰিছিল। কিন্তু এদিন ইংৰাজ সৈন্যৰ অতৰ্কিত আক্ৰমণত ৰাণী গ্ৰেপ্তাৰ হ'বলগীয়া হয়। ১৯৩২ চনৰ ১৭ এপ্ৰিল তাৰিখে গ্ৰেপ্তাৰ হোৱা ৰাণী গাইডিনলিউক পাছত ইংৰাজে আজীৱন কাৰাদণ্ড দি জেললৈ প্ৰেৰণ কৰে। ৰাণী গাইডিনলিউৰ মুক্তিৰ কথাটো ইংলেণ্ডৰ সংসদতো আলোচিত হৈছিল। কিন্তু কাৰাবন্দী হৈ ৰোৱা ৰাণীক দেশে স্বাধীনতা লাভ কৰাৰ পাছতে মুক্তি দিয়া হয়। তেওঁ ১৪ বছৰ কাৰাৱাস খাটিছিল। ■

ভাৰত মাতৃৰ প্ৰকৃত সন্তান বীৰ চাভাৰকাৰ



বিনায়ক দামোদৰ চাভাৰকাৰ...এয়া এক নাম নহয়, এয়া হৈছে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ এটা অধ্যায়... এই অধ্যায়ে প্ৰথমবাৰৰ আমাক ১৮৫৭ৰ সংগ্ৰামক চিপাহী বিদ্ৰোহৰ সলনি স্বাধীনতা সংগ্ৰাম ক'বলৈ শিকাইছিল। অটল বিহাৰী বাজপেয়ীয়ে কৈছিল, যদি মই এটা কণিকা, তেন্তে চাভাৰকাৰজী এখন পৰ্বত, যদি মই পানীৰ টোপাল তেন্তে তেওঁ সিন্ধু...

১৮৮৩ চনৰ ২৮ মে' তাৰিখে মহাৰাষ্ট্ৰৰ নাছিক জিলাৰ ভাগুৰ গাঁৱত বিনায়ক দামোদৰ চাভাৰকাৰৰ জন্ম হৈছিল। এই ৰাষ্ট্ৰবাদী মহানায়কক এজন ক্ৰান্তিবীৰ, সমাজিক কাৰ্যকৰ্তা, চিন্তাশীল ব্যক্তি, লেখক, কবি, বক্তা, ৰাজনেতা আৰু দাৰ্শনিকৰ ৰূপত সকলোৱে জানিছিল। মেট্ৰিক পাছ কৰি তেওঁ পুণেৰ প্ৰখ্যাত ফাৰ্গুছন কলেজৰ পৰা উচ্চ শিক্ষা লাভ কৰে। ১৯০৪ চনত তেওঁ অভিনৱ ভাৰত নামৰ এটা সংস্থা স্থাপিত কৰে। ৰাষ্ট্ৰবাদী চিন্তাৰ দ্বাৰা পৰিচালিত চাভাৰকাৰে ১৯০৫চনত বংগ বিভাজনৰ পাছত বিদেশী বস্ত্ৰত অগ্নি সংযোগ কৰে। বাল গংগাধৰ তিলকৰ অনুমোদনত স্ক'লাৰশ্বিপ পোৱাৰ বাবে তেওঁ লণ্ডনলৈ গৈ আইনৰ শিক্ষা লয়। এই সময়খিনিতে তেওঁ ফ্ৰী ইণ্ডিয়া ছ'চাইটীৰ স্থাপনা কৰে আৰু ভাৰতক স্বাধীনতা দিয়াৰ সংগ্ৰামত ব্ৰতী হয়। লণ্ডনত সেই সময়ত ইণ্ডিয়া হাউছ ৰাজনৈতিক গতিবিধিৰ কেন্দ্ৰ আছিল। এইখিনি সময়তেই চাভাৰকাৰ সম্পূৰ্ণৰূপে ভাৰতীয় স্বাধীনতা আন্দোনৰ প্ৰতি আকৰ্ষিত হয়।

১৯০৮ চনত তেওঁ যথেষ্ট অধ্যয়নৰ পাছত "দ্যা হিষ্ট্ৰী অৱ ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্স" শীৰ্ষক এখন কিতাপ লিখে। এই কিতাপখনতেই তেওঁ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম সংগ্ৰাম বুলি অভিহিত কৰে। কিতাপখন ছপা হোৱাৰ পাছত যথেষ্ট চৰ্চা লাভ কৰাত ইংৰাজ চৰকাৰে কিতাপখনৰ ওপৰত নিষেধাজ্ঞা আৰোঁপ কৰে। ১৯১০চনত তেওঁৰ বন্ধু মদন লাল ধিংৰাই এজন ইংৰাজ বিষয়াক হত্যা কৰে। ধিংৰাক মৃত্যুদণ্ড দিয়া হয়। চাভাৰকাৰে এই শাস্তিৰ প্ৰতিবাদ কৰে। চাভাৰকাৰৰ পদক্ষেপবোৰত ক্ষোভিত আৰু ভয়াৰ্ত হৈ ইংৰাজ প্ৰশাসনে চাভাৰকাৰক গ্ৰেপ্তাৰ কৰি ভাৰতলৈ প্ৰেৰণ কৰে। তেওঁ ভাৰতলৈ আহি থকা সময়ত জাহাজৰ পৰা পলায়ন কৰি ফ্ৰান্স পাইগৈ। কিন্তু তেওঁক তাত গ্ৰেপ্তাৰ কৰা হয় আৰু কালাপানীৰ(আন্দামান-নিকোবৰ দ্বীপৰ) শাস্তি শুনোৱা হয়। ১৯১১ চনত তেওঁ অন্য এটা গোচৰত আজীৱন কাৰাদণ্ড শাস্তি দিয়া হয়। চাভাৰকাৰক দুবাৰৰ বাবে আজীৱন কাৰাদণ্ড দিয়া হয়। তেওঁ এনে শাস্তি পোৱা একমাত্ৰ স্বাধীনতা সংগ্ৰামী। ১৯২১ চনত তেওঁ চেলুলাৰ জেলৰ পৰা মুক্তি পায় যদিও পুনৰ ৩ বছৰৰ বাবে পুণেৰ জেললৈ প্ৰেৰণ কৰা হয়। ১৯২৩ চনত তেওঁ জেলত থকা সময়তেই "হিন্দুত্বঃহু ইজ হিন্দু" শীৰ্ষক এখন গ্ৰন্থ লিখে। ১৯২৪ চনত জেলৰ পৰা মুক্তি লাভ কৰি তেওঁ হিন্দু নৱজাগৰণৰ কাম কৰে, জাত-পাতৰ বিৰুদ্ধে সজাগতা সৃষ্টিত গুৰুত্ব দিয়ে। ১৯৩৭ চনত এইজনা ৰাষ্ট্ৰবাদী বিনায়ক দামোদৰ চাভাৰকাৰ হিন্দু মহাসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়।

এগৰাকী বিপ্লৱী নেতা হিচাপে পৰিচিত বীৰ চাভাৰকাৰ ৰাষ্ট্ৰবাদী চিন্তাৰে পৰিচালিত হৈছিল। তেওঁৰ লেখনিত সমাজ সংস্কাৰৰ প্ৰভাৱ আছিল। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষাত, "বীৰ চাভাৰকাৰক আমি এজন সমাজ সংস্কাৰক তথা অন্যকো স্বাধীনতা আন্দোলনত অংশ লোৱাৰ বাবে প্ৰেৰণা দিয়া ব্যক্তি হিচাপে মনত ৰাখিম।" ১৯৬৫ চনৰ ছেপ্তেম্বৰ মাহত তেওঁ নৰিয়াত পৰে আৰু ১৯৬৬ চনৰ ফেব্ৰুৱাৰী ১ তাৰিখে তেওঁ মৃত্যু পৰ্যন্ত উপবাসৰ পণ লয়। ১৯৬৬ চনৰ ২৬ ফেব্ৰুৱাৰীত তেওঁৰ দেহাৱসান হয়। ■

PMO India @PMOIndia

PM also reviewed progress on setting up of PSA plants. He was informed that around 1500 PSA plants are in the process of being set up through contribution of PM CARES, PSUs and others. He directed officials to ensure speedy completion of these plants.

रक्षा मंत्री कार्यालय/ RMO India

The @DRDO_India is going to set up 500 Medical Oxygen Plants within 3 months under PM CARES Fund.

The Medical Oxygen Plant technology developed by DRDO for On-Board Oxygen Generation for LCA, Tejas will now help in fighting the current crisis of Oxygen for the COVID-19 patients.

Amit Shah @AmitShah

A big decision to curb the oxygen crisis and help the people in need. I thank PM @narendramodi Ji for allocating funds to install 551 PSA Oxygen Generation Plants in public health facilities across the country through PM CARES.

Office Of Nitin Gadkari @OfficeOfNG

Andhra Pradesh CM announces that they will send 300 Ventilators to Maharashtra. This after Union Union Minister Shri @nitin_gadkari ji spoke to CM @ysjagan with the request.

Dr Harsh Vardhan @drharshvardhan

Participated in a @WHO virtual information session on #COVID19 chaired by Director, #WHO Governing Bodies, Dr Timothy Armstrong

At the session held today, technical & epidemiological updates on #COVID_19 were provided along with an update on ACT Accelerator & COVAX.

Piyush Goyal @PiyushGoyal

Under the leadership of PM @NarendraModi ji, Indian Railways is working round the clock to ensure swift & uninterrupted supply of Oxygen to every part of the country.

#OxygenExpress has reached Faridabad from Angul, with Oxygen tankers for COVID-19 patients in Haryana.

{ FORCES DE... } FOR COVID-19 AID

PM Modi holds meeting with IAF chief, reviews relief work

Rahul Singh
letters@hindustantimes.com

NEW DELHI: Prime Minister Narendra Modi on Wednesday reviewed the Indian Air Force's (IAF) Covid relief efforts and stressed on the need to increase the speed, scale and safety of operations in transporting oxygen tankers and other essential material to fight the coronavirus disease (Covid-19) pandemic.

Briefing the Prime Minister on the air force's efforts to help fight the outbreak, IAF chief Air Chief Marshal RKS Bhadauria said that IAF has ordered 24x7 readiness of its entire heavy-lift fleet and substantial numbers of its medium-lift fleet to operate in a hub and spoke model to swiftly meet all Covid-related tasks across the country and overseas, the PMO said in a statement.

"Aircrews for all fleets have been augmented to ensure round-the-clock operations," the

Oxygen cylinders before being load... countries including the US, the UK a...

Retired medical personnel recalled to fight crisis: CDS

PAWAN BALI
NEW DELHI, APRIL 26

Prime minister Narendra Modi on Monday reviewed with Chief of Defence Staff General Bipin Rawat the preparations and operations undertaken by the Armed forces to assist in Covid-19 situation in the country.

CDS briefed the PM that all medical personnel from armed forces who have retired or taken pre-mature retirement in the last 2 years are being recalled to work in Covid facilities within proximity of their present place of residence. Other medical officers who retired earlier have also been requested to make their services available for

THE CDS informed the PM that nursing personnel are being employed in large numbers to complement the doctors at the hospitals. He also said that oxygen cylinders available with armed forces in various establishments will be released for hospitals.

Headquarters (HQ), Corps HQ, Division HQ and similar HQ of Navy and Air-Force will be employed at hospitals.

The CDS informed the PM that nursing personnel are being employed in large numbers to complement the doctors at the hospitals. CDS said that oxygen cylinders available with armed forces in vari-

tary medical infrastructur... will be made available t... civilians. PM also reviewe... the operations being under... taken by IAF to transpor... oxygen and other essentia... in India and abroad.

Indian Air Force's C1... transport aircraft o... Monday airlifted 6 empty cryogenic oxygen contain... ers from Dubai. It will air... lift another 6 container... from Dubai on Tuesday.

On Saturday, IAF had air... lifted 4 containers of cryo... genic oxygen tanks from Changi Internationa... Airport, Singapore.

Prime Minister also dis... cussed with the CDS tha... Kendriya and Rajya Sainik Welfare Boards an... Officers posted in variou... headquarters in veteran...

{ 2ND WAVE } TO ESTABLISH NEW 2+2 TALKS SYSTEM

Russia extends support to India

Rezaul H Laskar
letters@hindustantimes.com

NEW DELHI : Russian President Vladimir Putin on Wednesday extended support to Prime Minister Narendra Modi for countering the Covid-19 situation in India even as the two sides decided to establish a new 2+2 dialogue of foreign and defence

THE FIRST RUSSIAN CONSIGNMENT OF COVID-19 SUPPORT MATERIALS IS EXPECTED TO REACH TODAY

went through a rough patch recently, following Russian for-

MORE TO COME FROM SINGAPORE, DUBAI

Oxygen tankers from Thailand arrive in India

OUR CORRESPONDENT

NEW DELHI: A consignment of containers for transportation of medical oxygen arrived in India from Thailand while some more empty tankers will be airlifted from Singapore and Dubai on Tuesday, the Union home ministry said.

The containers from Thailand were the third such consignment to be flown to the country in the Indian Air Force's (IAF) transport aircraft by the home ministry amid a

RNI No. :
DELASS/2020/78827
May : 16-31, 2021

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 13-17 advance Fortnightly (Publishing Date May 5, 2021, Pages - 56)

বুদ্ধ পূৰ্ণমা-২৬ মে', ২০২১



“

सुप्प बुद्धं पबुज्झन्ति, सदा गोतम सावका।

অৰ্থাৎ যি দিনে-নিশাই, প্ৰতিটো সময় মানৱৰ সেৱাত ব্ৰতী হৈ আছে, তেওঁৱেই বুদ্ধৰ প্ৰকৃত অনুগামী। এই ভাৱধাৰাই আমাৰ জীৱনক আগুৱাই নিব, জাতিস্কাৰ কৰিব।

“

প্ৰত্যেকৰ জীৱনৰ অসুবিধাবোৰ, বাধাবোৰ দূৰ কৰাৰ বাৰ্তাই ভাৰতীয় সভ্যতাৰ দিশ নিৰ্ণয় কৰিছে। ভগৱান গৌতম বুদ্ধই ভাৰতীয়ৰ এই সংস্কৃতি, পৰম্পৰাক সমৃদ্ধ কৰিছে। তেওঁ নিজ পোহৰেৰে দীপ্ত হৈ আনকো পোহৰাই তুলিছিল। সেইকাৰণেই বুদ্ধ কোনো এক পৰিস্থিতত স্তিমিত নহয়, কোনো এক প্ৰসংগত সীমাৱদ্ধ নহয়। সিদ্ধাৰ্থৰ জন্ম, সিদ্ধাৰ্থৰ পৰা গৌতম হোৱাৰ প্ৰক্ৰিয়াত সময়ৰ গতি ধাৱমান হৈ আছিল আৰু আমাক সকলোকে বিভিন্ন পৰিস্থিতিৰ মাজেৰে লৈ গৈছিল। এই সময় চলমান।”

-নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী

Assamese

Editor
Jaideep Bhatnagar,
Principal Director General,
Press Information Bureau, New Delhi

Published & Printed by: Satyendra Prakash, Principal Director General, BOC on behalf of Bureau of Outreach and Communication

Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003

Printed at Viba Press Pvt Ltd. C66/3, Okhla , Ind Area Phase-II, New Delhi 20